● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

পৰিব বুলি ভয় নাখাব। এয়াই জীৱনৰ শেষ নহয়, বৰঞ্চ কিবা এটা শিকাৰ প্ৰথমটো খোজহে।

জন হেম
*আমেৰিকাৰ অভিনেতা*



www.dainikagradoot.in

৭ প্ৰতি সপ্তাহত এশটা গোচৰৰ শুনানি সম্ভৱ নেকি
১৫ বিশ্ব এথলেটিকছত নীৰজ চোপ্ৰাৰ ৰূপ
৪ টকাৰ মূল্য অৱনমনে অভিলেখ সৃষ্টি কৰিলে

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮৫তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৮ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৫ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 25 July 2022 মূল্য ঃ ৯.০০ টকা

■ ধৰ্মীয় সংখ্যালঘু অধ্যুষিত তিনি সমষ্টি দখলৰ যুঁজলৈ সাজু বিজেপি ■ কেন্দ্ৰীয় মন্ত্ৰী ৰিজিজুক বৰপেটা-নগাঁও-কলিয়াবৰৰ বাবে বিশেষ দায়িত্ব ■ চিনাক্ত কৰি উলিওৱা হ'ব সম্ভাৱনাপূৰ্ণ ভোটাৰ

# মুছলমানৰ ভোট আদায়ৰ ৰণকৌশল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জুলাই ঃ** আগন্তুক ২০২৪ত ৰাজ্যৰ মুঠ ১৪ টা লোকসভা সমষ্টিৰ ভিতৰত কমেও ১২ টা সমষ্টি দখলৰ ৰণকৌশলেৰে নিৰ্বাচনী ক্ষেত্ৰত ইতিমধ্যে জঁপিয়াই পৰিছে শাসকীয় বিজেপি। শাসক দলৰ এই লক্ষ্য পূৰণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে তিনিটা সমষ্টিয়ে। বৰ্তমান দলৰ দখলত থকা নটা সমষ্টিকে ধৰি অতিৰিক্তভাৱে এইবাৰ যি তিনিটা সমষ্টিক বিজেপিয়ে লক্ষ্য কৰি লৈছে সেইকেইটা হ'ল বৰপেটা, কলিয়াবৰ আৰু নগাঁও। দলৰ শীৰ্ষ সূত্ৰত প্ৰকাশ যে জনগাঁথনিৰ ভিত্তিত এই তিনিওটা সমষ্টি বিজেপিৰ বাবে যথেষ্ট প্ৰত্যাহ্বানজনক। সেয়েহে শাসক দলটোৱে এইকেইটা সমষ্টি আগন্তুক নিৰ্বাচনত দখলৰ বাবে সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰিবলৈ সাজু হৈছে। ইয়াৰ বাবে সৰ্বোত্তম ৰণকৌশলেৰে ভোটৰ যুদ্ধত অৱতীৰ্ণ হ'বলৈ আগবাঢ়িছে বুলি দলীয় সূত্ৰত প্ৰকাশ। ধৰ্মীয় সংখ্যালঘু ভোটাৰৰ স'তে জনসংযোগ স্থাপনৰ বাবে সকলো ধৰণৰ কৌশল প্ৰয়োগ কৰিবলৈ সাজু হৈছে শাসকীয় দলটো।

ধৰ্মীয় সংখ্যালঘু ভোটাৰ অধ্যুষিত এই তিনিটা সমষ্টি দখলৰ বাবে দিল্লীৰ পৰাই ৰাষ্ট্ৰীয় নেতৃত্বই সম্পূৰ্ণ কাম-কাজ তত্ত্বাৱধান কৰি আছে। তদুপৰি ৰাজ্যিক স্তৰত দুই পৃষ্ঠাত চাওক




*বানত ক্ষতিগ্ৰস্তৰ বুজ লৈছে মন্ত্ৰীদ্বয় অতুল বৰা আৰু কেশৱ মহন্তই ক্ৰমে নগাঁও আৰু হোজাই জিলাত।*

## ভোট দি আপুনি কি পালে ?

■ প্ৰাঞ্জলসেন ডেকা

**এই** প্ৰশ্নটোকে উত্থাপন কৰি বিপদত পৰিল মধ্যপ্ৰদেশৰ শিৱপুৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত এজন। নিৰ্বাচন বিভাগৰো দায়িত্বত থকা জিলা প্ৰশাসনৰ বিষয়া উমেশ প্ৰকাশ শুক্লাই গভীৰ হতাশা আৰু উষ্মাৰে মনৰ ক্ষোভ উজাৰিলে স্থানীয় নিকায় নিৰ্বাচনৰ এজন নিৰ্দলীয় প্ৰাৰ্থীৰ সমুখত। বেলট সম্পৰ্কীয় বিষয় এটা লৈ নিৰ্দলীয় প্ৰাৰ্থীজন অতিৰিক্ত উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈছিল। প্ৰাৰ্থীজনৰ স'তে বাৰ্তালাপৰ সময়তে শুক্লাই সম্পূৰ্ণ দ্বিধাহীনভাৱে ১০ পৃষ্ঠাত চাওক

শিৱসাগৰৰ কাৰ্যনিৰ্বাহক সভাত উত্তাল পৰিৱেশ ■ ভুৱা বেংক একাউণ্টৰ জৰিয়তে লেনদেন

■ দুপৰীয়াৰ আহাৰত নিষিদ্ধ গাহৰিৰ মাংস পৰিবেশনক লৈও বিতৰ্ক ঃ নিৰ্বাচনী সমিতি গঠন

## দুৰ্নীতি-অনিয়মক লৈ উত্তপ্ত সাহিত্য সভা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৪ জুলাই ঃ** বিতৰ্ক, অনিয়মৰ পৰিপূৰক হৈ পৰা অসম সাহিত্য সভাৰ অৱশিষ্ট গৰিমাখিনিকো শেষ কৰাৰ দায়িত্ব লৈছে ইয়াৰ একাংশ পদবীধাৰীয়ে। তেনে এচামৰ দৌৰাত্ম্যৰ পৰিণতিত আজি ইয়াৰ যুৱ দ'লত অনুষ্ঠিত সভাৰ কেন্দ্ৰীয় সমিতিৰ ষষ্ঠ পূৰ্ণাংগ কাৰ্যনিৰ্বাহ সভাত তীব্ৰ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। সভাৰ পৰৱৰ্তী সভাপতি বাছনি, ভুৱা বেংক একাউণ্টৰে ধনৰ ব্যাপক অনিয়ম আদিক লৈয়ে এনে পৰিস্থিতিৰ সৃষ্টি হয়। তদুপৰি দুপৰীয়াৰ আহাৰত গাহৰিৰ মাংস পৰিবেশন কৰাক লৈয়ো সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ।

সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক বিহপুৰীয়া অধিবেশনৰ সভাপতিৰ নাম আলোচনালৈ অনাৰ সময়তে প্ৰথম বিতৰ্কৰ সূত্ৰপাত হয়। পৰৱৰ্তী সভাপতিৰ তালিকাত ব্যাপক বিত্তীয় কেলেংকাৰিত অভিযুক্ত হৈ সভাৰ পৰা বহিষ্কৃত ড° জগদীশ পাটগিৰিৰ নাম অন্তৰ্ভুক্ত হোৱা বুলি উল্লেখ হোৱাৰ সময়তে কাৰ্যনিৰ্বাহকৰ বহু সদস্যই ইয়াৰ তীব্ৰ বিৰোধিতা কৰে। তেওঁলোকে কয় যে বিগত ২০০৩-২০০৫ আৰু ২০০৫-২০০৭ত পাটগিৰি দুই পৃষ্ঠাত চাওক

## ক'ভিড-১৯ৰ পাৰ্শ্বক্ৰিয়াত অকাল বিয়োগ জ্যেষ্ঠ আমোলা ৰাজেশ প্ৰসাদৰ

মুখ্যমন্ত্ৰীসহ কে'বাজনো মন্ত্ৰীৰ শোক প্ৰকাশ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জুলাই ঃ** ক'ভিডৰ পাৰ্শ্বক্ৰিয়াত গুৰুতৰভাৱে অসুস্থ হৈ আজি অকাল মৃত্যুক সাবটি লয় অসম চৰকাৰৰ আবকাৰী, জলসিঞ্চন, ভূমি সংৰক্ষণ, গৃহ আৰু নগৰ পৰিক্ৰমা আদি ১০ পৃষ্ঠাত চাওক

■ মেঘালয়ৰ নামত অহা গাহৰি বৰ্ণিহাটৰ পৰা আহে গুৱাহাটীলৈ

ৰাজ্যৰ পশুপালন বিষয়া-আৰক্ষীৰে বুজাবুজিৰে চলিছে অবৈধ বেহা

## নিষেধাজ্ঞালৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি বহিঃৰাজ্যৰ গাহৰিৰ বৃহৎ ছিণ্ডিকেট

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জুলাই ঃ** মাৰাত্মক ছোৱাইন ফিভাৰে গুৰুতৰ ৰূপ ধাৰণ কৰাত ৰাজ্যৰ শ শ থলুৱা গাহৰি পালকে দিক্‌বিদিক হেৰুৱাই পেলোৱাৰ সময়তে চৰকাৰৰ নিষেধাজ্ঞালৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি এক বৃহৎ চক্ৰই গুৱাহাটী মহানগৰীক কেন্দ্ৰ কৰি গঢ়ি তুলিছে বহিঃৰাজ্যৰ গাহৰিৰ এক বৃহৎ ছিণ্ডিকেট। ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধ কৰিবলৈ বহিঃৰাজ্যৰ পৰা অসমলৈ গাহৰি আমদানি চৰকাৰে নিষিদ্ধ কৰি ৰাখিছে যদিও এক ছিণ্ডিকেট চক্ৰই একাংশ পশুপালন বিভাগৰ বিষয়া আৰু আৰক্ষীক মেনেজ কৰি বিশেষকৈ পঞ্জাৱৰ গাহৰি আমদানি অব্যাহত ৰখাৰ অভিযোগ উত্থাপন কৰিছে স্বয়ং গাহৰি মাংসৰ ব্যৱসায়ীসকলে। মহানগৰীৰ গাহৰি মাংস ব্যৱসায়ীৰ সূত্ৰ অনুসৰি, যিহেতু পঞ্জাৱৰ পৰা গাহৰি পোনে পোনে অসমলৈ অহাত নিষেধাজ্ঞা আছে, সেয়ে মেঘালয়ৰ নামত ১০ পৃষ্ঠাত চাওক

## আৰক্ষী থানাৰ সন্মুখৰ জংঘলত মোনাৰ ভিতৰত শিশু উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৪ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ পৰা মাত্ৰ পাঁচশ মিটাৰ আঁতৰত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাঘমৰাৰ এখন পকী দলঙৰ কাষত এটি প্ৰায় পাঁচমহীয়া ল'ৰা শিশু আজি আবেলি ৩-২০ মান বজাত কঞাকুছি গাঁওৰক্ষী বাহিনীৰ সম্পাদক নাচিকুৰ ১০ পৃষ্ঠাত চাওক

## দ্ৰৌপদী মুৰ্মু ঃ জনজাতিৰ সবলীকৰণৰ দিশত মোদীৰ সংকল্পৰ প্ৰতীক

■ অমিত শ্বাহ
গৃহ মন্ত্ৰী, ভাৰত চৰকাৰ



**ভাৰতৰ** ৰাষ্ট্ৰপতি হিচাপে দ্ৰৌপদী মুৰ্মু নিৰ্বাচিত হোৱাটো ভাৰতীয় গণতন্ত্ৰৰ এক ঐতিহাসিক মুহূৰ্ত। ওড়িশাৰ এক অতি দৰিদ্ৰ জনজাতীয় পৃষ্ঠভূমিৰ মাজৰ পৰা, তাকো অতিশয় পিছপৰা চাওতালী সম্প্ৰদায়ৰ পৰা দেশৰ সৰ্বোচ্চ সাংবিধানিক পদবীলৈ এই উল্লেখযোগ্য যাত্ৰা তেওঁৰ সংগ্ৰাম, ১০ পৃষ্ঠাত চাওক

## নগাঁও জিলাৰ বানাক্ৰান্ত অঞ্চলত কৃষিমন্ত্ৰী বৰাৰ চৰজমিন তদন্ত

ঘৰে ঘৰে গৈ বুজ লৈছে ক্ষয়ক্ষতিৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ জুলাই ঃ** চলিত বৰ্ষত প্ৰলয়ংকৰী বানত আবাস গৃহ ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ বাবে যাৱতীয় অনুদান সময়মতে প্ৰদান কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীৰ এই ১০ পৃষ্ঠাত চাওক

## মহানগৰীত ২০ কোটি টকা মূল্যৰ নিচাযুক্ত য়াবা টেবলেট জব্দ ঃ আৰক্ষী

মণিপুৰৰ পৰা বাংগালুৰুলৈ প্ৰেৰণৰ পৰিকল্পনা ঃ ধৃত দুজন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জুলাই ঃ** দক্ষিণ-পূব এছিয়াৰ দেশৰ পৰা ভাৰতলৈ প্ৰেৰণ কৰা নিষিদ্ধ ড্ৰাগছ তথা নিচাযুক্ত সামগ্ৰী সৰবৰাহৰ ট্ৰেনজিত পইণ্ট হৈ পৰিছে গুৱাহাটী। আৰক্ষী আৰু বিভিন্ন চোৰাংচোৱা সংস্থাই মহানগৰীত সঘনে এনে সামগ্ৰী জব্দ কৰি আহিছে, তথাপি ইয়াৰ সৰবৰাহ ৰোধ হোৱা নাই। আজিও বশিষ্ঠত মণিপুৰত থকা দুই পৃষ্ঠাত চাওক

## বিশিষ্ট চিত্ৰশিল্পী, লেখক, গল্পকাৰ ভৱানীপ্ৰসাদ সৌকাধৰাৰ দেহাৱসান



**গুৱাহাটী, ২৪ জুলাই ঃ** সুদক্ষ চিত্ৰশিল্পী, বিশিষ্ট লেখক, কবি, গল্পকাৰ ভৱানীপ্ৰসাদ সৌকাধৰাৰ আজি দুপৰীয়া গুৱাহাটীৰ এখন ব্যক্তিগত নাৰ্ছিংহোমত ৭৬ বছৰ বয়সত দেহাৱসান ঘটে। তেওঁ আজি কে'বাবছৰ ধৰি বৃক্কৰ জটিল ৰোগত ভুগি আছিল। ১৯৪৬ৰ ২৮ জানুৱাৰীত শিৱসাগৰৰ নামতিত জন্মগ্ৰহণ কৰা এইগৰাকী শিল্পীয়ে স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল যোৰহাটৰ শংকৰদেৱ চেমিনাৰীত আৰু পৰৱৰ্তী কালত শিক্ষা গ্ৰহণ কৰিছিল শান্তি নিকেতনত। ভৱানীপ্ৰসাদৰ পিতৃ জীউৰাম সৌকাধৰা ১০ পৃষ্ঠাত চাওক

## চাৰি মহিলাক গ্ৰেপ্তাৰ বোৱাৰীক হত্যাৰ অভিযোগত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৪ জুলাই ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ভোজমালাত এগৰাকী বোৱাৰীক হত্যাৰ অভিযোগত স্বামীগৃহৰ চাৰিগৰাকী মহিলাক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত মহিলাকেইগৰাকী হ'ল হত্যাৰ বলি হোৱা মনালিছা বেগম (২০)ৰ স্বামী নুৰ আমিন হকৰ দুই পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙত পুনৰ ১২ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ

**অগ্ৰদূত বাৰ্তা**

**বোকাজান, ২৪ জুলাই ঃ** আজি পুনৰ কাৰ্বি আংলং জিলাৰ খটখটিত আৰক্ষীয়ে প্ৰায় ১০ কোটি টকা মূল্যৰ হেৰ'ইন জব্দ কৰে। এই হেৰ'ইন সৰবৰাহত জড়িত নগালেণ্ডৰ এগৰাকী মহিলাসহ তিনিজনক আটক কৰা হয়। আৰক্ষীয়ে ১০ পৃষ্ঠাত চাওক

■ আজি পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে শপতগ্ৰহণ কৰিব দ্ৰৌপদী মুৰ্মুৱে

■ অনুষ্ঠানত পৰম্পৰাগত শাৰী পৰিধান কৰিব বুলি আশা পৰিয়ালৰ

## পৰম্পৰাগত চাওতালী শাৰী লৈ দিল্লীলৈ ৰাওনা ভাই বোৱাৰী ছুকুৰি

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৪ জুলাই ঃ** দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে কাইলৈ শপতগ্ৰহণ কৰিব দ্ৰৌপদী মুৰ্মুৱে। শপতগ্ৰহণ অনুষ্ঠানত দেশৰ প্ৰথমগৰাকী আদিবাসী ৰাষ্ট্ৰপতিয়ে কি শাৰী পৰিধান কৰিব তাকে লৈ বিভিন্ন মহলত চৰ্চা চলিছে। পৰম্পৰাগত চাওতালী শাৰী পৰিধান কৰি মুৰ্মুৱে



'ৰাইছিনা হিল'ত ভৰি থব বুলি চৰ্চা হৈছে। সূত্ৰত প্ৰকাশ যে শপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বে দেশৰ ভাবী ৰাষ্ট্ৰপতিৰ বাবে উপহাৰস্বৰূপে বিশেষ শাৰী লৈ দিল্লীত উপস্থিত হৈছে তেওঁৰ ভাই বোৱাৰী ছুকুৰি টুডু। এই শাৰী পৰিধান কৰিয়ে শপত ল'ব পাৰে মুৰ্মুৱে। শাৰীসহ পত্নীৰ দুই পৃষ্ঠাত চাওক

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৬° |
| ডিব্ৰুগড় | ৩১° | ২৫° |
| দিল্লী | ৩৩° | ২৮° |
| কলকাতা | ২৭° | ২৭° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২২° | ১৯° |



*২৪ জুলাই, ২০২২*

চৰকাৰক আইন সংশোধন কৰিবলৈ দাবী জনালে এআইইউডিএফে

প্ৰাদেশিকীকৰণ নকৰাৰ সিদ্ধান্তই শিক্ষাখণ্ডত গুৰুতৰ প্ৰভাৱ পেলাব

## ২,৬৫৯ অপ্ৰাদেশিকীকৃত বিদ্যালয়ত কৰ্মৰত ২৩,৯১০ শিক্ষক-কৰ্মচাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জুলাই ঃ** অসম চৰকাৰে অপ্ৰাদেশিকীকৃত কোনো শিক্ষানুষ্ঠান আৰু প্ৰাদেশিকীকৰণ নহয় বুলি গ্ৰহণ কৰা সিদ্ধান্তই ৰাজ্যৰ শিক্ষা ব্যৱস্থাত অভাৱনীয় খেলি-মেলিৰ সৃষ্টি কৰিব বুলি আজি আশংকা প্ৰকাশ কৰে এআইইউডিএফে। সেয়েহে চৰকাৰক সিদ্ধান্ত সলনি কৰি প্ৰাদেশিকীকৰণ আইন সংশোধন কৰিবলৈ দলে আজি আহ্বান জনায়। ইয়াত এক সংবাদমেলত বিধায়ক তথা দলৰ সাংগঠনিক সাধাৰণ সম্পাদক আমিনুল ইছলামে কয় যে শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ নোহোৱা বাবে ইতিমধ্যে চাৰিশ শিক্ষকে আত্মহত্যা কৰিছে। এশ শিক্ষকৰ স্বাভাৱিক মৃত্যু হৈছে। এহেজাৰ শিক্ষকে বিনা দৰমহাই অৱসৰ গ্ৰহণ কৰিছে। ১৬ হেজাৰ শিক্ষকে বেতন অবিহনে এতিয়াও কাম কৰি আছে। শিক্ষকৰ উপৰি শিক্ষানুষ্ঠানবোৰত অন্যান্য কৰ্মচাৰীও ১০ পৃষ্ঠাত চাওক

তিনিমাহৰ পূৰ্বে পৰিকল্পনাৰ কথা স্বীকাৰ

## টিপকাইত মহিলাক ডাইনী সন্দেহত হানি-খুচি হত্যা, দুজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**তামাৰহাট, ২৪ জুলাই ঃ** ৰাজ্যত পুনৰ সংঘটিত হ'ল ডাইনীৰ সন্দেহত হত্যাকাণ্ড। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাৰ টিপকাইত এগৰাকী মহিলাক ডাইনী সন্দেহত একাংশ লোকে হানি-খুচি হত্যা কৰে। উক্ত ঘটনাই সমগ্ৰ মহকুমাতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, পৰ্বতঝোৰা মহকুমাৰ টিপকাই আৰক্ষী চকীৰ ১০ পৃষ্ঠাত চাওক

## প্ৰসূতিৰ পৰা ২৮০ টকা উৎকোচ লৈ গ্ৰেপ্তাৰ নাৰ্ছ



**তামাৰহাট, ২৪ জুলাই ঃ** ধুবুৰী জিলাৰ তামাৰহাট ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত কৰ্মৰত জি এন এম নাৰ্ছে প্ৰসূতিক ধন দাবী কৰাৰ অভিযোগত আৰক্ষীৰ দ্বাৰা গ্ৰেপ্তাৰ হ'বলগীয়া হয়। আৰক্ষীয়ে জনোৱা মতে, ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**



*নাই নাই, ইয়াত নহ'ব! বিদেশী পুঁজি আহিব বুলি নিশ্চিতি দিব পাৰিলেহে ইয়াত স্থান পাব!*

■ এএছটিচিৰ পাছত মীন উন্নয়ন নিগমত নিযুক্তিৰ বৃহৎ কেলেংকাৰি ■ বিজ্ঞাপন-সাক্ষাৎকাৰ অবিহনে কেৱল ৰাজনৈতিক প্ৰভাৱত নিযুক্তিৰ পোহাৰ ■ কঠোৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস মন্ত্ৰীৰ

## ২১৭ জন নিযুক্তিপ্ৰাপ্তৰ বৰ্খাস্তকৰণ নিশ্চিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জুলাই ঃ** ৰাজ্যত কোনো নীতি-নিয়ম অবিহনে যে বিভিন্ন বিভাগত কাৰোবাৰ মুখৰ কথাতে তথা ৰাজনৈতিক প্ৰভাৱেৰে শ শ পদত নিযুক্তি চলি আহিছে তাৰ শেহতীয়া উদাহৰণ হ'ল মীন বিভাগ। অসম ৰাজ্যিক পৰিবহণ নিগমৰ পাছতে মীন বিভাগৰ অধীনস্থ মীন উন্নয়ন নিগমত বিগত ২০২০ আৰু ২০২১ত বিভিন্ন পদত ২১৭ জন কৰ্মচাৰীয়ে কোনো প্ৰক্ৰিয়া অৱলম্বন নকৰাকৈ অবৈধভাৱে নিযুক্তি লাভ কৰিছিল। সেইসকলৰে চাকৰি অহা ২৮ জুলাইৰ পাছত নথকাৰ ইংগিত দিয়ে বিভাগীয় মন্ত্ৰী শুক্লবৈদ্যই। মন্ত্ৰীজনে কয় যে তেনেদৰে মুঠ ২২০ জনে উক্ত সময়ছোৱাৰ ভিতৰত নিযুক্তি লাভ কৰিছিল। তাৰে তিনিজনে অনুকম্পামূলক নিযুক্তি লাভ কৰে। সেই তিনিজনৰ ভিতৰত এজন ছহিদ কুশল কোঁৱৰৰ আত্মীয়। অনুকম্পামূলক নিযুক্তিপ্ৰাপ্ত তিনিজনৰ বাদে ২১৭ জনৰ ক্ষেত্ৰতে কোনো নিয়ম পালন কৰা নহ'ল। অৰ্থাৎ এই বৃহৎ সংখ্যক পদত নিযুক্তিৰ বাবে ১০ পৃষ্ঠাত চাওক

কোকৰাঝাৰত অনুষ্ঠিত হ'ব ৬২সংখ্যক বাৰ্ষিক অধিবেশন

## ৰাজ্যিক কেবিনেটৰ সিদ্ধান্তক লৈ অসন্তুষ্টি প্ৰকাশ বড়ো সাহিত্য সভাৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৪ জুলাই ঃ** 'অসম চৰকাৰে যোৱা ১৭ জুলাইত অনুষ্ঠিত কেবিনেট বৈঠকত গ্ৰহণ কৰা কেতবোৰ সিদ্ধান্ত আমি মানি ল'ব নোৱাৰো। অসমত এতিয়াও বহুতো অপ্ৰাদেশীকিকৃত শিক্ষানুষ্ঠান আছে, যাক এতিয়াও প্ৰাদেশিকীকৰণ কৰা হোৱা নাই। তেনেক্ষেত্ৰত অসম চৰকাৰৰ শিক্ষা বিভাগে নতুনকৈ শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ কৰা নহ'ব বুলি লোৱা সিদ্ধান্ত কেতিয়াও মানি ল'ব নোৱাৰি।' এই মন্তব্য বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৰ। আজি বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰস্থিত বড়ো সাহিত্য ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৫ জুলাই, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## বৰপেটাৰ পালহাজীত ন বছৰীয়া নাবালিকাক ধৰ্ষণ ঃ অভিযুক্তৰ লগতে মাতব্বৰক গ্ৰেপ্তাৰ

### ধনৰ বিনিময়ত পীড়িতাৰ পৰিয়ালক মুখ বন্ধ ৰখাৰ ভাবুকি

বিশেষ সংবাদদাতা

**বৰপেটা, ২৪ জুলাই ঃ** বৰপেটা জিলাৰ পালহাজীত এটি ন বছৰীয়া কন্যাশিশুক ধৰ্ষণৰ ঘটনাই সম্প্ৰতি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে এই ঘটনাত জড়িত মূল অভিযুক্তসহ দুজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অভিযুক্তৰ হৈ পীড়িতাৰ অভিভাৱক ছয় পৃষ্ঠাত চাওক

## লংকাত ঘৰত কোনো নথকাৰ সুযোগত খিৰিকীৰ গ্ৰীল ভাঙি চোৰে লুটিলে তিনি লক্ষাধিক

অগ্ৰদূত বাৰ্তা

**লংকা, ২৪ জুলাই ঃ** লংকা চাৰি নম্বৰ ৱাৰ্ডৰ লংকা ৰেল ষ্টেছনৰ সমীপতে সুন্দৰ সিঙৰ বাসগৃহত চুৰিকাণ্ড সংঘটিত হয়। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে লুটি নিয়ে প্ৰায় তিনি ছয় পৃষ্ঠাত চাওক

## বালিপৰাত বিত্তমন্ত্ৰী নেওগৰ বান বিধ্বস্ত অঞ্চল পৰিভ্ৰমণ

### বানত ক্ষতিগ্ৰস্তই চৰকাৰী সাহায্য লাভৰ বিষয়টো নিশ্চিত কৰাৰ পোষকতা



ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ২৪ জুলাই ঃ** ৰাজ্য চৰকাৰৰ বিত্ত আৰু সমাজকল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ আজি পুৱাতে উপস্থিত হয়হি বালিপৰাত। উল্লেখ্য যে কালি সন্ধিয়া তেজপুৰত উপস্থিত হৈ উপায়ুক্ত কাৰ্যালয়ত জিলাখনৰ শেহতীয়া বান পৰিস্থিতিক লৈ অনুষ্ঠিত এখন সভাত অংশ লোৱা মন্ত্ৰী নেওগে যোৱা নিশা তেজপুৰত অতিবাহিত কৰাৰ পাছত আজি পুৱা ছয় পৃষ্ঠাত চাওক


## ইতিহাস-ঐতিহ্য ৰক্ষাৰ বাবে ৰাজপথত সংগ্ৰাম কৰিবলগীয়া হোৱাটো অতিকৈ দুৰ্ভাগ্যজনক

# কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবী কেপিপিৰ

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৪ জুলাই ঃ** পৃথক কমতাপুৰ ৰাজ্যৰ পুনৰ গঠন আৰু কামতাপুৰী ভাষাৰ ৰাষ্ট্ৰীয় স্বীকৃতিৰ বিষয়টোৰ স্থায়ী সমাধান কৰিবলৈ অতিশীঘ্ৰে কেন্দ্ৰীয় চৰকাৰে এক উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ বাবে দাবী জনাইছে 'কামতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টি' (কেপিপিগ্ন)য়ে। আজি এক প্ৰেছ বিবৃতি যোগে কেপিপিৰ সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে কয় যে দেশ স্বাধীন হোৱাৰ সুদীৰ্ঘ ৭৫ বছৰে কামতাপুৰী জনতাই নিজৰ অধিকাৰৰ দাবীত ৰাজপথত সংগ্ৰাম কৰিবলগীয়া হৈছে। যি সময়ত সমগ্ৰ দেশে 'স্বাধীনতাৰ অমৃত মহোৎসৱ' পালন কৰিবলৈ গৈ আছে; তেনে সময়তো আমি কামতাপুৰীসকলে নিজৰ ভাষা, সংস্কৃতি, ইতিহাস আৰু ঐতিহ্য ৰক্ষাৰ বাবে ৰাজপথত সংগ্ৰাম কৰিবলগীয়া হোৱাটো অতিকৈ দুৰ্ভাগ্যজনক। আমি এটি স্বাভিমানী জাতিৰূপে তথা ভাৰতবৰ্ষৰ নাগৰিকৰূপে নিজৰ স্বকীয় ভাষা, সংস্কৃতি, ইতিহাস আৰু ঐতিহ্যৰ স'তে জীয়াই থাকিব বিচাৰিছো। এই দিশত ৰাষ্ট্ৰ ব্যৱস্থাই আমাক ন্যায় দিয়া উচিত।' বিবৃতিত সাধাৰণ সম্পাদক ৰায়ে পুনৰ কয়, 'আমি ৰাজনৈতিক অত্যাচাৰমুক্ত এক শোষণবিহীন সমাজ বিচাৰো। সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগে অচিৰেই ৰাষ্ট্ৰহিতৰ কাৰণে পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠনৰ উদ্যোগ গ্ৰহণ কৰি দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত কৰাৰ বাবে আমি আহ্বান জনালো।'

ইফালে, একেটা বিবৃতিতে কেপিপিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰায়ে জনায় যে অহা তিনি আগষ্টত সংগঠনটোৰ কেন্দ্ৰীয় কমিটিৰ ফালৰ পৰা শিলিগুৰিত পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠন, কামতাপুৰী ভাষাৰ ৰাষ্ট্ৰীয় স্বীকৃতি, সৰ্বভাৰতীয় পৰ্যায়ত কোচ বা ৰাজবংশীসকলৰ জনজাতিকৰণসহ বিভিন্ন দাবীত এক বিশাল প্ৰতিবাদী সমদল উলিওৱা হ'ব। উক্ত প্ৰতিবাদী সমদলত প্ৰস্তাৱিত কামতাপুৰ তথা ৰাজনৈতিক অসম-বংগ-বিহাৰৰ সৰ্বস্তৰৰ ৰাইজক জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে যোগদান কৰিবলৈ ৰায়ে আহ্বান জনায়। বিবৃতিত ৰায়ে কয় যে তেওঁলোকৰ প্ৰধান দাবীসমূহ হৈছে ভাৰতীয় সংবিধানৰ অনুচ্ছেদ তিনি মৰ্মে আমাৰ ভাষা, সংস্কৃতি, ইতিহাস, সামাজিক আৰু নৃগোষ্ঠীয় পৰিচয় ৰক্ষাৰ বাবে উত্তৰ বংগ আৰু অবিভক্ত ছয় পৃষ্ঠাত চাওক



পথচ্যুত হৈ কাজলগাঁৱৰ পুখুৰীত পৰিল বিলাসী বাহন, দেওবাৰে।

## ৰহাৰ ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনাত আহত ১৩

### তিনিজনৰ অৱস্থা সংকটজনক

অগ্ৰদূত বাৰ্তা

**ৰহা, ২৪ জুলাই ঃ** ৰহা আৰক্ষী থানাৰ অন্তৰ্গত ৰহাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা কলং নদীৰ পকী দলঙৰ ওপৰত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। নগাঁৱৰ পৰি গুৱাহাটী অভিমুখী এএছ-০১ এইছচি- ৩৭৮৩ নম্বৰৰ ট্ৰেভেলাৰখনৰ স'তে গুৱাহাটীৰ পৰা নগাঁও অভিমুখী এনএল-০২ কে-৩৬৯৫ নম্বৰৰ মালবাহী ট্ৰাকখনৰ ছয় পৃষ্ঠাত চাওক

## গৱেষণা-উন্নয়ন-উদ্ভাৱনক উৎসাহিত কৰিবলৈ আয়ুষ মন্ত্ৰণালয়ে পদক্ষেপ গ্ৰহণ কৰিছে ঃ সোণোৱাল

**গাজিয়াবাদ, ২৪ জুলাই ঃ** আজি কেন্দ্ৰীয় আয়ুষ তথা বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উত্তৰ প্ৰদেশৰ গাজিয়াবাদস্থিত ৰাষ্ট্ৰীয় য়ুনানী ঔষধ প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। এই প্ৰতিষ্ঠানখন হৈছে বাংগালুৰুৰ ৰাষ্ট্ৰীয় য়ুনানী ঔষধ প্ৰতিষ্ঠানৰ এখন আনুষংগিক প্ৰতিষ্ঠান। এয়া হৈছে উত্তৰ ভাৰতত স্থাপন কৰা এনেধৰণৰ প্ৰথম প্ৰতিষ্ঠান। আজি



সোণোৱালৰ লগত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী জেনেৰেল ভি কে সিং আৰু আয়ুষ মন্ত্ৰণালয়ৰ বিষয়াসকল উপস্থিত আছিল। লগতে উত্তৰ প্ৰদেশ চৰকাৰৰ বিষয়াসকল আৰু অন্যান্য প্ৰতিনিধিসকলো উপস্থিত আছিল। এই উপলক্ষে মন্ত্ৰী সোণোৱালে কয়, 'স্বাস্থ্য সম্পৰ্কীয় ৰাষ্ট্ৰীয় নীতিৰ জৰিয়তে স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত আয়ুষক মূলসুঁতিত ছয় পৃষ্ঠাত চাওক

## তৰুণ দাসৰ সন্দৰ্ভতো স্থৱিৰ আৰক্ষীৰ তদন্ত

## এমাহেও সন্ধান নোলাল মৰিয়নিৰ সোনটি বৰা পৰিয়ালৰ হত্যাকাৰীৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৪ জুলাই ঃ** বিগত এটা মাহতো সন্ধান নোলাল সোনটি বৰা আৰু তেওঁৰ পৰিয়ালৰ তিনিজনকৈ লোকৰ হত্যাকাণ্ডৰ লগত জড়িত হত্যাকাৰীৰ। উল্লেখ্য যে মৰিয়নিৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত খাটিসোনা অঞ্চলত যোৱা ২৪ জুনৰ নিশা বৰ্বৰ হত্যাকাণ্ড সংঘটিত হৈছিল। কিন্তু আজি এমাহেও উক্ত ঘটনাৰ হত্যাকাৰীৰ সন্ধান নাপালে আৰক্ষীয়ে। স্মাৰ্ট অসম আৰক্ষী চূড়ান্তভাৱে ব্যৰ্থ হৈছে ৰাজ্য কঁপাই যোৱা মৰিয়নিৰ এই হত্যাকাণ্ডৰ ঘটনাৰ শুংসূত্ৰ উলিওৱাত। এমাহ উকলি যোৱাৰ পাছত এতিয়া অন্ততঃ তেনে ছবিয়েই প্ৰকট হৈছে। উল্লেখ্য যে খাটিসোনা অঞ্চলৰ জিবিএফ নামৰ এটা ইটা ভাটাৰ শ্ৰমিক থকা অস্থায়ী ঘৰত এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। ঘৰটোত থকা একেটা পৰিয়ালৰ তিনিজনকৈ লোকক দাৰে ঘপিয়াই নৃশংসভাৱে হত্যা কৰা হৈছিল। সোনটি বৰা আৰু তেওঁৰ পৰিবাৰ তুলু বৰা আৰু প্ৰায় ২০-২২ বছৰীয়া কন্যা মনালিছা বৰাৰ ৰক্তাক্ত মৃতদেহ ২৫ জুনৰ পুৱা কেইজনমান কিশোৰে প্ৰত্যক্ষ কৰাৰ পাছতেই সমগ্ৰ ঘটনা পোহৰলৈ আহে। ঘটনাস্থলীত উদ্ধাৰ হোৱা চাৰ্ট, গেঞ্জি, দা আদিৰ পৰা হত্যাকাণ্ডটোত জনৈক তৰুণ দাস নামৰ এজন লোক জড়িত বুলি আৰক্ষীৰ লগতে স্থানীয় ৰাইজেও প্ৰথমতে সন্দেহ প্ৰকাশ কৰিছিল। কিন্তু যোৱা ছয় জুলাইৰ সন্ধিয়া যেতিয়া তৰুণ দাস ওৰফে বিজিত দাসৰ প্ৰায় উলংগ মৃতদেহ গছত ওলমি থকা অৱস্থাত আৰক্ষীয়ে উদ্ধাৰ কৰে। তাৰ পাছতেই সমগ্ৰ ঘটনাই অন্য দিশে গতি কৰে। তৰুণৰ পৰিয়ালৰ লোকে তৰুণক হত্যা কৰি তাক আত্মহত্যাৰ ছয় পৃষ্ঠাত চাওক

## বৰমাত ভূমি আৰু ৰাজহ বিভাগৰ সভাত প্ৰমোদ বড়ো

## বিটিএডিত আৰম্ভ হ'ব মিছন বসুমতী ২০২৩ৰ ভিতৰত মাটিৰ সমস্যা সমাধানৰ লক্ষ্য

**বৰমা, ২৪ জুলাই ঃ** 'সমগ্ৰ অসমতে মিছন বসুন্ধৰাৰ জৰিয়তে সকলো ভূমিৰ জৰীপ চলি থকাৰ সময়তে বিটিএডিটো শীঘ্ৰই মিছন বৈসুমতী (বসুমতী)ৰ দ্বাৰা ভূমিৰ অধিকাৰ আৰু জৰীপ কাৰ্য চলিব। ষষ্ঠ অনুসূচীভুক্ত বিটিএডিৰ ১৯টা ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভিতৰত থকা অজনজাতীয় লোকসকলৰ ক্ষেত্ৰত ভূমিৰ আইন মতে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ভাৰত স্বাধীন হোৱাৰ সময়তে জনজাতীয় লোকৰ ভূমি সংৰক্ষণৰ কাৰণে বান্ধি দিয়া ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ বাহিৰৰ অৰ্থাৎ ২০০৩ৰ আগত বিটিএডিত বসবাস কৰা সকলো ভাৰতীয় নাগৰিকৰ মাজতে ভূমিৰ কিনা-বেচা কৰিব পাৰিব। আজি বৰমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ভূমি আৰু ৰাজহ বিভাগৰ এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণ কৰি বিটিআৰৰ ছীফ বড়োই এইদৰে মন্তব্য কৰে। তেওঁ অনাগত দিনত বিটিচিত মিছন বসুমতী (বৈসুমতী)ৰ জৰিয়তেহে বিটিএডিৰ সকলো লোকৰে ভূমিৰ সমস্যা সমাধান হ'ব বুলি প্ৰকাশ কৰে। ইফালে, চৰকাৰী ভূমিত যিসকল ভাৰতীয় লোকে অবৈধভাৱে বেদখল কৰি আছে তেওঁলোককো ভূমি অধিকাৰ দিয়াৰ কথা চিন্তা কৰা বুলি মন্তব্য কৰে বিটিচি ছীফ বড়োই। ২০২৩ৰ ভিতৰত মাটিৰ সকলো সমস্যা সমাধান হ'ব বুলিও মত প্ৰকাশ কৰে। সভাত বিটিএডিৰ কাৰ্যবাহী সদস্য, এম চি এল এ বিভাগীয় চৰকাৰী বিষয়াসকল উপস্থিত থাকে।

## যোৰহাটত সোণৰ বিস্কুটসহ দুজন গ্ৰেপ্তাৰ



দুজনক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২৪ জুলাই ঃ** যোৰহাট জিলাৰ পুলিবৰ থানাৰ আৰক্ষীয়ে আজি অবৈধভাৱে সৰবৰাহ কৰা ৫৮৭ গ্ৰাম সোণ জব্দ কৰাৰ লগতে এই সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোকদুজন হ'ল যোৰহাটৰ মালৌ খাটৰ বিতুল বৰা (৩৪) আৰু ম'হবন্ধাৰ ৰঞ্জিত বৰা (৫২)। তেওঁলোকে এএছ-০৩ কিউ- ৩৫৬৪ নম্বৰৰ মটৰ চাইকেলখনেৰে মালৌখাটৰ এজন লোকক সোণখিনি বিক্ৰী কৰিবলৈ যোৱাৰ সময়তে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। পুলিবৰ থানাৰ আৰক্ষীয়ে চিআৰপিএফৰ ১১৯ বেটেলিয়ানৰ সহযোগত অভিযান চলাই তেওঁলোকক গ্ৰেপ্তাৰ কৰাৰ লগতে দুটুকুৰা সোণ জব্দ কৰে। এই সোণখিনিৰ বজাৰ মূল্য প্ৰায় ২৮ লাখ টকা বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ সিংহৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৪ জুলাই ঃ** ধুবুৰী জিলাৰ চাপৰৰ ভকতগাঁও নিবাসী তথা ৩০ নম্বৰ বহলপুৰ জেবি স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ সিংহ (৬৮)ৰ আজি বিয়লি ৪.৩০ বজাত বঙাইগাঁৱৰ এখন এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। দীৰ্ঘদিনৰপৰা শাৰীৰিক অসুস্থতাৰ বাবে শয্যাগত হৈ থকা প্ৰয়াত সিংহক আজি অৱস্থাৰ অৱনতি হোৱাত বঙাইগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসালয়তে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে ১৯৭৫ তে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰূপে চাকৰিত যোগদান কৰা প্ৰয়াত জয়ন্ত কুমাৰ সিংহই ২০১৪ৰ ফেব্ৰুৱাৰীত ৩০ নম্বৰ বহলপুৰ জেবি স্কুলৰ পৰা প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ সময়ছোৱাত তেওঁ নিষ্ঠাৰে নিজৰ দায়িত্ব কৰ্তব্য সম্পাদন কৰাৰ উপৰি বিলাসীপাৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী, চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনী, ৰায়ঝৰা শিক্ষক কেন্দ্ৰ আদি সংগঠনৰ লগত ঘনিষ্ঠভাৱে জড়িত থাকি শিক্ষক সমাজৰ বিভিন্ন সমস্যা সন্দৰ্ভত মাত মাতি আহিছিল। ছয় পৃষ্ঠাত চাওক

## জুৰীয়াত ড্ৰাগছসহ সৰবৰাহকাৰী আটক

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৪ জুলাই ঃ** জুৰীয়া আৰক্ষী থানাৰ গাতে লাগি থকা বেপাৰীবস্তিত ড্ৰাগছ বিক্ৰী কৰি থকা অৱস্থাত আজি আৰক্ষীয়ে অতৰ্কিতে অভিযান চলাই এখন মটৰ চাইকেল আৰু ড্ৰাগছসহ এটা কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আজি বিয়লি বেপাৰীবস্তিৰ কুখ্যাত ড্ৰাগছ ব্যৱসায়ী ইমান আলীৰ বাসগৃহত জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়োৰ নেতৃত্বত আৰক্ষীয়ে চলোৱা এই অভিযানত ৭১.৬ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰে আৰক্ষীয়ে। সাতটাকৈ ড্ৰাগছভৰ্তি চাফা টেমাত ড্ৰাগছসমূহ ভৰাই ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল ধৃত ইমান আলীয়ে। উল্লেখ্য যে দীৰ্ঘদিন বেপাৰীবস্তিত চলি আহিছিল ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়। ইয়াৰ পূৰ্বেও আৰক্ষীয়ে বহুবাৰ ড্ৰাগছৰ বিৰুদ্ধে চলাইছিল অভিযান। ড্ৰাগছৰ হটস্পটলৈ পৰিণত হোৱা বেপাৰীবস্তিত দুবাৰকৈ এনকাউণ্টাৰৰ ঘটনাও সংঘটিত হৈছিল।

## পুনৰীক্ষণৰ ক্ষিপ্ৰ-স্বচ্ছতাৰে কৰাৰ বাবে অভিভাৱক মন্ত্ৰী পাটোৱাৰীৰ নিৰ্দেশ

## দৰঙৰ বানত ক্ষতিগ্ৰস্তৰ তালিকা পুনৰীক্ষণৰ বাবে গোট গঠন

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৪ জুলাই ঃ** দৰং জিলাৰ শেহতীয়া বানপানীত আংশিক তথা সম্পূৰ্ণকৈ ক্ষতিগ্ৰস্ত হোৱা গৃহৰ তালিকাৰ ভিত্তিত ইয়াৰ যথাৰ্থতা পুনৰীক্ষণৰ বাবে পুনৰীক্ষণ গোটসমূহে ক্ষতিগ্ৰস্ত গাঁওসমূহৰ তালিকাভুক্ত ক্ষতিগ্ৰস্ত গৃহৰ ২০ শতাংশ পুনৰীক্ষণ কৰিবৰ বাবে তৎপৰ হৈছে। এই উপলক্ষে আজি জিলাৰ অভিভাৱক মন্ত্ৰী তথা বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা পুনৰীক্ষণ গোট গঠন কৰা হয়। উল্লেখ্য যে বান ক্ষতিগ্ৰস্ত গৃহৰ ক্ষয়-ক্ষতিৰ পুনৰীক্ষণৰ বাবে অন্য জিলাৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা ছয় পৃষ্ঠাত চাওক

## ফেচবুক-ইণ্টাৰনেটৰ বাবে কিতাপ বিক্ৰীৰ পৰিমাণ কমি গৈছে ঃ হাজৰিকা

### কলিয়াবৰত ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাৰ ওপজা দিন



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৩ জুলাই ঃ** জীৱনৰ ৰহস্যঘন ৭৫ টা গ্ৰীষ্ম অতিক্ৰম কৰিলে ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাই। 'বহুৰূপীৰ পৰা বিচ্ছুৰিত প্ৰেমৰ বৰ্ণালীলৈকে ৭৫০ খনৰো অধিক গ্ৰন্থৰ ৰচনাৰে বিৰামহীন বৰ্ণিল যাত্ৰা অব্যাহত ৰখা 'ৰহস্য সম্ৰাট'জনৰ আজি ৭৫ সংখ্যক ওপজা দিন। কলিয়াবৰত শৈশৱ পাৰ কৰা ৰহস্য সম্ৰাটজনৰ ওপজা দিন উপলক্ষে কলিয়াবৰৰ চুলুঙত 'চাইনিং গ্ৰীণ আছিয়ানা ৱেলফেয়াৰ ফাউণ্ডেছন'-এ আজি আয়োজন কৰে বৰ্ণিল অনুষ্ঠানৰ। ওপজা দিন উপলক্ষে ৰহস্য সাহিত্যিকজনে জীৱনৰ বহুকেইটা বসন্ত অতিবাহিত কৰা মোনাবাৰী চাহ বাগিচা, প্ৰাক্তন ছাত্ৰ হিচাপে গৌৰৱবোধ কৰা শিলঘাটস্থিত কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰমুখ্যে বিভিন্ন দল-সংগঠন, অনুষ্ঠান, ব্যক্তিয়ে শুভকামনা জ্ঞাপন কৰে ৰহস্য সম্ৰাটক। ছয় পৃষ্ঠাত চাওক


## তেজপুৰৰ প্ৰবীণ ভাওনা শিল্পী যোগেশ দাসৰ বিয়োগ

ষ্টাফ ৰিপৰ্টাৰ



**তেজপুৰ, ২৪ জুলাই ঃ** সুদীৰ্ঘকাল অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ লগতে সমাজলৈ সেৱা আগবঢ়াই যোৱা তেজপুৰৰ পতীয়াচুবুৰি নিবাসী যোগেশ দাস (৮৬)ৰ আজি পুৱতি নিশা নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৩৬ত জন্মগ্ৰহণ কৰা দাসে শিক্ষা জীৱন সমাপ্ত কৰাৰ পাছত চৰকাৰী চাকৰিত যোগদান কৰে। উপায়ুক্ত কাৰ্যালয়ৰ পৰা প্ৰায় ২৭ বছৰ পূৰ্বে অৱসৰ গ্ৰহণ কৰা দাস তেজপুৰৰ এগৰাকী বিশিষ্ট ভাওনা শিল্পী হিচাপে পৰিচিত আছিল। শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিক নিভাঁজ ৰূপত নতুন প্ৰজন্মৰ মাজত পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰত সদায়েই গুৰুত্ব আৰোপ কৰা দাসে অসংখ্য ভাওনাত সূত্ৰধাৰী নৃত্য প্ৰদৰ্শন কৰাই নহয়, ইয়াৰ বাবে তেওঁ বিশেষ ৰাজহুৱা সন্মানৰো অধিকাৰী হৈছিল। ৰামায়ন আৰু মহাভাৰতৰ কাহিনী, উপকাহিনীৰ আধাৰত ৰচিত অংকীয়া ভাওনাৰ ছয় পৃষ্ঠাত চাওক

## শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ গাঞ্জাসহ ট্ৰাক জব্দ ঃ দুজনক আটক



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৪ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰত আজি আবেলি ৩১ নম্বৰ (গ) ঘাইপথত আৰক্ষীয়ে বিশেষ সূত্ৰত লাভ কৰা তথ্যৰ ভিত্তিত শিমুলটপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ে অভিযান চলাই এইছআৰ-৫৫ আৰ-৫১৩৭ নম্বৰৰ এখন খালী ট্ৰাক বংগ অভিমুখে গৈ থকা সময়ত আটক কৰি তালাচী চলোৱাত ট্ৰাকখনৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ হয়। ট্ৰাকখনত চেম্বাৰ বনাই বিশেষভাৱে ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱৰ চৰাঞ্চলত অশ্লীল ভিডিঅ'ৰ চিত্ৰগ্ৰহণৰ ঘটনা


### ঘটনা পোহৰলৈ অনাৰ দোষত দুই সাংবাদিকক গ্ৰেপ্তাৰক লৈ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৫ জুলাই ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষীয়ে জিলাখনৰ চৰাঞ্চলত অশ্লীল ভিডিঅ'ৰ চিত্ৰগ্ৰহণ কৰা চাৰিজন যুৱকক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ উঠিছে। আনকি চাৰি অভিযুক্তক ৰক্ষণাবেক্ষণ দিবৰ বাবে আৰক্ষীয়ে দুজন সাংবাদিকক গ্ৰেপ্তাৰ কৰা ঘটনাই সম্প্ৰতি মৈৰাবাৰীত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, জিলাখনৰ উত্তৰ-পশ্চিমাঞ্চলৰ চৰাঞ্চলত দীৰ্ঘ দিনৰ পৰা এটা চক্ৰই ভাড়াতীয়া যুৱতীৰ স'তে অশ্লীল ভিডিঅ' প্ৰস্তুত কৰি ব্যৱসায় চলাই আহিছে। বিগত প্ৰায় ১০-১২ দিনৰ পূৰ্বে মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত লেংৰিবড়ী গাঁৱৰ চাৰিজন যুৱকে এগৰাকী যুৱতীৰ স'তে চৰত গৈ লঙ্গ আৰু ব্ৰহ্মপুত্ৰ নদীৰ পানীত বিবস্ত্ৰ অৱস্থাত জলকেলি কৰাৰ অশ্লীল ভিডিঅ' নিৰ্মাণ কৰি পৰৱৰ্তী সময়ত সামাজিক মাধ্যমত ভাইৰেল কৰে। এনে জঘন্য ঘটনাৰ পাছত মৈৰাবাৰী আৰক্ষীয়ে উচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি সকলোৱে আশা কৰিছিল যদিও ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত নাই যাতায়াত, চিকিৎসা, খোৱাপানী, বিদ্যুতৰ ব্যৱস্থা

## ৭৫ বছৰে উন্নয়নে স্পৰ্শ কৰা নাই একাধিক অঞ্চল



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৩ জুলাই ঃ** স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে দেশজুৰি চৰকাৰে বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰি থকা সময়ত কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ তথা ভূটান সীমান্তৰ একাধিক অঞ্চলত এতিয়াও চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ সুফল সাধাৰণ ৰাইজে লাভ কৰা নাই। বিশেষকৈ আদিবাসী, ৰাভা, কোচ ৰাজবংশী, ধৰ্মীয় সংখ্যালঘু অঞ্চলত উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰত যথেষ্ট বৈষম্য হৈছে বুলি অভিযোগ উত্থাপন কৰিছে সেইসমূহ অঞ্চলত বসবাস কৰা সাধাৰণ ৰাইজে। বিটিচি গঠন হোৱাৰ পাছত উন্নয়নমূলক কাম যথেষ্ট হৈছে বুলি একেৰাহে ১৭ বছৰ ক্ষমতাত থকা হাগ্ৰামা মহিলাৰীৰ বিপিএফে দাবী কৰি থাকে যদিও বাস্তৱ ক্ষেত্ৰত অঞ্চল বিশেষে উন্নয়ন যে হোৱা নাই সেইসমূহ অঞ্চলত পদাৰ্পণ কৰিলেই তাৰ বাস্তৱ চিত্ৰ স্পষ্ট হৈ পৰে। তেনে এখন অনুন্নত অঞ্চল হৈছে গোসাঁইগাঁও ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৮ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৫ জুলাই ২০২২



## মূল্যবৃদ্ধিক লৈ আলোচনা

**সংসদৰ** চলিত বৰ্ষাকালীন অধিবেশনত মূল্যবৃদ্ধিৰ বিষয়টো ৰাজ্যসভাত গুৰুত্বপূৰ্ণভাৱে চৰ্চিত হোৱা দেখা গৈছে। উল্লেখ্য যে ৰাজ্যসভাৰ ২৬৭ নম্বৰ অধিনিয়ম অনুসৰি ভালেমান সাংসদে মূল্যবৃদ্ধিৰ ওপৰত আলোচনাৰ বাবে অন্যান্য বিষয়বোৰৰ আলোচনা স্থগিত ৰাখিবলৈ অধ্যক্ষক জাননী দিছিল। পিছে ৰাজ্যসভাৰ অধ্যক্ষ এম ভেংকায়া নাইডুৱে তেনে প্ৰস্তাৱ নাকচ কৰে। তেওঁ অৱশ্যে কয় যে মূল্যবৃদ্ধিৰ বিষয়টো সুকীয়াভাৱে আলোচনা কৰিবলৈ চৰকাৰ আগ্ৰহী।

ৰাজ্যসভাৰ সদস্যসকলে মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্লে-কাৰ্ড প্ৰদৰ্শন কৰিলে সদনে তেনে কাৰ্যৰ বিৰুদ্ধে ব্যৱস্থা ল'ব বুলি ৰাজ্যসভাৰ অধ্যক্ষই সকীয়াই দিয়ে। যোৱা এসপ্তাহ ধৰি বিৰোধী দলৰ সদস্যসকলে সদনত নিৰ্ধাৰিত বিষয়ৰ আলোচনা বাধাগ্ৰস্ত কৰি মূল্যবৃদ্ধিৰ প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। সম্প্ৰতি জিএছটি পৰিষদে ভালেমান অত্যাৱশ্যকীয় আৰু অন্যান্য সামগ্ৰীৰ ওপৰত কৰ আৰোপ কৰা অথবা বৃদ্ধি কৰাৰ ফলত ভালেমান বস্তুৰ দাম সাংঘাতিকভাৱে বৃদ্ধি পাইছে। ৰন্ধন গেছৰ পৰা আৰম্ভ কৰি পেট্ৰ'লিয়াম জাতীয় দ্ৰব্য, মিঠাতেল বা অন্যান্য খোৱাতেল, দাইল, ঘেঁহু আদিৰ দাম বৃদ্ধি পাইছে।

ৰাজ্যসভাত বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই বিষয়টো সদনৰ ২৬৭ অধিনিয়ম অনুসৰি অন্যান্য বিষয় স্থগিত ৰাখি আলোচনা কৰিবলৈ জাননী দিছিল যদিও অধ্যক্ষই ১৭৬ নম্বৰ অধিনিয়ম অনুসৰি বিষয়টো জৰুৰী বিষয় হিচাপে আলোচনাতহে সন্মতি দিছিল। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ ক'ভিড-১৯ ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত সদনৰ নেতা পীযুষ গোৱেলে বিৰোধীসকলক কয় যে বিত্তমন্ত্ৰীগৰাকী সুস্থ হৈ উঠিলে বিষয়টো সুকীয়াকৈ আলোচনা কৰিব পৰা যাব।

পিছে আলোচনা কৰিয়েই মূল্যবৃদ্ধি হ্ৰাস কৰিব নোৱাৰি। চৰকাৰে যদিহে অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত অধিক কৰ-কাটল আৰোপ কৰে, তেনেহ'লে তেনে দ্ৰব্যৰ দাম বৃদ্ধি পোৱাটো স্বাভাৱিক। চৰকাৰে উজ্জ্বলা আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ দৰিদ্ৰ পৰিয়ালক বিনামূলীয়া ৰন্ধন গেছৰ চিলিণ্ডাৰ দিছে; কিন্তু গেছৰ দাম দুগুণতকৈও অধিক বৃদ্ধি কৰিছে। গ্ৰামাঞ্চলৰ দৰিদ্ৰ লোকে এহেজাৰ ১১শ টকাৰে ৰন্ধন গেছ কিনিব নোৱাৰে। ফলত এনে বহু বিনামূলীয়া চিলিণ্ডাৰ মানুহৰ বাবে ভালুকৰ সাঙিৰ দৰে হৈছে। বহুতেই এনে ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী কৰি সকাহ বিচাৰিছে।

বৰ্তমান আন্তৰ্জাতিক বজাৰত টকাৰ মূল্য হ্ৰাস পাইছে। সৰ্বকালৰ অভিলেখ ভংগ কৰি প্ৰতি ডলাৰৰ বিপৰীতে টকাৰ মূল্য ৮০টকা পাৰ হৈ গৈছে। ফলত বিদেশৰ পৰা ৰপ্তানি কৰা সকলো বয়-বস্তুৰ বাবে বিভিন্ন উদ্যোগ তথা উৎপাদনকাৰীয়ে অধিক ধন ভৰিবলগীয়া হৈছে। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধয়ো টকাৰ মূল্য হ্ৰাস কৰাত অৰিহণা যোগাইছে। সি যি কি নহওক, ভাল দিন আহিব বুলি শ্ৰুতিশ্ৰুতি দি ভোট আদায় কৰা বিজেপি চৰকাৰে মূল্যবৃদ্ধি হ্ৰাস কৰাৰ বাবে পৰ্যাপ্ত প্ৰচেষ্টা নোলোৱাটো উদ্বেগজনক। সম্প্ৰতি অসমত বানপানী হোৱাৰ পাছত প্ৰভূত পৰিমাণে শস্য নষ্ট হৈছে, পশুধনৰ ক্ষতি হৈছে আৰু শাক-পাচলিৰ উৎপাদন হ্ৰাস পাইছে। ফলত শাক-পাচলিকে ধৰি সকলো বয়-বস্তুৰ দাম তীব্ৰগতিত বৃদ্ধি পাইছে। চৰকাৰে মূল্যবৃদ্ধিক লৈ বিৰোধীপক্ষৰ স'তে সুকীয়াকৈ আলোচনা কৰি বিষয়টোক গুৰুত্ব সহকাৰে লৈ মূল্যবৃদ্ধিৰ প্ৰকোপ হ্ৰাস কৰাৰ ব্যৱস্থা কৰা বাঞ্চনীয়।

# টকাৰ মূল্যৰ অৱনমনে অভিলেখ সৃষ্টি কৰিলে

## বাণিজ্য ঘাটি বৃদ্ধিৰ বাবে টকাৰ মূল্য হ্ৰাস অন্যতম কাৰণ



**মোদী** চৰকাৰখনে বহুকেইটা ঐতিহাসিক অভিলেখ স্থাপন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ ভিতৰত বিস্ময়জনক অভিলেখ স্থাপন কৰিলে যোৱা ১৪ জুলাইৰ দিনা এক ডলাৰৰ মূল্য ভাৰতীয় টকা ৮০লৈ বৃদ্ধিৰে। পেট্ৰ'ল-ডিজেলৰ দাম যি গতিত বৃদ্ধি কৰাইছে প্ৰায় সেই গতিতে ভাৰতীয় টকাৰ মূল্য হ্ৰাস পাইছে। যোৱা ১৪ জুলাইত এক ডলাৰ মূল্য ভাৰতীয় টকা ৮০.১৭ হয়গৈ। দেশৰ অৰ্থনৈতিক ইতিহাসত টকাৰ মূল্য তীব্ৰ হাৰত হ্ৰাস পাবলৈ ধৰে যোৱা কেইমাহমানৰ পৰাই অৰ্থাৎ আঠ জানুৱাৰীৰ পৰা তীব্ৰ হাৰত হ্ৰাস পাবলৈ ধৰে। অৰ্থনৈতিক বিশেষজ্ঞসকলে ধাৰণা কৰিছিল ছেপ্টেম্বৰৰ ভিতৰত এক ডলাৰৰ বিনিময় মূল্য ৮০ টকা পাবগৈ। কিন্তু যোৱা ১৩ জুলাইৰ দিনা ৮০ টকাৰ স্তৰৰ পৰা মাত্ৰ ১৯ পইচাহে কম আছিল। ১৪ জুলাইৰ দিনা আৰু ২২ পইচা টকাৰ মূল্য হ্ৰাস হৈ পতন ৮০ টকা অতিক্ৰম কৰিলে। ৮০ টকাক এনেকুৱা এটা মাপকাঠি বুলি চিহ্নিত কৰা হৈছে যিটোৱে টকাৰ মূল্য অৱনমন চূড়ান্ত নিম্নতৰ পাইছে বুলি চিহ্নিত কৰে। নৰেন্দ্ৰ মোদী যেতিয়া ২০১৪ত ক্ষমতাত অধিষ্ঠিত হৈছিল তেতিয়া টকাৰ মূল্য এক ডলাৰৰ বিপৰীতে আছিল ৫৪.৬২ টকা। মোদী শাসনৰ আঠ বছৰত ভাৰতীয় টকাৰ মূল্য হ্ৰাস পাইছে ২২ টকাৰো অধিক। প্ৰধানমন্ত্ৰী মোদী অৱশ্যে এই বিষয়ে একেবাৰে মৌনতা অৱলম্বন কৰিছে। ১৯৯৮ত প্ৰতি ডলাৰ মূল্য আছিল ৪২ টকা, ২০০৪ত আছিল এক ডলাৰত ৪৫ টকা, ২০১৪ত এক ডলাৰত ৫৮ টকা আৰু ২০২২ৰ ১৪ জুলাইত হয় প্ৰতি ডলাৰত ৮০ টকা।

কেন্দ্ৰীয় চৰকাৰে টকাৰ মূল্য অৱনমনৰ যুক্তি দিছে যে আন্তৰ্জাতিক বজাৰৰ উঠা-নমাৰ বাবেই ভাৰতৰ টকাৰ মূল্যৰ এই অৱনমন। অনেক দেশৰেই মুদ্ৰাৰ অৱনমন ঘটিছে বুলি ভাৰতীয় টকা মূল্য হ্ৰাস ন্যায্য বুলি কৈছে স্বয়ং বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে। এই বিষয়ত সীতাৰমনে ১৪ জুলাইৰ দিনা গ্ৰহ-নক্ষত্ৰৰ ছবিৰ সামাজিক মাধ্যমত পোষ্ট দিছিল। প্ৰাক্তন কেন্দ্ৰীয় বিত্তমন্ত্ৰী পি চিদাম্বৰমে এই পোষ্টক কটাক্ষ কৰি কৈছে, 'বিত্তমন্ত্ৰীয়ে বৰং মুখ্য জ্যোতিষী এজনক পৰামৰ্শদাতা নিয়োগ কৰক।' ভাৰততকৈ অনুন্নত দেশ বাংলাদেশ, পাকিস্তান আনকি শ্ৰীলংকাৰো মুদ্ৰাৰ পতন ঘটা নাই কিয়, ইয়াৰ জবাব দিব জানো ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বা কেন্দ্ৰীয় চৰকাৰে। টকাৰ মূল্যৰ অৱনমনৰ উপৰ্যুপৰি ভাৰতৰ বাণিজ্য ঘাটি ভয়াৰহ



**দৃষ্টিপাত**

**অনন্ত কলিতা**

স্তৰলৈ গতি কৰিছে। কালি (১৪ জুলাই) কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য দপ্তৰে জনাইছে ২,৬২০ কোটি ডলাৰৰ অৰ্থাৎ প্ৰায় ২,০৯,৭০০ কোটি টকাৰ বাণিজ্য ঘাটি। যোৱা বছৰৰ জুনত বাণিজ্য ঘাটি আছিল ৯৬০ কোটি ডলাৰ। পণ্য বাণিজ্য ঘাটি এক বছৰত বৃদ্ধি হৈছে ১৭২ শতাংশ। যোৱা কেইমাহ ধৰি বাণিজ্য ঘাটি দ্ৰুত হাৰত বৃদ্ধি হৈছে। এপ্ৰিলত আছিল ২,০০৪ কোটি ডলাৰ। মে' মাহলৈ বৃদ্ধি হৈছিল ২,৩৩০ ডলাৰলৈ। বাস্তৱতে বাণিজ্য ঘাটি বৃদ্ধিৰ বাবে টকাৰ মূল্য হ্ৰাস অন্যতম কাৰণ। মূলধনী বজাৰৰ পৰাও হো হোকৈ গুছি গৈছে বিদেশী বিনিয়োগ। বেচৰকাৰী বিদেশী বিনিয়োগ ৫৮ শতাংশ কমি গৈছে বুলি প্ৰতিবেদন, প্ৰকাশ কৰিছে। ভাৰতীয় শ্বেয়াৰ আৰু বণ্ড (Bond)ৰ বজাৰৰ পৰা বিদেশী প্ৰতিষ্ঠানিক বিনিয়োগকাৰীসকল আঁতৰি যাবলৈ ধৰিছে। মাৰাত্মকভাৱে বৈদেশিক বিনিয়োগৰ অৰ্থাৎ ডলাৰৰ বহিৰ্গমন ঘটিছে। যোৱা আঠমাহ ধৰি বিনিয়োগৰ তুলনাত ডলাৰৰ বহিৰ্গমন হোৱাৰ স্ৰোতটো তীব্ৰ। ২০১১ৰ অক্টোবৰৰ পৰা প্ৰায় চাৰি লাখ কোটি টকা ভাৰতৰ বজাৰৰ পৰা বিদেশলৈ গুছি গৈছে, মাত্ৰ জুন মাহতেই গৈছে ৬৩০ কোটি ডলাৰ অৰ্থাৎ প্ৰায় ৫০,৫২৫ কোটি টকা। ২০২২ৰ এই কেইমাহত ২,৮০৪ কোটি ডলাৰৰ মূল্যৰ ইকুইটিৰ তুলি লৈ গৈছে বিদেশী বিনিয়োগকাৰীসকলে। এই পৰিমাণটো ২০০৮ৰ অৰ্থনীতিৰ বিশ্ব মহাসংকটৰ সময়তকৈও অধিক পৰিমাণৰ।

ভাৰতত মুদ্ৰাস্ফীতিও এটা ডাঙৰ অৰ্থনৈতিক সমস্যা। মে' মাহত খুচুৰা মূল্য বৃদ্ধিৰ হাৰ হৈছে ৭.০৪ শতাংশ। এপ্ৰিলত আছিল ৭.৭৯ শতাংশ। এপ্ৰিলৰ মুদ্ৰাস্ফীতিৰ হাৰটো আছিল যোৱা ১৫ মাহৰ ভিতৰত সৰ্বোচ্চ। পাইকাৰী মূল্যবৃদ্ধিও ১৫ শতাংশ অতিক্ৰম কৰিছে। মে'ত পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ আছিল ১৫.৮৮ শতাংশ। যিটোৱে দেশৰ মূল্যবৃদ্ধিৰ যোৱা ৩১ বছৰৰ ৰেকৰ্ডক অতিক্ৰম কৰিছে। দেশত মূল্যবৃদ্ধিৰ প্ৰকোপ যোৱা ছয় মাহত অধিকতম গড়ে সাত শতাংশ হৈছে। যোৱা ১৩ জুলাইত কেন্দ্ৰীয় জাতীয় পৰিসংখ্যা দপ্তৰে ভোগ্য-পণ্যৰ মূল্যবৃদ্ধিৰ যি হাৰ প্ৰকাশ কৰিছে, ইয়াতে জুনত খুচুৰা মূল্য বৃদ্ধিৰ হাৰ হ'ল ৭.১ শতাংশ। ইয়াৰ লগত যুক্ত হৈছে আন্তৰ্জাতিক মূল্যবৃদ্ধিও। ফলত আমদানিৰ খৰচ বৃদ্ধি হৈছে। একেধৰণৰ পণ্যৰ বাবে দেশৰ বজাৰত আৰু বিদেশৰ পৰা বস্তু কিনিবলৈ বেছি অৰ্থ ব্যয় কৰিবলগীয়া হৈছে। এইটোও এটা টকাৰ মূল্য হ্ৰাস হোৱাৰ ডাঙৰ কাৰণ। টকাৰ মূল্য হ্ৰাস হোৱাৰ আন এটা কাৰণ কাৰেণ্ট একাউণ্ট ঘাটি। অৰ্থনীতিবিদসকলে অনুমান কৰিছে মুঠ আভ্যন্তৰীণ উৎপাদনৰ (জিডিপিৰ)ৰ পৰা ৩.৫ শতাংশ কাৰেণ্ট একাউণ্ট ঘাটি হ'ব। আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ দাম বৃদ্ধি হ'লে আৰু বৃদ্ধি হ'ব কাৰেণ্ট একাউণ্ট ঘাটি।

ৰিজাৰ্ভ বেংকে আক্ৰমণাত্মকভাৱে হস্তক্ষেপ কৰিছে কাৰেণ্ট একাউণ্ট ঘাটি কমাবলৈ। ৰিজাৰ্ভ বেংকে বিদেশৰ পৰা ভাৰতীয় কোম্পানীবোৰে ঋণ লোৱাৰ উৰ্ধ্বসীমা বৃদ্ধি কৰি দিছে। বাৰ্ষিক সীমা

> ভাৰতত মুদ্ৰাস্ফীতিও এটা ডাঙৰ অৰ্থনৈতিক সমস্যা। মে' মাহত খুচুৰা মূল্য বৃদ্ধিৰ হাৰ হৈছে ৭.০৪ শতাংশ। এপ্ৰিলত আছিল ৭.৭৯ শতাংশ। এপ্ৰিলৰ মুদ্ৰাস্ফীতিৰ হাৰটো আছিল যোৱা ১৫ মাহৰ ভিতৰত সৰ্বোচ্চ। পাইকাৰী মূল্যবৃদ্ধিও ১৫ শতাংশ অতিক্ৰম কৰিছে। মে'ত পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ আছিল ১৫.৮৮ শতাংশ।

১৫০ কোটি ডলাৰলৈ বৃদ্ধি কৰিছে। অনাৰাসী ভাৰতীয়সকলৰ জমাৰ ওপৰত চি-আৰ-আৰ আৰু এছ-এল-আৰৰ বাধা-নিষেধ ৰেহাই দিছে, যিটোৰ ফলত অনাৰাসী ভাৰতীয়সকলে বিদেশী মুদ্ৰা ভাৰতত জমা ৰাখিবলৈ উৎসাহিত হ'ব। স্থানীয় মুদ্ৰাত বিদেশীসকলে বণ্ডৰ বিনিয়োগ কৰাৰ নীতিও শিথিল কৰি দিছে আৰ-বি-আয়ে। এইবোৰ পদক্ষেপেও টকাৰ মূল্য হ্ৰাস বন্ধ কৰাত কাম দিয়া নাই। বৰ্তমান এই ক্ষেত্ৰত ৰিজাৰ্ভ বেংকৰ হস্তক্ষেপৰ ক্ষমতাতো অন্ত পৰিছে। ২৫ ফেব্ৰুৱাৰীৰ পৰা ২৫ জুনৰ ভিতৰত বিদেশী মুদ্ৰাৰ ভঁৰালৰ পৰিমাণ ৪,০৯৪ কোটি ডলাৰ হ্ৰাস পাইছে। যি সময়ত দেশৰ অৰ্থনীতিত বিদেশী মুদ্ৰাৰ পৰিমাণ হ্ৰাস পাব ধৰিছে, সেই সময়ত বাণিজ্য ঘাটি অভিলেখপূৰ্ণভাৱে বৃদ্ধি হৈছে, টকাৰ মূল্য দ্ৰুত হ্ৰাস পাব ধৰিছে, অৰ্থাৎ অৰ্থনীতিৰ ক্ষেত্ৰত অতি উদ্বেগজনক অৱস্থা হৈছে সেইসময়ত দেশৰ প্ৰধানমন্ত্ৰী, বিত্তমন্ত্ৰীকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ মুখপাত্ৰসকলে ঘোষণা কৰিছে দেশৰ অৰ্থনীতি স্থিতিশীল, মজবুত। দেশৰ অৰ্থনীতিৰ এই ভয়ানক পৰিস্থিতিত আশ্চৰ্য্যজনকভাৱে প্ৰধানমন্ত্ৰী মোদী আৰু তেওঁৰ চৰকাৰখন উদ্বেগহীন হৈ আছে। বিৰোধী দলবোৰে দেশৰ অৰ্থনীতিৰ উক্ত অৱস্থাৰ এখন শ্বেতপত্ৰ প্ৰকাশৰ দাবী কৰিছে। শ্ৰীলংকাৰ অৰ্থনীতিৰ ভয়ংকৰ অৰ্থনৈতিক সংকট আৰু সেই দেশৰ জনসাধাৰণৰ সৰ্বনাশী অৱস্থা দেখি আমাৰ দেশৰ সচেতন লোকসকলে ভাৰতৰ অৰ্থনীতিৰ উক্ত দেৱলীয়া অৱস্থাৰ বিষয়ে জানি শংকিত হৈ পৰিছে। ভাৰতৰ অৰ্থনীতিৰ উক্ত সংকট মোকাবিলা কৰিবলৈ মোদী চৰকাৰে তৎক্ষাণিক উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰিলে ভাৰতৰ অৰ্থনীতিৰো শ্ৰীলংকাৰ দৰে সংকটৰ আশংকা কৰিছে অনেক বিশেষজ্ঞই। টকাৰ মূল্য হ্ৰাস, বাণিজ্য ঘাটি, কাৰেণ্ট একাউণ্ট ঘাটি, মুদ্ৰাস্ফীতি আদি সমস্যাক মোকাবিলা কৰিব নোৱাৰিলে ভাৰতৰ অৰ্থনীতিও শ্ৰীলংকাৰ নিচিনা অৰ্থনৈতিক সংকটত নিমজ্জিত হোৱাৰ আশংকাই দেখা দিছে আৰু ভাৰতৰ জনসাধাৰণো শ্ৰীলংকাৰ জনসাধাৰণৰ নিচিনা দুৰ্যোগৰ সন্মুখীন হোৱাৰ সম্ভাৱনাই দেখা দিছে।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

## খোলা মঞ্চ

### অৰ্ধশতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা?



**১৯৭১ৰ** পহিলা ফেব্ৰুৱাৰীত সম্পাদক কনকসেন ডেকাৰ বলিষ্ঠ সম্পাদনাত প্ৰকাশ পোৱা 'অগ্ৰদূত' কাকতখন যথাৰ্থতেই অসমৰ সংবাদ জগতৰ আৰু অসমীয়া জাতিৰ জাগ্ৰত প্ৰহৰী, অসমীয়া জাতীয় জীৱনৰ বাবে এক দলিল স্বৰূপ। অসমৰ সংবাদ জগতত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা 'তিনিদিনীয়া অগ্ৰদূত' কাকতখনে নানা ঘাত-প্ৰতিঘাত-সংঘাত আৰু প্ৰতিকুল পৰিস্থিতিকো হেলাৰঙে নেওচি গৌৰৱোজ্বল ৫০ টা বছৰ সুকলমে অতিক্ৰম কৰাটো কাকত এখনৰ বাবে কম গৌৰৱৰ কথা নহয়। এগৰাকী সম্পাদক-মালিকৰ তত্ত্বাৱধানত জন্মলগ্নৰে এখন কাকত সুদীৰ্ঘ পাঁচটা দশক ধৰি নিৰৱচ্ছিন্নভাৱে অলপো হীন ডেঢ়ি নোহোৱাকৈ আপোচহীনভাৱে চলি থকা বাতৰি কাকত এই পৃথিৱীত আছে নে নাই সন্দেহ। এই সকলোবোৰ সম্ভৱ হৈছে কাকতখনৰ স'তে জড়িতসকলৰ দেশ তথা সমাজৰ প্ৰতি থকা দায়বদ্ধতা আৰু একান্তই নিষ্ঠাপূৰ্ণ সংবাদ সেৱা। মূলতঃ কাকতখনৰ সম্পাদকীয় স্তম্ভত প্ৰকাশিত কনকসেন ডেকাৰ প্ৰগতিশীল এখন সৰ্বাংগসুন্দৰ সুস্থ সবল নতুন সমাজ গঢ়াৰ বলিষ্ঠ লেখাসমূহে পঢ়ুৱৈ সমাজক বিশেষভাৱে আকৰ্ষিত কৰি আহিছে। অসমৰ প্ৰতিটো জাতীয় সমস্যা জনগণৰ আগত তথ্যসহকাৰে দাঙি ধৰি বলিষ্ঠ নেতৃত্বৰে ৰাইজক সজাগ সচেতন কৰি সুনিৰ্দিষ্ট পথৰ সন্ধান দিয়াত অগ্ৰদূত কাকতখনে সততে আগভাগ লয়। সেয়ে অগ্ৰদূত হৈছে জাতীয় জাগৰণৰ প্ৰহীৰ। অতি স্পষ্টবাদী, সৎ সাহসী, যুক্তিবাদী আৰু সৰ্বোপৰি আপোচহীন সম্পাদক হিচাপে কনকসেন ডেকাই ৭০ দশকৰ পৰা সততা আৰু নিষ্ঠাৰে নিঃস্বাৰ্থভাৱে যি ভূমিকা পালন কৰি আহিছে আজিও তেওঁ একেটা স্থিতিতে অচল-অটল আছে। কনকসেন ডেকা এগৰাকী প্ৰগতিশীল, গতিশীল, মানৱদৰদী সৰ্বসাধাৰণ ৰাইজৰ হিতসাধনৰ বাবে জীৱন উছৰ্গা কৰা অতি দায়িত্বশীল সাংবাদিক হিচাপে জনসাধাৰণৰ মনত সদায়েই স্মৰণীয় হৈ থাকিব। গভীৰ দায়বদ্ধ চেতনাৰে তথা চিন্তাভাৱনাৰ সংবাদ মাধ্যমক জনসেৱা হিচাপে গ্ৰহণ কৰা সাংবাদিকসকলৰ ভিতৰত কনকসেন ডেকা অন্যতম। কনকসেন ডেকা কেৱল সাংবাদিকে নহয়, এগৰাকী সমাজ সচেতন তথা জাতীয় চেতনাসম্পন্ন চিন্তাশীল ব্যক্তি। অসমৰ বৌদ্ধিক সমাজক গতিশীল আৰু সৱল নেতৃত্ব দিব পৰা বিপ্লৱী চিন্তা চেতনাৰ অধিকাৰী সাংবাদিক কনকসেন ডেকা। ডেকাৰ লেখাবোৰে বৌদ্ধিক মহলকে ধৰি সকলো স্তৰৰ পাঠকৰ মাজতে চিন্তাৰ খোৰাক যোগায় যদিও মূলতঃ তেওঁ সৰ্বসাধাৰণৰ বাবেহে লিখে। অন্যায়, অনীতি, অনিয়ম তথা দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে নিৰন্তৰ কলম চলাই থকা বাবে সময়ে সময়ে কনকসেন ডেকা ৰজাঘৰীয়াৰ ৰোষত পৰিবলগীয়া হৈছিল যদিও ডেকাৰ কলম থমকি ৰোৱা নাছিল।

**কুলেন বৰ্মন, লেখক**

অসমৰ বহুতো স্বনামধন্য সাহিত্যিক তথা নবীন-প্ৰবীণ লেখক-লেখিকাৰ 'অগ্ৰদূত' আৰু 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত প্ৰবন্ধ সাম্প্ৰতিক কালৰ ঘটনা প্ৰবাহ, সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশসমূহ আৰু ৰাজনৈতিক উত্থান-পতনৰ ঘটনা আদিৰে সমৃদ্ধ 'অগ্ৰদূত'ৰ মানদণ্ড যথেষ্ট উন্নত কৰাৰ লগতে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰত প্ৰভূত পৰিমাণে অৰিহণাও যোগাইছে।

'অগ্ৰদূত'ৰ ৫২ বছৰীয়া এই অবিৰত যাত্ৰাপথত আমিও বিগত প্ৰায় তিনিটা দশকজুৰি কাকতখনৰ লগত জড়িত হৈ আছো। সঁচা কথা, আমি যদি এজন সাংবাদিক অথবা লেখক হিচাপে অসমৰ পাঠক সমাজৰ মাজত যৎসামান্য চিনাকি হোৱাৰ সুযোগ পাইছো, তেন্তে সেয়া সম্ভৱ হৈছে 'অগ্ৰদূত' আৰু শ্ৰদ্ধাৰ কনকসেন ডেকাৰ আশীৰ্বাদতহে। সেয়ে 'অগ্ৰদূত'ৰ পৰিয়াল ধন্যবাদৰ পাত্ৰ. আমি প্ৰৱল আশাবাদী কনকসেন ডেকাৰ দ্বাৰা সম্পাদিত 'অগ্ৰদূত' আৰু 'দৈনিক অগ্ৰদূত' কাকতে সকলো সময়তে ৰাইজৰ পক্ষত থাকি জনসাধাৰণৰ সেৱাত ব্ৰতী হৈ থাকিব। শেষত অগ্ৰদূত গোষ্ঠীৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰিলো।

ফোন ঃ ৯৪৩৫৩৩৮৪১০

# চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ সমস্যা

**শিক্ষাই** হ'ল জীৱনৰ মূল ভেঁটি। শিক্ষাৰ মূল ভেঁটি নিৰ্মাণ হয় প্ৰাথমিক বিদ্যালয়ত। এটা ঘৰৰ ভেঁটি মজবুত নহ'লে ঘৰটোৰ ওপৰৰ ফালে যিমান ডিজাইন লগালেও ঘৰটোক এটা নিৰাপদ ঘৰ হিচাপে বিবেচনা কৰিব নোৱাৰি। ঠিক তদ্ৰূপ এটা শিশুৱে প্ৰাথমিক পৰ্যায়ত উপযুক্ত শিক্ষা লাভ নকৰিলে শিক্ষাগ্ৰহণৰ পৰৱৰ্তী পথ মসৃণ নহ'ব আৰু ভৱিষ্যত জীৱনত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰাটো ধুৰূপ। এটি শিশুক দেশৰ প্ৰকৃত সুনাগৰিক হিচাপে গঢ় দিবলৈ হ'লে শিশুটিয়ে প্ৰাথমিক পৰ্যায়ত সুশিক্ষা লাভ কৰাটো নিশ্চিত কৰিব লাগিব। গতিকে প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ্থীৰ বাবে শিক্ষা লাভৰ অনুকূল বাতাৱৰণ উপলব্ধ কৰাটো চৰকাৰৰ এটা মুখ্য দায়িত্ব।

অসমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ শিক্ষাৰ মানৰ ওপৰত বিভিন্ন সময়ত প্ৰশ্নৰ অৱতাৰণা হোৱা দেখা গৈছে। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা, গুণোৎসৱ আদিৰ ফলাফলৰ সময়ত চৰকাৰী শিক্ষানুষ্ঠানসমূহ সমালোচনাৰ সন্মুখীন হোৱা দেখা যায়। এনে পৰিপ্ৰেক্ষিতত বহুতো দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকেও নিজৰ সন্তানক মোটা অংকৰ ধন খৰচ কৰি চৰকাৰী বিদ্যালয়ৰ পৰিৱৰ্তে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত নামভৰ্তি কৰাইছে। চৰকাৰে বিদ্যালয়সমূহৰ নামত যথেষ্ট ধন খৰচ কৰিছে আৰু যোগ্যতাৰ ভিত্তিত শিক্ষক নিযুক্তি দিছে যদিও আশানুৰূপ ফল লাভ কৰা পৰিলক্ষিত হোৱা নাই। এই লেখাত প্ৰধানকৈ অসনৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ কেতবোৰ সমস্যাৰ ওপৰত আলোকপাত কৰা হ'ব।

প্ৰাথমিক বিদ্যালয়সমূহত বিগত দিনত যথেষ্ট সংখ্যক শিক্ষক নিযুক্তি দিয়া হৈছে যদিও বিদ্যালয়সমূহত শিক্ষকৰ ছাত্ৰ-ছাত্ৰী অনুসাৰে সমানুপাতিক বিতৰণ হোৱা নাই। যেনে কোনো এখন বিদ্যালয়ত ৮০জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষক আছে মাত্ৰ দুজন। আকৌ আন এখন বিদ্যালয়ত ৪০জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষক আছে সাতজন। এনেস্থলত প্ৰথমখন বিদ্যালয়ত নিয়াৰিকৈ শ্ৰেণীসমূহ চলাই নিয়াত অসুবিধা হ'বই, লাগিলে শিক্ষক যিমানেই দক্ষ নহওক। বিভাগে এনে বিদ্যালয়সমূহ চিনাক্ত কৰি অনতিবিলম্বে শিক্ষক-শিক্ষয়িত্ৰীৰ সমানুপাতিক বিতৰণৰ ব্যৱস্থা কৰিব লাগে।

নৱনিযুক্ত শিক্ষকসকলৰ সৰহ সংখ্যকৰে বিদ্যালয় গৃহ জিলাৰ বাহিৰত অৰ্থাৎ অন্য জিলাত। তেনেস্থলত কিছুমান শিক্ষকে ৮০-১০০ বা তাতোকৈও বেছি কিলোমিটাৰ দূৰত্ব বাছেৰে অহা-যোৱা কৰি শিক্ষকতা কৰি আছে। ইমান বেছি দূৰত্ব অহা-যোৱা কৰি এজন শিক্ষকে নিজৰ কৰণীয় কিমান নিয়াৰিকৈ কৰিব পাৰে সেয়া চিন্তনীয়। কিছুমান শিক্ষকে বিদ্যালয়ৰ ওচৰত ভাড়াঘৰ লৈছে যদিও তেওঁলোকৰ মন-মগজু বিভিন্ন চিন্তাৰে ভাৰাক্ৰান্ত। কোনো কোনোৱে নিজৰ ৰুগীয়া পিতৃ-মাতৃ, এমা-ডিমা ল'ৰা-ছোৱালীক ঘৰত এৰি থৈ আহি এই বৃত্তিটোৰ বাবে এটা ভাড়াঘৰত সোমাই থাকিব লগা হৈছে। পৰিয়ালত কিবা আহুকালৰ সৃষ্টি হ'লেও পৰিয়ালক সংগ দিয়াৰ পৰা বঞ্চিত। সীমিত দৰমহা তথা সা-সুবিধাৰে এনেধৰণে কৰ্তব্য পালন কৰাৰ ক্ষেত্ৰত প্ৰাথমিক শিক্ষকসকল যথেষ্ট মানসিক চাপৰ সন্মুখীন হ'বলগীয়া হয়। এনে চাপ লৈ সেইসকল শিক্ষকে বিদ্যালয়ত কিমান পৰিপক্কতাৰে কৰ্তব্য পালন কৰিব পাৰিব সেয়া চিন্তনীয় বিষয়। কোনোজন শিক্ষকে ঘৰৰ পৰা নাতিদূৰৈত শিক্ষাদান কৰিছে; আন কোনোৱে ৫০০কিমি দূৰৰ পৰা আহি শিক্ষকতা কৰিছে। কিন্তু দা-দৰমহা, ছুটী আদি সা-সুবিধাৰ ক্ষেত্ৰত দুয়োৰে মাজত কোনো তফাৎ নাই। চৰকাৰে মিউচুৱেল ট্ৰান্সফাৰৰ ব্যৱস্থা কৰিছে যদিও কিছু সংখ্যক শিক্ষকে বাৰে বাৰে মিউচুৱেল



ট্ৰেন্সফাৰ পাই থাকে আৰু মিউচুৱেল পাৰ্টনাৰৰ অভাৱত অধিকাংশ শিক্ষকে এনে সুবিধাৰ পৰা বঞ্চিত হৈ বছৰ বছৰ ধৰি ৰুগ্ন মানসিকতাৰে শিক্ষাদান কৰি থাকিবলগীয়া হৈছে। একক বদলিকৰণৰ বাবে চৰকাৰে আইন এখন প্ৰস্তুত কৰিছে যদিও আইনখনত থকা কিছুমান অনমনীয় নীতি-নিয়মৰ বাবে শিক্ষকসকল বদলি লাভৰ পৰা বঞ্চিত হ'ব, সেয়া ধুৰূপ। বিশেষকৈ চৰকাৰে একেখন বিদ্যালয়ত ১০ বছৰ শিক্ষকতা কৰিবলগীয়া যি সময়সীমা বান্ধি দিছে সেয়া হ্ৰাস কৰিলেও শিক্ষকসকল কিছু উপকৃত হ'ব। ভাল শিক্ষকসকলে শ্ৰেণীকোঠাত ১০০ শতাংশ দিব বিচাৰে আৰু তেনে কৰিব নোৱাৰিলে তেওঁলোক মানসিকভাৱে ভাগি পৰে। তেনে কিছুমান শিক্ষকে বদলি বিচাৰি শিক্ষা বিভাগৰ কাৰ্যালয়, মন্ত্ৰী, বিষয়া আদিৰ ওচৰলৈ গৈ বিভিন্ন ধৰণে খাটনি ধৰা দেখা যায়। আকৌ বদলিৰ আইন প্ৰৱৰ্তন হোৱাৰ আগেয়ে কিছুমানে বক্ৰ পথেৰে বদলি লাভ কৰাৰ কথাও ওলাইছিল। চৰকাৰে এনেবোৰ সমস্যাৰ মোকাবিলা কৰিব নোৱাৰিলে বহিঃজিলাত শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া বন্ধ কৰি দিয়াই শ্ৰেয় যদিও প্ৰাথমিক বিদ্যালয়ৰ সকলো শিক্ষকে একেখিনি ছাত্ৰ-ছাত্ৰীক একেখিনি পাঠ্যক্ৰম শিকাব লাগে;কিন্তু শিক্ষকসকলৰ মাজত বিভিন্ন প্ৰকাৰ দেখা যায়। যেনে— জি পি এফৰ সুবিধা লাভ কৰা নিয়মীয়া শিক্ষক, এন পি এছৰ অন্তৰ্গত নিয়মীয়া শিক্ষক, টে'ট উত্তীৰ্ণ নিয়মীয়া শিক্ষক, টে'ট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষক, টিউটৰ, বেতনবিহীন ভেন্সাৰ শিক্ষক আদি অনেক ওলাব। আনকি একে পৰ্যায়ৰ শিক্ষকৰ জিলাভেদে বেতন ভিনভিন হোৱাও দেখা গৈছে। এনে ভিন্নতাই শিক্ষকসকলৰ মাজত ব্যৱধান, হীনমন্যতা আদিৰ সৃষ্টি কৰে। গতিকে চৰকাৰে শিক্ষকসকলক একে পৰ্যায়ৰ অন্তৰ্গত কৰিব পাৰিলে অসমৰ প্ৰাথমিক শিক্ষাৰ মান বহুগুণে উন্নত হ'ব বুলি আশা কৰিব পাৰি। ইতিমধ্যে বহু নিষ্ঠাৱান শিক্ষকে ভেন্সাৰ শিক্ষক হিচাপে বিনাবেতনে অৱসৰ গ্ৰহণ কৰিলে। আজিৰ দিনতো চৰকাৰৰ সকলো নীতি-নিৰ্দেশনা মানি শিক্ষাদান কৰাৰ পাছত শিক্ষকে এটকাও বেতন নোপোৱাটো চৰম দুৰ্ভাগ্যজনক। এই সমস্যাসমূহৰ এক সুস্থিৰ সমাধানৰ প্ৰয়োজন। পৰিৱৰ্তনশীল পাঠ্যক্ৰমৰ প্ৰতিটো বিষয়বস্তু যাতে পুংখানুপুংখভাৱে শিকাব পাৰে তাৰ বাবে শিক্ষকসকলক সময়ে সময়ে উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**অভিমত**

নিম্ন প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ কোনো পদ নাই। অথচ যিজন সহকাৰী শিক্ষকে প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰে তেওঁৰ মূৰত বিদ্যালয় পৰিচালনাৰ সমস্ত দায়িত্ব ন্যস্ত থাকে। নিম্ন প্ৰাথমিক বিদ্যালয়ৰ কোনো চকীদাৰ, কেৰাণীৰ পদ নাথাকে। ফলত প্ৰধান শিক্ষকজনে শিক্ষাদানৰ চিন্তা একাষৰীয়া কৰি এই সমস্ত দায়িত্বত ব্যস্ত থাকিবলগীয়াত পৰে। চৰকাৰৰ শিক্ষাবিভাগে প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰি যোগ্যতা অনুসাৰে প্ৰধান শিক্ষক নিযুক্তি দি এক সন্মানজনক পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰিলে চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা যথেষ্ট উন্নত হ'ব। লগতে প্ৰাথমিক বিদ্যালয়ত চৰকাৰে কেৰাণী আৰু চকীদাৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে।

আন্তঃগাঁথনি, মধ্যাহ্ন ভোজন আদিৰ নামত যিসমূহ ধন চৰকাৰে আবন্টন দিয়ে এইবিলাকৰ বিদ্যালয়ত সঠিক ৰূপায়ণ হৈছে নে নাই এই বিষয়ে বিভাগীয় উচ্চ পদস্থ বিষয়াসকলে সঘনাই নিৰীক্ষণ কৰা দৰকাৰ। বহু বিদ্যালয়ৰ আন্তঃগাঁথনি অতি দুৰ্বল। ছাত্ৰ ছাত্ৰীৰ বাবে উপযুক্ত ডেস্ক-বেঞ্চ, শিকন-শিক্ষণ সামগ্ৰী, বিশুদ্ধ খোৱা পানী, পৰিষ্কাৰ শৌচাগাৰ, প্ৰস্ৰাৱগাৰ আদি উপলব্ধ নহয়। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই সঘন চকু ৰাখিব লাগিব। লগতে অভিভাৱক তথা সমাজৰো বিদ্যালয়খনৰ বাতাৱৰণ ছাত্ৰ-ছাত্ৰীৰ বাবে অনুকূল কৰি ৰখাৰ ক্ষেত্ৰত যথেষ্ট দায়িত্ব আছে।

শিক্ষা বিভাগৰ কাৰ্যালয়সমূহলৈ অফিচিয়েল কামৰ বাবে গৈ শিক্ষকসকল বহু সময়ত হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ কথা শুনিবলৈ পোৱা যায়। শিক্ষা বিভাগৰ কাৰ্যালয়সমূহৰ কৰ্মচাৰীসমূহে এক নিকা ভাৱমূৰ্তি লৈ শিক্ষকসকলৰ কামসমূহ তৎকালীনভাৱে সমাধান কৰিব লাগিব, যাতে এটা সৰু কামৰ বাবে শিক্ষকসকল কাৰ্যালয়লৈ তাঁত-বাটি কৰি থাকিব লগা নহয়। আকৌ কিছুমান শিক্ষকে বিভিন্ন অজুহাত দেখুৱাই কাৰ্যালয়লৈ তাঁত-বাটি কৰি থকা দেখা যায়। বিভাগীয় কিছুমান কাম ডিজিটেল কৰাৰ ব্যৱস্থা কৰিব পাৰি। প্ৰয়োজনত কাৰ্যালয়ত চি চি কেমেৰা লগোৱাৰ ব্যৱস্থা কৰিব লাগে।

২০১৭ বৰ্ষৰ পৰা অসম চৰকাৰৰ শিক্ষা বিভাগে বিদ্যালয়সমূহত 'গুণোৎসৱ' পতাৰ ব্যৱস্থা কৰিলে। গুণোৎসৱে কিছু সংখ্যক বিদ্যালয়লৈ পৰিৱৰ্তন আনিছে যদিও গুণোৎসৱ আয়োজন কৰাৰ মহৎ উদ্দেশ্য কিমান দূৰ ফলপ্ৰসূ হ'ল সেয়া চিন্তনীয়। গুণোৎসৱত বিদ্যালয়ৰ সঠিক মূল্যায়ন হোৱাটো উচিত। বহু বিদ্যালয়ৰ হৈ যোৱা গুণোৎসৱৰ ৰিজাল্টটো উন্নত যদিও কাৰ্যক্ষেত্ৰত একো পৰিৱৰ্তন দেখা নগ'ল। আনকি প্ৰথম পৰ্যায়ৰ গুণোৎসৱত 'এ প্লাছ' গ্ৰেডপ্ৰাপ্ত বিদ্যালয় পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হৈ যোৱাৰ উদাহৰণো আছে।

উক্ত বিষয়সমূহৰ উপৰি অসমৰ প্ৰাথমিক বিদ্যালয়সমূহ আৰু অনেক সমস্যাৰে ভাড়াক্ৰান্ত। এই সমস্যাসমূহ দূৰ কৰাৰ বাবে চৰকাৰ তথা সমাজৰ সকলো বদ্ধপৰিকৰ হ'ব লাগিব। চৰকাৰৰ এইক্ষেত্ৰত বহু কৰণীয় আছে। তেতিয়াহে প্ৰতিজন শিশুক সুশিক্ষাৰে শিক্ষিত কৰি ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়িব পৰা যাব।

**অসীম কৃষ্ণ মহন্ত**

বৰেৰী, দৰং

*ফোন ঃ ৮৬৩৮-২০৩৪৯৩*



## নিচাৰ কৱলত নৱ-প্ৰজন্ম

**বৰ্তমান** সকলোতে নিচাৰ প্ৰভাৱ। কি ডেকা কি গাভৰু বা কি কিশোৰ। দুটামান ঘটনাই মোৰ চকু কপালত উঠিছে। কেইদিনমান আগত সন্ধিয়া সময় চাহ দোকানত বহি চাহ খাই আছিলো। ১৩/১৪ বছৰীয়া ল'ৰা এজন চাহ দোকানত সোমাই আহি কিবা এটা টেবলেট উলিয়াই মুখত দিলে আৰু টেবুলৰ ওপৰত থকা পানীৰ জগটো মুখত দি পানী খালে। মোৰ লগত দাদা এজন আছিল। তেওঁ হাস্পতালত চাকৰি কৰে। দাদাজনে ল'ৰাজনক সুধিলে— ঐ চাওঁ কি টেবলেট খালি? তোৰ কি বেমাৰ হৈছে? কথাটো ক'বলৈ পালেহে ল'ৰাজনে দৌৰি গুচি গ'ল। সৰু ল'ৰা বুলি ল'ৰাটোক দৌৰি ধৰিবলৈ সাহস নহ'ল। জানোচা কোনোবাই আকৌ ল'ৰাটোক ঔ কিল শোধায়! এদিন গেলামালৰ দোকানত কিবা এটা বস্তুৰ বাবে গৈছো। আঠ/ন বছৰীয়া ল'ৰা এজন বেঞ্চত বহি আছে। ল'ৰাটোৰ দাঁতৰ ফালে চাবই নোৱাৰি। দাঁতবিলাক ক'লা পৰি গৈছে। মই সৰু ল'ৰাটোক সুধিলো কি হ'ল তোমাৰ দাঁত ইমান ক'লা কিয়? গেলামালৰ দোকানীয়ে ল'ৰাটোৰ বিষয়ে যি ক'লে মই শুনাৰ লগে লগে মোৰ ভৰিৰ তলৰ মাটি কঁপিবলৈ ধৰিলে। তাৰমানে ল'ৰাটোৱে বোলে বিড়ি, চিগাৰেট, গুটখা, শিখৰ আদি যি য'ত পায় খাই দিয়ে। আনকি ল'ৰাটোৱে বোলে জৰ্দাৰ পেকেট খুলি এসোপামান জৰ্দা মুখত ঢালি দিয়ে। ইমান সৰু ল'ৰা। কথাটো মোৰ হজম নহ'ল। নগাঁৱৰ পৰা বাইদেউ এগৰাকীয়ে ফোন কৰি মোৰ খা-খবৰ ল'লে। ময়ো তেওঁলোকৰ খবৰ ল'লো তেওঁলোকৰ লগতে সম্পৰ্কীয় এগৰাকী বোৱাৰীৰ। বোৱাৰীগৰাকীৰ গিৰীয়েকে ঢুকাল। ল'ৰা এজন আছে বয়স ১৬/১৭ বছৰ। ল'ৰাটোৱে বোলে ড্ৰাগছ আদি নিচাজাতীয় বস্তু খাই ধ্বংসৰ ফালে গতি কৰিছে। মাকে বুজনি দিয়ো বলে পৰা নাই। মোৰ পৰা কিবা বুদ্ধি-পৰামৰ্শ বিচাৰিলে। মই ক'লো— মইনো কি বুদ্ধি দিম। তথাপি এদিন লৈ আহিবচোন মই বুজাই চাম। কাৰণ মই মদ খোৱা মানুহক বুজাই চাইছো, নিচা নাখালে ভালকৈ বুজি পায় আৰু দুই/ আঠদিন মদ নোখোৱাকৈ থাকে; কিন্তু একেবাৰে বাদ দিয়া তেওঁলোকৰ বাবে বৰ দিগদাৰ। মদ খোৱা মানুহে একেবাৰে মদ বাদ দিয়াও দেখিছো। গতিকে তেওঁকো মই বুজাই চাম কি হয় দেখা যাব। সৰু ল'ৰা, হয়তো সংগ দোষত পৰি এইটো পথ বাছি লৈছে। আজি-কালি প্ৰত্যেকদিন ড্ৰাগছ বা অন্য নিচাজাতীয় দ্ৰব্যসহ দুষ্কৃতিকাৰী ধৰা পৰি আছে বুলি পেপাৰত পঢ়িবলৈ পাওঁ। আনকি মাজতে পেপাৰত পাইছিলো বৰ্তমানলৈকে কিমানজন ড্ৰাগছ বা অন্যান্য নিচাজাতীয় বস্তুৰ লগত জড়িত আচামী ধৰা পৰিল; কিন্তু ড্ৰাগছৰ লগত জড়িত কিমানজন কিশোৰ ধৰা পৰিল গম নাপালো। মাজতে পেপাৰত পঢ়িবলৈ পালো এচামে সৰু সৰু ল'ৰাবিলাকক ড্ৰাগছৰ লগত জড়িত কৰি বিভিন্ন ঠাইত ড্ৰাগছ দি পঠিয়াই ব্যৱসায় কৰি আছে। সৰু সৰু ল'ৰাবিলাকে নাজানে এইবিলাকৰ ভয়াৱহতাৰ কথা, অলপ টকাৰ বাবে তেওঁলোকে সহায় কৰে আৰু এটা সময়ত তেওঁলোক নিজেই ড্ৰাগছৰ প্ৰতি আসক্ত হৈ পৰে। এইসকলেই এটা সময়ত দুৰ্ধৰ্ষ অপৰাধী হৈ পৰে। তেতিয়া তেওঁলোক ধৰা পৰিলে জেলৰ ভাত খায়, কিন্তু তেতিয়ালৈকে বহুতৰে জীৱন ধ্বংস হয়। ড্ৰাগছজাতীয় বস্তুবিলাকে এনেকৈ শিপাইছে যে আমাৰ প্ৰত্যেকৰে চোতাল পাইছে। আমি হয়তো মনে মনে বহি আছো। ড্ৰাগছ বহু আগৰে পৰাই চলি আহিছে। আগতে প্ৰশাসনে তেনেকৈ ধৰা নাছিল। আজি কিছুদিনৰ পৰা অৰ্থাৎ এইখন চৰকাৰ অহাৰ পাছৰে পৰা ড্ৰাগছৰ বিৰুদ্ধে চৰকাৰে জেহাদ ঘোষণা কৰিছে। তাৰ পাছতেই গম পোৱা গ'ল ইতিমধ্যে ড্ৰাগছে আমাক কিমানলৈকে গিলিছে। ড্ৰাগছে অকল শাৰীৰিক ক্ষতি কৰাই নহয়, ই সম্পূৰ্ণ সংসাৰখন ধ্বংস কৰি পেলায়। সৰু ল'ৰা এজন যেতিয়া ড্ৰাগছ আসক্ত হ'ব, তেওঁকতো ড্ৰাগছ খাবলৈ টকা লাগিব আৰু সেই টকা উলিয়াবলৈ হ'লে সি নিশ্চয় চুৰি কৰিব লাগিব আৰু চুৰি বিদ্যা শিকাৰ পাছত ডকাইতিত নামিব। তাৰমানে এজন দুৰ্ধৰ্ষ অপৰাধীৰ জন্ম হ'ল। এইদৰে আমাৰ সমাজত আমাৰ অজানিতে অপৰাধীৰ সংখ্যা বৃদ্ধি হৈ আছে আৰু এইদৰে যদি অপৰাধীৰ সংখ্যা বৃদ্ধি হৈ গৈ থাকে, তেন্তে কাইলৈ-পৰহিলৈ আমি ঘৰৰ পৰা বাহিৰলৈ ওলাব নোৱাৰিম। হয়তো আপোনাৰ মোৰ সন্তানেও এদিন ড্ৰাগছ আসক্ত হ'ব। সময় বৰ নিষ্ঠুৰ। পৰিৱেশে কাকো এৰি নিদিয়ে, কাৰণ প্ৰত্যেকটো জীৱ-জন্তু পৰিৱেশৰ দাস। মাত্ৰ আৰক্ষীয়ে ধৰিব বা আৰক্ষীৰ দায়িত্ব বুলি বহি থাকিলে জোৰ পুৰি হাত পাব। গতিকে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰত্যেক সমাজে ড্ৰাগছ বিৰোধী সংগঠন কৰক আৰু এই ক্ষেত্ৰত প্ৰশাসনৰ সহায় লৈ ড্ৰাগছৰ বিৰুদ্ধে মাৰবান্ধি থিয় হওক। নহ'লে এদিন ড্ৰাগছ আহি আপোনাৰ-মোৰ চোতাল পাব।

**আব্দুল হালিম আহমেদ**

লংকা, হোজাই

*ফোন ঃ ৮৬৩৮৯৪৬৬৪৮*

দৈনিক অগ্রদূত

# সাহিত্য আৰু জীৱন




# এৰিষ্টটল আৰু সমালোচনা তত্ত্ব



ড° আনন্দ বৰমুদৈ

**প্লেট'ৰ** প্ৰধান শিষ্য এৰিষ্টট'লে (খ্ৰীঃপূঃ ৩৮৪-৩২২) ভালে সংখ্যক সমালোচনা গ্ৰন্থ ৰচনা কৰিছিল বুলি কোৱা হয় যদিও বৰ্তমান তেওঁৰ দুখন গ্ৰন্থ 'পয়েটিকছ' আৰু 'ৰেটৰিক'হে পোৱা যায়। 'পয়েটিকছ'ক বহুতে পশ্চিমীয়া সমালোচনা তত্ত্বৰ আদি গ্ৰন্থ বুলিও বিবেচনা কৰে। পয়েটিকছে সাহিত্য সমালোচনাৰ লগত জড়িত অনেক প্ৰশ্নৰ আলোচনা কৰিছে। নাটক আৰু মহাকাব্যৰ আলোচনা কৰোতে এৰিষ্টট'লে 'পয়েটিকছ'ত যিবোৰ নীতিৰ উল্লেখ কৰিছে সেইবোৰ তেওঁ উদ্ভাৱন কৰি সেইবোৰ মানি চলিবলৈ লেখকক বাধ্য কৰিব খোজা নাই। নীতিবোৰ গ্ৰীক সাহিত্যৰ বিস্তৰ অধ্যয়নৰ ওপৰতহে প্ৰতিষ্ঠিত। গ্ৰীক সাহিত্যৰ অধ্যয়ন আৰু বিশ্লেষণহে নীতিসমূহৰ আধাৰ। তেওঁৰ সময়লৈকে পাব পৰা সমস্ত গ্ৰীক সাহিত্য অধ্যয়নৰ পৰা তেওঁ দেখা পাইছিল যে ভাল সাহিত্যিকসকলৰ ৰচনাত কেতবোৰ উমৈহতীয়া গুণ আছিল আৰু সেই সাধাৰণ গুণবোৰেই তেওঁৰ সমালোচনা তত্ত্বৰ ভিত্তি গঢ়িছিল।

পণ্ডিত সমালোচকসকলৰ মতে 'পয়েটিকছ' গ্ৰন্থখন যিটো ৰূপত পোৱা গৈছে তাৰ পৰা কিতাপখন ছাত্ৰৰ আগত বক্তৃতা দিবলৈ কৰি লোৱা টোকা যেন লাগে। আলোচনাবোৰ প্ৰণালীবদ্ধ নহয় আৰু এৰিষ্টট'লে নিজে উত্থাপন কৰা দুই-এটা প্ৰশ্নৰো তাত উত্তৰ নাই। 'পয়েটিকছ' এৰিষ্টট'লৰ কাব্যতত্ত্ব আৰু এই কাব্যতত্ত্বত ট্ৰেজেডিয়ে বিশেষ গুৰুত্ব পাইছে। তাৰ কাৰণ তেওঁৰ সময়ত ট্ৰেজেডি নাটকে কাব্যৰ ৰূপ হিচাপে বিকাশ লাভ কৰিছিল। মহাকাব্য আৰু কমেডিৰ আলোচনা বাদ দি ট্ৰেজেডিৰ আলোচনা সম্পূৰ্ণ নহয় বাবে সিবিলাকৰো আলোচনা সামৰা হৈছে। তেওঁৰ মতে চিত্ৰশিল্পী অথবা আন যিকোনো শিল্পীৰ দৰে কবিয়ে অনুকৰণ কৰে। তেওঁ বস্তু চৰাচৰ জগতখনক যি ৰূপত দেখে তাক অনুকৰণ কৰিব পাৰে, যি বুলি ভবা হয় তাক অনুকৰণ কৰিব পাৰে অথবা যেনে হোৱা উচিত তাক অনুকৰণ কৰিব পাৰে। অনুকৰণ মানুহৰ এক স্বাভাৱিক প্ৰবৃত্তি আৰু মানুহে অনুকৰণ কৰি ভাল পায়। ইয়াৰ লগতে কবিয়ে ছন্দ আৰু সংহতিৰ সন্ধান কৰে। ছন্দবদ্ধ ৰচনাই মানুহক আনন্দ দান কৰে। এৰিষ্টট'লে তেওঁৰ গুৰু প্লেট'ৰ দৰে কবিয়ে কৰা অনুকৰণক বাস্তৱৰ পৰা দুঢাপ আঁতৰত বুলি ভবা নাছিল। তেওঁৰ মতে কবিয়ে ঐতিহাসিক সত্যক অনুকৰণ কৰিব পাৰে, কিন্তু কৰিবই লাগিব বুলিও কথা নাই। তেওঁ অনুকৰণ কৰা ঘটনাক সম্ভাৱনা সূত্ৰই সমৰ্থন কৰিলেই হ'ল। ঘটি যোৱা ঘটনাতকৈ যিটো ঘটিব পাৰে সিহে অধিক গুৰুত্বপূৰ্ণ। সম্ভাৱনা অথবা প্ৰয়োজন সূত্ৰই সমৰ্থন কৰিলেই হ'ল। ইতিহাসে ঘটি যোৱা ঘটনাৰ কথা কয়, কবিয়ে কয় সম্ভৱপৰ ঘটনাৰ কথা। বুৰঞ্জীবিদে বিশেষ ঘটনাৰ কথা কয় আৰু কবিয়ে যি কয় সেয়া সাৰ্বজনীন। সম্ভাৱনা সূত্ৰই সমৰ্থন কৰা ঘটনা পৃথিৱীৰ যিকোনো ঠাইত যিকোনো সময়ত ঘটিব পাৰে। এইদৰে এৰিষ্টট'লে প্লেট'ই কবিতাৰ বিৰুদ্ধে অনা অভিযোগকে খণ্ডন কৰিছিল।

পাঠক বা দৰ্শকক আনন্দ দান কৰাই এৰিষ্টট'লৰ মতে কবিতাৰ মূল লক্ষ্য। প্লেট'ৰ দৰে কবিতাৰ মূল লক্ষ্য নীতি শিক্ষা দান বুলি ভবা নাছিল। মূল লক্ষ্য আনন্দ দানৰ মাজেদি কিবা নীতি শিক্ষা দিলে অৱশ্যে দিব পাৰে। কবিতাই আনন্দ দান কৰাটো কোনো দৈবাৎ ঘটা ঘটনা নহয়। কবিতাৰ মাজত আনন্দ দান কৰিব পৰা গুণ ন্যায্যভাৱে নিহিত থাকে। কবিতাই পোনতে পাঠক-শ্ৰোতাৰ আবেগ অনুভূতিৰ প্ৰতি আবেদন জনায়। ট্ৰেজেডিক কবিতাৰ শ্ৰেষ্ঠ ৰূপ বুলি গণ্য কৰি তেওঁ কৈছিল যে ট্ৰেজেডিয়ে দৰ্শকৰ মনত পুতৌ আৰু কাৰুণ্যৰ উদ্ৰেক কৰিব লাগিব। ট্ৰেজিক নায়ক বা নায়িকাই যি যন্ত্ৰণা ভোগ কৰে,  সেই যন্ত্ৰণা তেওঁলোকৰ প্ৰাপ্য নহয়। সেইবাবেই দৰ্শকৰ তেওঁলোকৰ প্ৰতি পুতৌ হয়। সহানুভূতিৰে দৰ্শক ট্ৰেজিক নায়কৰ লগত একাত্ম হৈ পৰে। কিন্তু তেওঁলোকে নিজকে যেতিয়া নায়কৰ স্থানত কল্পনা কৰে তেতিয়া তেওঁলোকৰ মনত ত্ৰাসৰ সৃষ্টি হয়। নিজৰ মাজৰ পৰা আন এজন মানুহৰ দুখত দুখী হৈ ওলাই যোৱাৰ পৰা মানুহ এজনে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ পৰা মুক্ত হোৱাৰ সুবিধা এটা লাভ কৰে। নিজৰ দুখকে সদায় অতিৰঞ্জিত কৰি কল্পনা কৰাৰ প্ৰৱণতা এটা মানুহৰ মাজত থাকে। ট্ৰেজেডি নাটকত নায়ক বা নায়িকাৰ যন্ত্ৰণাক বিশাল ৰূপত দেখা পালে তাৰ লগত তুলনা কৰি দৰ্শকে নিজৰ ব্যক্তিগত দুখ-যন্ত্ৰণাক উচিত জোখত দেখা পাব পাৰে।

কবিতাই অনুকৰণ কলা হিচাপে দুই ধৰণৰ কাৰ্যক অনুকৰণ কৰিব পাৰে। ই ভাল মানুহৰ মহৎ কাৰ্য হ'ব পাৰে অথবা বেয়া মানুহৰ নিকৃষ্ট কাৰ্য হ'ব পাৰে। প্ৰথম ধৰণৰ অনুকৰণৰ পৰা মহাকাব্য আৰু দ্বিতীয়বিধ অনুকৰণৰ পৰা ব্যংগৰ সৃষ্টি হৈছিল। ইবিলাকৰ পৰাই সময়ত ট্ৰেজেডি আৰু কমেডিৰো সৃষ্টি হৈছিল। মহাকাব্যৰ লগত ট্ৰেজেডিৰ যি সম্পৰ্ক, কমেডিৰ লগত ব্যংগৰ সেই সম্পৰ্ক। তাৰ পৰা এই সিদ্ধান্ত কৰিব পাৰি যে মহাকাব্য আৰু ট্ৰেজেডি ভাল মানুহৰ মহৎ কাৰ্যৰ অনুকৰণ হিচাপে ব্যংগ আৰু কমেডিতকৈ উন্নত স্তৰৰ। এৰিষ্টট'লৰ মতে মহাকাব্য আৰু ট্ৰেজেডিৰ ভিতৰত ট্ৰেজেডি শ্ৰেষ্ঠত্বৰ। ইয়াৰ কাৰণ ট্ৰেজেডিৰ গঢ় মহাকাব্যতকৈ আটিল। মহাকাব্যৰ সকলো গুণ আৰু উপাদান চমুকৈ ট্ৰেজেডিৰ মাজতো উপস্থিত। সংগীত আৰু চমৎকাৰ দিশটো নাটকৰ দৰে মহাকাব্যত নাথাকে। সেইবাবেই 'পয়েটিকছ'ত ট্ৰেজেডিৰ কথা বহুলভাৱে আলোচনা কৰা হৈছে।

'পয়েটিকছ'ত ট্ৰেজেডিৰ সংজ্ঞা দাঙি ধৰি এৰিষ্টট'লে কৈছে যে ই কাৰ্যৰ অনুকৰণ। এই কাৰ্য গহীন ধৰণৰ আৰু সম্পূৰ্ণ কাৰ্য। ইয়াৰ ভাষাত কলাসন্মত অলংকাৰ থাকিব। পুতৌ আৰু কাৰুণ্যৰ উদ্ৰেক কৰি দৰ্শকৰ অনুভূতিৰ সংশোধন ঘটাব লাগিব। গহীনধৰণৰ কাৰ্য বুলি কৈ এৰিষ্টট'লে পুতৌ আৰু কাৰুণ্য উদ্ৰেক কৰিব পৰা যন্ত্ৰণাৰ কাহিনীক বুজাইছে। নাটকীয় কাৰ্যই আচলতে মানুহৰ সকলো কাম-কাজ, চিন্তা আৰু আবেগ-অনুভূতিক সামৰিছে। নাটকীয় কাৰ্য সম্পূৰ্ণ হ'বলৈ হ'লে কাহিনীৰ আৰম্ভণি, মধ্যভাগ আৰু শেষ থাকিব লাগিব। কাহিনী এবাৰ আৰম্ভ হোৱাৰ পাছত কাৰ্য কাৰণ নীতি মানি পৰিসমাপ্তিৰ ফালে আগবাঢ়িব। কাহিনীৰ বিশেষ বিৰাটত্ব থাকিব লাগিব। কাহিনীৰ দৈৰ্ঘ্য যুক্তিসমৰ্থিত হ'ব লাগিব। নিৰ্দিষ্ট সময়ৰ ভিতৰত এবাৰ চাওঁতেই দৰ্শকে বুজিব পৰা বিধৰ হ'ব লাগিব। প্ৰাণী এটা ধুনীয়া হ'বলৈ হ'লে যিদৰে বৰ দীঘল, বৰ চুটি অথবা বৰ ডাঙৰ বা সৰু হ'ব নালাগিব, সেইদৰে কাহিনী এটাও সৰ্বাংগ সুন্দৰ হ'বলৈ বৰ দীঘল বা অতি চুটিও হ'ব নালাগিব। কাহিনী উচিত দৈৰ্ঘ্যৰ হ'লে দৰ্শকৰ স্মৃতিয়ে এবাৰতে তাক ধৰি ৰাখিব পাৰিব। কাহিনীয়ে আৰম্ভণি, মধ্যভাগ আৰু অন্তক স্বাভাৱিকভাৱে আৰু সম্পূৰ্ণকৈ দাঙি ধৰিব পাৰিব লাগিব। কাৰ্যৰ ধৰণে ট্ৰেজেডি নাটকক মহাকাব্যৰ পৰা পৃথক কৰে। মহাকাব্যত ঘটনাৰ বৰ্ণনা বা বিৱৰণ দিয়া হয়। মহাকাব্যত কবি নিজেই কথক। ট্ৰেজেডিত চৰিত্ৰ, অৰ্থাৎ জীৱন্ত মানুহৰ সহায়ত কাহিনী কোৱা হয়। চৰিত্ৰৰ কাৰ্য আৰু সংলাপে কাহিনীক দাঙি ধৰে। মহাকাব্যত বৰ্ণনা অথবা বিৱৰণত কবিয়ে নিজৰ ধৰণেৰে অথবা আন কোনোবা এজনৰ দৃষ্টিকোণৰ পৰা বিৱৰণ দি যাব পাৰে, কিন্তু ট্ৰেজেডিত নাট্যকাৰক ক'তো দেখা পোৱা নাযায়। সকলো কাম চৰিত্ৰসমূহেই কৰে। নাটক মঞ্চস্থ কৰিবও পাৰি আৰু সাহিত্য হিচাপে পাঠ কৰিবও পাৰি। মহাকাব্যক কেৱল পাঠ কৰিবহে পাৰি।

এৰিষ্টট'লে ট্ৰেজেডিৰ ছটা উপাদানৰ কথা উল্লেখ কৰিছে— Plot (কাহিনী), character (চৰিত্ৰ), ভাষা (diction), thought (চিন্তা), spectacle (দৃশ্য বা প্ৰদৰ্শনী) আৰু song (গীত)। ইয়াৰে ভিতৰত কাহিনী, চৰিত্ৰ আৰু চিন্তাই অনুকৰণৰ বস্তুক প্ৰতিনিধিত্ব কৰে। ভাষা আৰু গীত অনুকৰণৰ মাধ্যম। দৃশ্য বা প্ৰদৰ্শনী হ'ল অনুকৰণৰ ধৰণ। ছটা উপাদানৰ ক্ৰমটো গুৰুত্বপূৰ্ণ। কাহিনী উপাদানৰ তালিকাত শীৰ্ষত আছে আৰু ট্ৰেজেডিত ই আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। কাহিনী হ'ল ঘটনাৰ ক্ৰম আৰু ইয়েই ট্ৰেজেডিৰ মুখ্য অংশ। কাৰণ ট্ৰেজেডি মানুহৰ অনুকৰণ নহয়, কাৰ্য আৰু জীৱনৰ অনুকৰণ আৰু জীৱন কাৰ্যৰ সমষ্টি। ট্ৰেজেডি কাহিনীয়ে গঢ় দিয়ে নে চৰিত্ৰই গঢ় দিয়ে বুলি কৰা প্ৰশ্নৰ উত্তৰত এৰিষ্টট'লে কৈছিল যে চৰিত্ৰ নোহোৱাকৈও ট্ৰেজেডি হ'ব পাৰে, কিন্তু কাহিনী বা কাৰ্য নোহোৱাকৈ নোৱাৰে। এই কথাটো পাকলগা । কাৰণ চৰিত্ৰৰ পৰাহে কাৰ্যৰ উৎপত্তি হয়। কিন্তু উক্তিটো কৰোতে বোধহয় এৰিষ্টট'লৰ মনত কোনো সন্দেহ নাছিল। তেওঁ কৈছিল যে চৰিত্ৰই মানুহৰ গুণ নিৰ্ণয় কৰে, কিন্তু তেওঁৰ কাৰ্যই তেওঁক সুখী বা দুখী কৰে। ট্ৰেজেডি কেৱল মানুহক অনুকৰণ কৰিবলৈ লিখা নহয়, কাৰ্যত ব্যস্ত মানুহক অনুকৰণ কৰিবলৈহে লিখা হয়। আমাৰ সন্মুখত কৰা কামৰ ভিত্তিত আমি মানুহক বুজি পাওঁ আৰু জানিব পাৰো। মহাকাব্যত কবিয়ে কৈ যোৱা কথাৰ ভিত্তিত চৰিত্ৰক বিচাৰ কৰাৰ দৰে নাটকত আমি চৰিত্ৰ বিচাৰ নকৰো। চৰিত্ৰৰ চাৰিত্ৰিক বিশিষ্টতাতকৈ আমাৰ সন্মুখত কৰা কাৰ্যহে অধিক গুৰুত্বপূৰ্ণ। যিহেতু কাৰ্য চৰিত্ৰৰ পৰাই উৎপত্তি হয়, ট্ৰেজেডিৰ উপাদানৰ তালিকাত কাহিনীৰ পাছতে চৰিত্ৰৰ স্থান। চৰিত্ৰৰ প্ৰসংগ অহা লগে লগে চৰিত্ৰই কি চিন্তা বা অনুভৱ কৰে সেইকথা আহি পৰে। চৰিত্ৰৰ সংলাপৰ মাজেদি তেওঁৰ চিন্তা-অনুভূতি প্ৰকাশ পায়। কাহিনীয়ে কাৰ্যক অনুকৰণ কৰে আৰু চৰিত্ৰই অনুকৰণ কৰে মানুহক আৰু চিন্তাই অনুকৰণ কৰে বিশেষ পৰিৱেশ-পৰিস্থিতিত সেই পৰিৱেশ পৰিস্থিতিৰ প্ৰতি মানুহৰ প্ৰতিক্ৰিয়াক। ট্ৰেজেডিত এই তিনি ধৰণৰ অনুকৰণৰ মাজতে কবিৰ অনুকৰণ উদ্দেশ্য সোমাই থাকে। সেই উদ্দেশ্য সাধন কৰিবলৈ তেওঁ ভাষাৰ মাধ্যম ব্যৱহাৰ কৰে। এই ভাষাই সকলো ধৰণৰ কলাত্মক অলংকাৰেৰে সুশোভিত হয় আৰু তাৰে এবিধ হ'ল গীত। ইবিলাকৰ সহায়তে কবিয়ে চৰিত্ৰৰ চিন্তা আৰু সাধাৰণভাৱে নাটকৰ অৰ্থক প্ৰকাশ কৰে।

ট্ৰেজেডিৰ দুটা উপাদানৰ ভিতৰত দৃশ্য, দৰ্শনী বা মঞ্চায়ন ভাগক সাহিত্য ভাগৰ লগত সামৰিব নোৱাৰি। দৃশ্যই নাটকক দৰ্শকৰ আগত কিদৰে পৰিৱেশন কৰা হৈছে সেই কথাহে কয়। এই কথাও অৱশ্যে এৰিষ্টট'লে উল্লেখ কৰিছিল যে ট্ৰেজেডি নাটকৰ প্ৰভাৱ অভিনেতাৰ ভূমিকা আৰু মঞ্চায়ন বাদ দিও অনুভূত হ'ব লাগিব। ট্ৰেজেডি নাটকৰ কাহিনীটো কোনোবাই কৈ গ'লেও শ্ৰোতাৰ মনত পুতৌ আৰু ত্ৰাসৰ সৃষ্টি হ'ব লাগিব। মঞ্চস্থ নকৰি মহাকাব্যৰ দৰে পঢ়ি গ'লেও ট্ৰেজেডিয়ে ইয়াৰ উদ্দেশ্য সফল কৰিব পাৰিব লাগিব।

এৰিষ্টট'লৰ মতে, কাহিনীয়েই ট্ৰেজেডিৰ আত্মা। সেই ফালৰ পৰা কাহিনী, অৰ্থাৎ ঘটনাৰ কলাসন্মত বিন্যাস গুৰুত্বপূৰ্ণ কথা। এই ক্ষেত্ৰত প্ৰথম গুৰুত্বপূৰ্ণ কথা-কাৰ্যৰ ঐক্য। কাৰ্যৰ ঐক্যই নায়কৰ জীৱনত ঘটা সকলোবোৰ ঘটনাক নুবুজায়। এজন মানুহৰ জীৱনত ইমান বিচিত্ৰ ধৰণৰ ঘটনা ঘটে যে সিবিলাকক কোনো ধৰণৰ ঐক্য সূত্ৰৰে বান্ধি ৰাখিব নোৱাৰি। কাৰ্যৰ ঐক্য এনেকুৱা যে এটা মাত্ৰ কাৰ্যক আঁতৰাই দিলে কাৰ্যৰ গোটেই গাঁথনিটোৱেই সুলকি পৰিব। নায়কৰ জীৱনত বহুত ঘটনা ঘটিব পাৰে, আৰু সকলো মানুহৰ জীৱনতে তেনে ঘটনা ঘটিব পাৰে, কিন্তু যিবোৰ ঘটনাৰ নায়কৰ ট্ৰেজেডিৰ লগত সম্পৰ্ক নাই, সেইবোৰ ঘটনাক পৰিহাৰ কৰিব লাগিব। কোনো ঘটনাৰ উপস্থিতি অথবা অনুপস্থিতিৰ পৰা যদি কাহিনীত একো পাৰ্থক্য নহয়, সেই ঘটনা কাহিনীৰ জৈৱিক ঐক্যৰ অংশ নহয় বুলি জানিব লাগিব। যিবিলাক ঘটনাৰ বিন্যাসেৰে কাহিনী গঠিত হ'ব সিবিলাক এজন লোকৰ জীৱন কেন্দ্ৰিক হ'ব লাগিব। ঘটনাবোৰ বহুত মানুহৰ জীৱনৰ লগত জড়িত হ'লে সিবোৰৰ মাজত প্ৰয়োজনীয় যোগসূত্ৰ বিচাৰি পোৱাটো টান হ'ব। বহুত মানুহৰ জীৱনৰ ঘটনা একেটা কাহিনীতে সোমাই গ'লে কাৰ্যৰ ঐক্য বিনষ্ট হোৱাৰ সম্ভাৱনা। যি ক্ষেত্ৰত একেজন মানুহৰ জীৱনত ঘটা সকলোবোৰ ঘটনাকে ঐক্য সূত্ৰৰে একত্ৰিত কৰিব নোৱাৰি, বিভিন্ন মানুহৰ জীৱনৰ ঘটনাৰ মাজত কিবা সাদৃশ্য থাকিলেও সিবিলাকৰ ঐক্য সূত্ৰৰে বন্ধাৰ প্ৰশ্ন নুঠে। কোনো সম্ভাৱনা সূত্ৰৰে বান্ধ নোহোৱাকৈ কাহিনীত যদি কালানুক্ৰমিক এটাৰ পাছত এটাকৈ উপাখ্যান আহি থাকে, সেই উপাখ্যানমূলক কাহিনী এৰিষ্টট'লৰ দৃষ্টিত নিকৃষ্ট কাহিনী। সময়ৰ ঐক্যৰ বিষয়ে পয়েটিকছ'ত মাত্ৰ এটা বাক্য আছে। যিমান দূৰ পাৰি নাটকীয় ঘটনা ঘটাৰ সময় এদিনৰ ভিতৰত সীমাবদ্ধ থকা ভাল। স্থানৰ ঐক্যৰ বিষয়ে এৰিষ্টট'লে একো উল্লেখ কৰা নাই।

দৰ্শকৰ আবেগ-অনুভূতি জগাবলৈ নাট্যকাৰে শাৰীৰিক শাস্তি, বিলাপ, ভিক্ষাৰীৰ দৰে পুতৌ লগা পোছাক আদিৰ ওপৰতো নিৰ্ভৰ কৰিব পাৰে অথবা কাহিনীৰ ভিতৰৰ গাঁথনিৰ পৰাও দৰ্শকৰ মনত আবেগ সৃষ্টি কৰিব পাৰে। উদাহৰণ স্বৰূপে নাজানি ভায়ে ভাইক হত্যা কৰিব, উপকাৰ কৰিবলৈ গৈ অন্যায় কৰিব পাৰে, লঘু দোষত গুৰু শাস্তি পাব পাৰে ইত্যাদি। ট্ৰেজিক নায়কৰ অপ্ৰাপ্য যন্ত্ৰণাই দৰ্শকৰ মনত পুতৌ আৰু ত্ৰাসৰ সৃষ্টি কৰে। ট্ৰেজিক নায়ক সকলো গুণৰ অধিকাৰী শ্ৰেষ্ঠ মানুহ নহয়। তেওঁ সাধাৰণ মানুহতকৈ ওপৰৰ আৰু তেওঁৰ ট্ৰেজিক খুঁত থাকে। তেওঁৰ জীৱনৰ পৰিৱৰ্তন ভালৰ পৰা বেয়াৰ ফালে হয়। তেওঁৰ দুৰ্ভাগ্যৰ কাৰণ পাপ বা ভ্ৰষ্টাচাৰ হ'ব নালাগিব, ই হ'ব লাগিব কোনো মানৱীয় দুৰ্বলতা অথবা বিচাৰৰ ত্ৰুটি। মহাকাব্য আৰু ট্ৰেজেডিৰ ভিৰতত এৰিষ্টট'লে ট্ৰেজেডিক শিল্পৰূপৰ ফালৰ পৰা ওপৰত ঠাই দিছিল। মহাকাব্যৰ পৰিধি বিশাল। সকলো ধৰণৰ ঘটনা ইয়াত ঘটিব পাৰে আৰু দৈৰ্ঘ্যৰ ক্ষেত্ৰতো ইয়াত কোনো নিৰ্ধাৰিত সীমা নাই। কিন্তু ট্ৰেজেডিয়ে কাৰ্য, কাল, স্থানৰ ঐক্য মানি চলাৰ কাৰণে ইয়াৰ কাহিনী অধিক ঐক্যবদ্ধ হৈ আনন্দ দান কৰিব পাৰে।

ফোন ঃ ৯৮৬৪২৩২০৮৬


# প'লিচ কথাশিল্পী ৱাদিচ্‌ৱা ৰে'মণ্টৰ ৰচনাত মৃত্যুৰ চিত্ৰণ



**পিতৃ-মাতৃৰ** দৃষ্টিত সকলো সন্তানেই সমান মান্যতা নাই যেনেই লাগে। ইয়াৰ কাৰণ হ'ল যে এনে পিতৃ-মাতৃৰ সংখ্যা সীমিত যিসকলে নিজৰ সম্পত্তি বা নিজৰ কাৰিকৰী তথা ব্যৱহাৰিক জ্ঞান সকলো কেইটি সন্তানৰ মাজত সমভাৱে আগবঢ়াই দিয়ে। সম্ভৱতঃ ইয়াৰ কে'বাটাও কাৰণ হ'ব পাৰে। এগৰাকী কৃষক বা বাগিচাৰ মালীয়ে যিদৰে জানে তেওঁৰ কোনখিনি উৎপাদিত শস্য বিধানৰ বাবে উপযুক্ত বা কোনো কেইজোপা লাগনী গছ আৰু কোন কেইজোপা গছৰ ফল নধৰে - সেইদৰে পিতৃ-মাতৃয়ে নিজৰ প্ৰত্যেকটি সন্তানৰ সজ গুণ আৰু বদ গুণৰ বিষয়ে জ্ঞাত। সেই অনুৰূপে সন্তানৰ অভাৱ-অভিযোগবোৰ পূৰণ কৰিবলৈ দূৰদৰ্শী পিতৃ-মাতৃয়ে চেষ্টা কৰে। সেইবাবে হয়তো সন্তান ভেদে 'মোহ'ৰ তাৰতম্য ঘটে। কেতিয়াবা সন্তানে পিতৃ-মাতৃৰ সেই উদ্দেশ্য বা আচৰণৰ গূঢ়াৰ্থ বুজিবলৈ অসমৰ্থ হয় আৰু বহুত সময়ত পিতৃ-মাতৃয়ে সন্তানক সেই বিষয়ে জানিবলৈ নিদিয়ে। তাৰ পৰিৱৰ্তে এক উদাসীন স্থিতি গ্ৰহণ কৰে। এইদৰে পাৰস্পৰিক বুজাবুজিৰ অভাৱে সন্তান আৰু পিতৃ-মাতৃৰ মাজত গভীৰ মনোমালিন্যৰ সৃষ্টি কৰে, যাক জটিল সময়ে অধিক জটিল কৰি তোলে। ফলত পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ মনৰ দূৰত্ব বৃদ্ধি পায়। কেতিয়াবা পৰিস্থিতিয়ে বিৰূপ স্থিতি লয়। ৱাদিচ্‌ৱা ৰে'মণ্টে তেওঁৰ চুটিগল্প Death-ত এনে ধৰণৰ জটিল সমীকৰণৰ বিশ্লেষণ কৰিব খোজা নাই। কাৰণ ইতিমধ্যে এইটো কৈ অহা হৈছে যে অধ্যয়নৰ সীমিত সুযোগ-সুবিধাই তেওঁক তেওঁৰ মাতৃভাষাৰ বাদে অন্য ভাষাৰ সাহিত্যৰাজি আৰু সাহিত্যৰ আলোচনা-সমালোচনাৰ আস্বাদ লোৱাৰ পৰা বঞ্চিত কৰিছিল। তেওঁ কেৱল তেওঁৰ চাক্ষুষ অভিজ্ঞতা লব্ধ জ্ঞানেৰেহে গল্প-উপন্যাস সৃষ্টিত মনোনিৱেশ কৰিছিল। গতিকে গ্ৰাম্যজীৱন ভিত্তিক চুটিগল্প Death-ত তেওঁ চৰিত্ৰৰ আচাৰ-আচৰণ আৰু বাহ্যিকতাৰ মাজেদি স্বভাৱজাত মানৱীয় দোষ-দুৰ্বলতা, আবেগ-অনুভূতিৰ চিত্ৰণ কৰিছে।

মৰণ পথৰ যাত্ৰী বৃদ্ধ পিতৃৰ প্ৰতি কন্যা এণ্টকোৱাৰ মন বিতৃষ্ণতাৰে ভৰি পৰিছে। ভনীয়েক জুলিনাক বৃদ্ধ পিতৃয়ে প্ৰায় সমস্ত স্থাৱৰ সম্পত্তি প্ৰদান কৰি এণ্টকোৱা আৰু তাইৰ পতি এণ্টেকৰ ঘৰত আশ্ৰয় লৈ মৃত্যুৰ ক্ষণ গণি আছিল। কৃষক পৰিয়ালৰ বাবে পোন্ধৰ একৰ ভূমি, এপাল গাহৰি, তিনিজনী গাই গৰু, কাঠৰ আচবাব-পত্ৰ, ভাল চোলা-কাপোৰ কেইযোৰমান- এইবোৰৰ মূল্য বহুত। বিশেষকৈ এণ্টকোৱাহঁতৰ নিচিনা দৰিদ্ৰ কৃষক দম্পতীৰ পৰা বঞ্চিত কৰি নাতিদূৰত অৱস্থিত তাইৰ ভনীয়েকক সেই সমস্ত সম্পত্তিৰ উত্তৰাধিকাৰী মনোনীত কৰিলে। ভনীয়েকৰ প্ৰতি ঈৰ্ষা আৰু দেউতাকৰ প্ৰতি প্ৰচণ্ড ক্ষোভত এণ্ট্‌কোৱাৰ মন জ্বলি-পুৰি আছিল। কিন্তু মৰণপথৰ যাত্ৰী পিতৃক শেষবাৰলৈ চাবলৈ অহা আৰু আশীৰ্বাদ দিবলৈ অহা যাজকজনক দেখি তাই ইনাই-বিনাই কান্দিবলৈ ধৰিলে। যিসকলে বৃদ্ধৰ ইচ্ছাপত্ৰখনৰ কথা জানিছিল তেওঁলোকে মূৰ জোঁকাৰি এণ্ট্‌কোৱাৰ প্ৰতি সমবেদনা জনায় আৰু বৃদ্ধক গৰিহণা দিবলৈ ধৰিলে।

সাহিত্যৰ ৰূপৰেখা
ড° নিভাৰাণী ফুকন



এটা সময়ত যাজকজনে সকলোকে আশীৰ্বাদ দি গুচি গৈছিল। এণ্টকোৱাৰ বাবে যাজকৰ আগমন এক 'যান্ত্ৰিক আনুষ্ঠানিকতা'ৰ বাহিৰে আন একো নাছিল। দেউতাকে তাইক তেওঁৰ সম্পত্তিৰ ভাগ নিদিয়াৰ বাবে হিতাহিত জ্ঞান হেৰুৱাই পেলোৱাৰ নিচিনা হৈছিল। যাজকৰ প্ৰস্থানৰ পাছত তাই এটা আকস্মিক সিদ্ধান্ত ল'লে। তাই পাখিৰে সী উলিওৱা তুলিখন আজোৰ মাৰি সিখন বিছনালৈ দলিয়াই দিলে। তাৰ পাছত বিছনাত থৰ লাগি পৰি থকা মুমূৰ্ষ বৃদ্ধ দেহটো টানি-আঁজুৰি চোঁচৰাই চোঁচৰাই ঘৰৰ বাহিৰলৈ লৈ যায়। বাহিৰত ক্ৰমশঃ অন্ধকাৰ নামি আহিছিল। হিমপাত ক্ৰমশঃ বৃদ্ধি পাইছিল। তৎসত্বেও এক প্ৰচণ্ড দৃঢ় ভাব লৈ এণ্ট্‌কোৱাই সেই বৃদ্ধ দেহটোক টানি-আঁজুৰি গাহৰিৰ গড়ালৰ ফালে আগবাঢ়ে। বৃদ্ধৰ ভৰি দুখন নতুনকৈ পৰা বৰফত লাগি চোঁচৰা খাই যাওঁতে একোটা দ' গাঁত সৃষ্টি কৰিছিল। গাহৰিৰ গড়ালৰ জপনাখন তাইৰ ভৰিখনেৰে ঠেলা মাৰি খুলি মুমূৰ্ষ বৃদ্ধক গাহৰিৰ গড়ালটোৰ ভিতৰলৈ চোঁচৰাই নি তাৰ বেৰত আউজাই থৈ জপনাখন জপাই ঘৰলৈ ঘূৰি আহে। ঘৰলৈ ঘূৰি অহাৰ আগতে তাই পুনৰ গড়ালটোত সোমাই বৃদ্ধই পিন্ধি থকা জৰাজীৰ্ণ চোলাটো সমুখভাগত ফালি বৃদ্ধৰ ডিঙিত ওলমি থকা মাদলিটো আঁজুৰি আনিলে। বৃদ্ধৰ ভৰি এখন জপনাখনৰ ফাঁকত লাগি সেইখন মেল খাই থকা দেখি তাই কাঠৰ জোতা পিন্ধা ভৰি এখনেৰে হেঁচি ভৰিখন ভিতৰলৈ সোমোৱাই দি জপনাখন বন্ধ কৰি ঘৰলৈ ঘূৰি আহিলে। দৰাচলতে বৃদ্ধৰ ডিঙিত ওলমি থকা মাদলিটোৰ ভিতৰত কিছু পৰিমাণৰ ধন সাঁচি থোৱা আছিল। বৃদ্ধৰ মৃত্যুৰ পাছত তেওঁৰ সৎকাৰ কৰ্ম যাতে নিয়াৰিকৈ হয় তাৰ বাবে সেইখন তেওঁ সযত্নে থৈ দিছিল। কিন্তু কন্যা এণ্ট্‌কোৱাৰ সন্ধানী দৃষ্টিত পৰা তেওঁৰ সেই সাঁচতীয়া ধন সাৰি যোৱা নাছিল। ইতিমধ্যেই বঞ্চনাৰ ক্ষোভত তাই জ্বলি-পুৰি আছিল। গতিকে পাপ-পুণ্যৰ কথা নাভাবি তাই সেই মাদলিটোসহ ধনখিনি কাঢ়ি নিছিল।

মানুহৰ ইচ্ছা আৰু আকাংক্ষাৰ অন্ত নাই। ই অসীম। পিছে বহুত সময়ত প্ৰতিকূল পৰিস্থিতি আৰু দুৰ্ভাগ্যৰ বাবে মানুহৰ সেই আশা-আকাংক্ষা পূৰণৰ বাটত হেঙাৰ সৃষ্টি হয়। আকাংক্ষিত বস্তু নোপোৱাৰ বাবে মানুহ হতাশাগ্ৰস্ত হয় আৰু কোনো কোনো ক্ষেত্ৰত ক্ষোভ আৰু অসন্তুষ্টিৰ এটা ব'ব নোৱাৰা ভাৰ বুকুত কঢ়িয়াই লৈ ফুৰে। সুযোগ-সুবিধা পালেই সেই ক্ষোভ উজাৰে অথবা সুযোগৰ অপেক্ষাত থাকে, যাতে নিজৰ প্ৰাপ্যখিনি ঘূৰাই পাব পাৰে। এণ্ট্‌কোৱাৰ ক্ষেত্ৰত এনেকুৱাই হৈছিল।

বাঞ্চিত বস্তু লাভৰ পৰা বঞ্চিত হোৱা জনৰ ক্ষোভ আৰু হতাশা কিমান গভীৰ হ'ব পাৰে এণ্ট্‌কোৱাৰ নিচিনা নাৰীৰ মানসিকতা পৰ্যবেক্ষণ কৰিলেই গম পোৱা যাব। ভনীয়েকে তাইক ভৌতিক (materialistic) সা-সুবিধা ভোগৰ পৰা বঞ্চিত কৰিছিল। তাই ভনীয়েকৰ ওপৰত তাৰ পোতক তুলিব পৰা নাছিল। কিন্তু বৃদ্ধ দেউতাক তাইৰ লগত তাইৰ ঘৰতে আছিল। দেউতাকে ইচ্ছা কৰাহেঁতেন তাইকো দেউতাকৰ সম্পত্তিৰ পৰা কিছু অংশ দিব পৰা গ'লহেঁতেন। কিন্তু বৃদ্ধ দেউতাকে ভনীয়েকজনীৰ প্ৰতি মোহাবিষ্ট হৈয়েই হওক বা দ্বিতীয় গৰাকী কন্যাই ছল কৰিয়েই হওক পিতৃৰ ভাগৰ বুজন অংশ স্থাৱৰ সম্পত্তি হস্তগত কৰিছিল। এণ্ট্‌কোৱাই মাত্ৰ এটা কথাই বুজি পাইছিল। সেয়া এইটোৱেই যে তাইক তাইৰ পিতৃয়ে বঞ্চিত কৰিছে। সেই 'বঞ্চনা'ৰ ফল তাই দেউতাকক দেখুৱাইহে এৰিলে।

প্ৰচণ্ড শীতত এটা গাহৰিৰ গড়ালত এজন বৃদ্ধ মুমূৰ্ষ ব্যক্তিক ঠেঁটুৰৈ ধৰা জাৰত মৰিবলৈ এৰি দিয়াতো অমানুষিকতা আৰু জিজ্ঞাসাহীন মনোবৃত্তিৰ চূড়ান্ত নিদৰ্শন। এগৰাকী কন্যাৰ বাবে তেনে আচৰণ প্ৰদৰ্শন কৰাতো অকল্পনীয়। পিছে বাস্তৱ সমাজত মানুহৰ আকাংক্ষা পূৰণৰ বাটত হেঙাৰ সৃষ্টি হ'লে উচ্চাকাংক্ষী স্বাৰ্থপৰ মানুহৰ বাবে একো কামেই অসম্ভৱ নহয়।

ইফালে, দুৰ্ভগীয়া বৃদ্ধৰ মৃত্যু ঘটিছিল। সামান্য যত্নেৰে নিৰ্মিত সেই গাহৰি গড়ালটোৱে বৃদ্ধক শীত আৰু প্ৰচণ্ড শীতল বতাহৰ পৰা ৰক্ষা কৰিব পৰা নাছিল। সেই নিশা কোনেও বৃদ্ধৰ কাতৰ আকুতি ভৰা কণ্ঠ শুনা নাছিল। বৃদ্ধই কঁপা কঁপা মাতেৰে অসহায়ভাৱে চিঞৰিবলৈ চেষ্টা কৰিছিল। তেওঁ গাহৰি গড়ালৰ জপনা সদৃশ দুৱাৰখনৰ ওপৰলৈ আঁঠু কাঢ়ি গৈ এক অমানৱীয় শক্তিৰে থিয় হ'বলৈ প্ৰয়াস কৰি দুৱাৰখন খুলিবলৈ যত্ন কৰা কোনেও নেদেখিলে। সেয়া তেওঁৰ বাবে এক ব্যৰ্থ প্ৰয়াস আছিল, কিয়নো ক্ৰমশঃ মৃত্যুৱে নিজৰ হাতোৰাৰে তেওঁক আগুৰি ধৰিছিল। মৃত্যুৱে সৰ্পিল গতিৰে তেওঁৰ ভৰিৰ পতাৰ পৰা ক্ৰমশঃ তেওঁৰ বুকুলৈকে বগুৱা বাই উঠি আহিল। তেওঁ শ্বাস-প্ৰশ্বাস বন্ধ হোৱাৰ উপক্ৰম হৈছিল। তেওঁৰ দাঁত দুপাৰি এনেভাৱে জোৰা লাগিছিল যে তেওঁ আৰু দুনাই মুখখন মেলিবলৈ চেষ্টা কৰিও মেলিব নোৱাৰিলে। তেওঁৰ শৰীৰৰ সিৰাবোৰ দৃঢ়, টনটনীয়া হৈ পৰিছিল। ইমানেই টান আৰু দৃঢ় যে তেওঁ নিজকে আৰু অধিক পৰ স্থিৰেৰে ৰাখিব নোৱাৰিলে। তেওঁ গাহৰি গড়ালটোৰ দুৱাৰমুখতে বাগৰি পৰিল, তেওঁৰ মুখেদি ফেন ওলাবলৈ ধৰিলে, তেওঁৰ বিস্ফোৰিত নেত্ৰত এক ভয়াৰ্ত চাৱনি, য'ত প্ৰচণ্ড শীতত তেওঁক মাৰিবলৈ এৰি থৈ যোৱা কথাটোৱে তেওঁৰ মুখমণ্ডললৈকে বিয়পি গৈছিল। ক্ৰমশঃ গোট মাৰি মাৰি যোৱা তেওঁৰ দেহাটোৰ দৰে তেওঁৰ আৰ্তনাদটোৱে যেন কঠিন বৰফত পৰিণত হৈছিল। তেনে এক বীভৎস ৰূপত পিছদিনা পুৱতি নিশা এণ্ট্‌কোৱাৰ স্বামী এণ্টেকে শহুৰেকৰ গোট মৰা মৃতদেহটো বিষ্ঠা আৰু অন্য মল-আৱৰ্জনাৰে লেটি-পেটি হৈ গাহৰি গড়ালটোৰ দুৱাৰডলিত ভাঁজ লাগি পৰি থকা দেখি সচকিত হৈ উঠিছিল। ঘৈণীয়েকৰ কু-কৰ্মৰ পৰিণাম আৰু নিজৰ নীৰৱ সমৰ্থনৰ কথা ভাবি এণ্টেকৰ মনত কোনো ধৰণৰ অনুশোচনাবোধ জাগ্ৰত হোৱা নাছিল। কিন্তু দুৰ্ভগীয়া বৃদ্ধৰ মৃত ৰূপটোৱেহে এণ্টেকক সচকিত কৰিছিল।

মৃত্যুৰ এনে নিৰ্মম অথচ বাস্তৱ ৰূপৰ সজীৱ ৰূপায়ণত গল্পকাৰ ৱাদিচ্‌ৱা ৰে'মণ্ট সিদ্ধহস্ত আছিল। বিশেষত ঃ চহা জীৱনকেন্দ্ৰিক গল্পসমূহত প্ৰকাশ পোৱা তেওঁৰ সেই বাস্তৱ চিত্ৰণ মনোজ্ঞ আছিল।

ইমেইল- neevarani11@gmail.com

## গোপাল জালানৰ ইতিবাচক



ধীৰাজ কুমাৰ ডেকা

**এজন** পঢুৱৈ হিচাপে আপুনি কিতাপখনৰ লেখাবোৰত উপন্যাস বা গল্পৰ নিৰ্দিষ্ট নায়ক-নায়িকা নাপাব, কিন্তু সমগ্ৰ সমাজখনৰ বিভিন্ন চৰিত্ৰক আৱিষ্কাৰ কৰিব পাৰিব, ইতিবাচক দৃষ্টিৰে প্ৰতিটো বিষয়ক অন্তৰত ঠাই দিব পাৰিব। কাৰণ গোপাল জালানৰ লেখাবোৰে সাধাৰণ উপন্যাস বা গল্পৰ চৰিত্ৰবোৰৰ দৰে সমাজক প্ৰতিনিধিত্ব নকৰে, বৰঞ্চ এওঁৰ লেখাই সমাজৰ প্ৰায় প্ৰতিজন মানুহৰে প্ৰতিনিধিত্ব কৰে। ফলত প্ৰতিটো লেখাই সমাজজীৱনলৈ কিছু বাৰ্তা কঢ়িয়াই নিয়ে। ইয়ে জালান ৰ লেখাৰ বিশেষত্ব।

চুটি চুটি লেখাৰে সমাজৰ বিভিন্ন দিশ, বিভিন্ন বিষয় চুই গৈছে এই 'ইতিবাচক' নামৰ গ্ৰন্থখনত থকা লেখাবোৰে। অৱশ্যেই সংকলিত সকলোকেইটা লেখাই যে মই ভাল পাইছো তেনেও নহয়। তথাপি ৰতন টাটা সম্পৰ্কিত দেশৰ জনগণৰ হৃদয়ত ৰতন টাটাৰ লগতে হৰেকৃষ্ণ মহন্ত আৰু দেৱী প্ৰসাদ বাগডোগ্ৰা সম্পৰ্কিত লেখা কেইটা কিতাপখনত সংকলিত লেখাবোৰৰ অন্যতম এটা লেখা। তাৰ লগতে দৰ্শকৰ উদ্ভণ্ডালি ভৱিষ্যতৰ অশনি সংকেত, তেওঁ যি প্ৰতিবাদী কথাৰে সমাজৰ ভুল দিশবোৰ ফঁহীয়াই দিছে তাত সকলো ভাল নাগৰিকে যে সহমত দিব সেয়া কিন্তু সঁচা। কিন্তু লেখাটোত একেলগে এচাম শীৰ্ষত থকা শিল্পীক এই বিজতৰীয়া সংস্কৃতিৰ বিৰুদ্ধাচাৰণ কৰিবলৈ অনুৰোধ নহয়, সকীয়াই দিয়া উচিত আছিল। লেখাটোত সেয়া উল্লেখিত নহ'ল। তেনেদৰে 'ৰাস ভাওনা' বিষয়ক লেখাটোত যি প্ৰতিবাদী সুৰ প্ৰকাশ হৈছে, সিয়ে সমাজৰ সচেতন মানুহক সজাগ নিশ্চয় কৰিব।

'গৰুখুঁটি' প্ৰকল্পটো সঁচাকৈয়ে এক ইতিবাচক পদক্ষেপ। কিন্তু ৰাজনৈতিক মেৰপেচে তাক কিমানলৈ উধাব দিব সেয়াহে আমাৰ সকলোৰে লক্ষ্যণীয় হৈ আছে। সেই গৰুখুঁটিৰ স'তে নিৰ্মাণ হ'ব লগা পুৰণিকলীয়া মন্দিৰটোৰ কথাও আছে। ৰঙালী বিহু, ভোগালী বিহু, সাত বিহু সম্পৰ্কিত লেখা তিনিটাই সঁচাকৈয়ে চিন্তাৰ উদ্বেগ জন্মায়। যেনেদৰে আজিৰ যুৱচামে মাহ-হালধিৰে গা ধোৱাৰ কথা নাজানে, উৎসৱ মানে মদ-মাংসৰ কথাহে বুজে তেনে চাম যুৱক-যুৱতীৰ পৰিয়াল বিলাকতো এতিয়া বোধহয় আমাৰ সংস্কৃতিৰ চৰ্চা নোহোৱাৰ দৰে হৈছে। আজিও পিঠা-পনা ঘৰত কিছু নিজাকৈ কৰাৰ বাতাৱৰণ আছে যদিও দোকানৰ পৰা কিনি আনি ব্যৱহাৰ কৰিবলৈ আমি সকলোৱেই বাধ্য হৈছো। তথাপি যে বিহু বুলি ঘৰত এখন পিঠা বা এটা লাডু বা এবাটি চিৰা-দৈ খোৱাৰ যি সংস্কৃতি সেয়া এতিয়াও থকাটোৱেই আমাৰ অসমীয়াৰ বাবে সৌভাগ্যৰ কথা। বিহাৰী সম্প্ৰদায়ৰ মানুহখিনিয়ে ষট পূজাত বিভিন্ন ধৰণৰ ঠেকুৱা, উত্তৰ প্ৰদেশৰ মানুহখিনিয়ে ঘৰত বনাওক বা নবনাওক, বজাৰৰ পৰা কিনি হ'লেও তিলকুট পূজা পাৰ্বণত ব্যৱহাৰ কৰাটো শলাগিবলগীয়া। কিন্তু আমি অসমীয়া সকলে কি কৰিছো। জালানে তাকেই আঙুলিয়াই দিছে লেখাৰ জৰিয়তে। এতিয়া বজাৰত ম'বাইল মেজি, বা ভেলাপুজিও উভৈনদী। বটদ্ৰৱা থানৰ হোলী সম্পৰ্কিত কথা খিনি পঢ়ি ভাল লাগিল। মই বৰপেটাৰ হোলীত সান্ধ্য বাতৰিত কাম কৰি থাকোতেই গৈ পাইছো। সেই উৎসৱৰ উৎসাহ-উদ্দীপনা মই উপভোগ কৰিছো।

সংকলিত হৈছে গুৱাহাটীৰ গ্ৰন্থ মেলাৰ কথা, বৈষ্ণো দেৱী দৰ্শনৰ কথা, ভ্ৰাম্যমাণ থিয়েটাৰৰ কথা, পাণবজাৰৰ উপায়ুক্তৰ পুৰণি আৱাসৰ কথা। এই কেইটা লেখাত লেখকে অতি চমুকৈ নিজৰ দৃষ্টিভংগী উল্লেখ কৰাত কথাবোৰ যেন আধৰুৱা হৈ ৰ'ল তেনে লাগিছে। অৱশ্যেই পুৰণি উপায়ুক্তৰ আৱাসৰ কথা ফঁহীয়াই লেখিছে। হয়, সকলোবোৰেই সুন্দৰকৈ সজাই পৰাই তুলিছে। ভাল লগা হৈছে সকলো খিনি। তাত বৃহৎ পানী টেংকীটোৰ ওপৰত লাইট এণ্ড ছাউণ্ডৰ জৰিয়তে শৰাইঘাটৰ ৰণৰ তথ্য চিত্ৰ এখন দেখাব পাৰিলে বেছি ভাল হ'লহেঁতেন।

ইয়াৰ উপৰি বিভিন্ন চৰকাৰী কামকাজৰ বিষয়ত বিভিন্ন লেখাৰে তেওঁ মতামত দাঙি ধৰিছে। ইয়াৰ ভিতৰত চৰকাৰে সকলো বিভাগ একে ঠাইতে নিৰ্মাণ কৰাৰ বিষয়ত মই বহু বছৰ আগতে কৰবাত লেখিছিলো, ভাল লাগিল সেইবোৰ এতিয়া হ'বলৈ ধৰিছে। তাৰ বিপৰীতে পিতৃ-মাতৃৰ স'তে থাকিবলৈ ছুটী দিয়া, আদৰ্শ থানা, জাহাজ দুৰ্ঘটনা এইবোৰে ৰাইজকো সচেতন নকৰে, চৰকাৰেও মুৰপোলোকাহে মাৰে।

সংকলনটোত সংকলিত হৈছে ভৱেন্দ্ৰনাথ শইকীয়াৰ সৃষ্টিকৰ্মৰ পৰ্যালোচনাৰ আৱশ্যকতাৰ কথা আৰু একেদৰেই আলোচিত হৈছে বৰাক উপত্যকাৰ অসমীয়া ভাষা-বিদ্বেষীৰ বিষয়ত লেখা।

কিতাপখনত ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ, শ্ৰীলংকাৰ কাহিনীৰে লেখকে আন্তঃৰাষ্ট্ৰীয় বিষয়কো সাঙুৰি লৈছে। ড্ৰাগছ সম্পৰ্কিত দুটা লেখাৰে তেওঁ তেওঁৰ দৃষ্টিভংগী উল্লেখ কৰিছে। আৰু সুচতুৰ লেখক হিচাপে তেওঁ লেখাটোত এনকাউন্টাৰৰ কথাটো আঁতৰাই থৈ পুলিচৰ কৰ্তব্য নিষ্ঠাৰ কথা উনুকিয়াই দিছে।

তাৰ উপৰি সমাজ ব্যৱস্থাৰ আন কে'বাটাও লেখাৰে সমৃদ্ধ হৈছে এই শেহতীয়া সংকলনখন। বৰ্তমান বজাৰত উপলব্ধ এই সংকলনখন।

১৯২ পৃষ্ঠাৰ পকাবন্ধা এই ইতিবাচক কিতাপখনৰ প্ৰকাশক গুৱাহাটীৰ বিশাল প্ৰকাশন। ২৫০ টকা মূল্যৰ কিতাপখনৰ আকৰ্ষণীয় বেটুপাত আঁকিছে মনজিত মালাকৰে।

ফোনঃ ৮২৫৫০৩০৮৮৪


## পুণ্য দেৱীৰ বীৰ প্ৰসৱিনী ৰাঙলী



ড° অজিত কুমাৰ চৌধুৰী

**প্ৰসিদ্ধ** লেখিকা পুণ্য দেৱীৰ সদ্যপ্ৰকাশ প্ৰাপ্ত 'বীৰ প্ৰসৱিনী ৰাঙলি' নামৰ বুৰঞ্জীমূলক উপন্যাসখন পঢ়ি আপ্লুত হ'লো। আমাৰ স্কুলীয়া দিনৰ অসমীয়া পাঠ্যপুথিৰ কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা 'ৰাঙলী বুঢ়ীৰ দান'ৰ সজীৱ স্মৃতি আৰু পুথিখনত সন্নিৱিষ্ট লেখিকাৰ আগকথাখিনিয়ে আমাক এক বিশেষ ধৰণে অভিৰোচিত আৰু সন্মোহিত কৰি তোলাৰ বাবে পুথিখন অধিক আগ্ৰহেৰে কম সময়ৰ ভিতৰত পঢ়া হ'ল। একনিষ্ঠ লক্ষ্য আৰু সুদীৰ্ঘ দিনৰ আন্তৰিক প্ৰচেষ্টা, অধ্যয়নেৰে প্ৰস্তুত কৰি উলিওৱা লেখিকাৰ মানসৰ পুথিখনত মসৃণ, সাৱলীল আৰু পাঠকৰ বাবে উৎসুকতা বৰ্ধক উপাদানৰ সমৃদ্ধতাৰে লেখিকাৰ উচ্চ মানৰ উপস্থাপন শৈলী অতি স্পষ্টভাৱে পৰিস্ফুত হৈছে। উপন্যাসখনত লেখিকাই সূত্ৰধৰৰ ৰূপত বনজাক সৃষ্টি কৰি ঘটনাৰাজিৰ গতিশীলতা আৰম্ভণিৰ পৰা শেষলৈ অতি সুষমভাৱে বজাই ৰাখিছে; এক কথাত ইয়ে এক অনন্য মাত্ৰাৰ সংযোগ ঘটাই পাঠকক পটভূমিৰ পৰিস্থিতিৰ অৱলোকন কৰাই তেওঁলোকক ঘটনাক্ৰমৰ মাজেৰে নিবিড়ভাৱে আগবঢ়াই নিবলৈ সক্ষম হৈছে। পুথিখনৰ বিষয় বস্তুয়ে আহোম সাম্ৰাজ্যৰ শেষৰ কালৰ ৰজাসকলে দেশপ্ৰেম নেওচি কৰা ভোগ সৰ্বোচ্চ অধোঃপতনসমূহ; ৰাজ সিংহাসনৰ বাবে ৰাজ পৰিয়াল আৰু স্বৱংশৰ মাজত খোৱা কামোৰা, প্ৰজাহিতকৰ কামৰ চিন্তাবিহীনতা; ৰাজ পৰিয়ালৰ দুৰ্বলতাৰ সুযোগ লৈ ৰাজ্যখনৰ কিছু বিষয়ববীয়াই ষড়যন্ত্ৰ আৰু দেশদ্ৰোহীতা ৰচনা কৰা; বদন বৰফুকনৰ নিচিনা ধিক মানসিকতা; ধৰ্মক লৈ হোৱা বিবাদ, দায়িত্বহীন ৰজাৰ কৰ্মৰ বাবে প্ৰজাৰ অসন্তুষ্টি; মোৱামৰীয়া বিদ্ৰোহৰ হেতু আৰু ইয়াৰ কুফলসমূহ আদি কথাবোৰ অকাৰ্পণ্যতাৰে দাঙি ধৰি পাঠকক শেহৰ পিনৰ আহোম শাসন কালৰ কিছু নেতিবাচক দিশ উদঙাই দিবলৈ সক্ষম হৈছে। তাৰ বিপৰীতে ৰাজতন্ত্ৰত নিয়োজিত সাধাৰণ প্ৰজাবৰ্গৰ দেশৰ প্ৰতি, ৰজাৰ প্ৰতি থাকিবলগীয়া আনুগত্য আৰু দায়বদ্ধতা গজমুৰা, তেওঁৰ পিতৃ বাঘমৰীয়া, ঘৈণীয়েক ৰাঙলী আৰু পুত্ৰ ৰঙামুৰাৰ চৰিত্ৰৰ মাজেৰে অতি প্ৰাঞ্জলভাৱে উপস্থাপন কৰিছে। শান্তিপূৰ্ণ ৰাইজে যে যুদ্ধৰ প্ৰতি বিতৰাগ; কিন্তু নিজৰ দেশ ৰক্ষাৰ বাবে নিজৰ জীৱনকো তুচ্ছ কৰি বলিদান দিবলৈ সংকোচ নকৰে তাক বৰ সুন্দৰকৈ দেখুৱাইছে। কাহিনীৰ নায়িকা ৰাঙলীৰ মাজেৰে দেশপ্ৰেমী নাৰীয়ে যি দেশ ৰক্ষাৰ বাবে নিজৰ স্বামী, নিজৰ একমাত্ৰ পুত্ৰকো যুদ্ধলৈ নিৰ্ভীকভাৱে আগবঢ়াই দিব পাৰে তাক স্পষ্টকৈ প্ৰকাশ কৰিছে। নাৰী সমাজক ভোগৰ সামগ্ৰী হিচাপে লোৱা ৰজাৰ কুৎসিত মানসিকতাৰ বলি হৈ আজীৱন অনুতপ্ততাৰে ৰাজকাৰেঙত বেদনাময় দিন পাৰ কৰাৰ গাঁথা কুৰংগনয়নী ৰাণীৰ কথোপকথনত সাক্ষী হিচাপে ওলাই পৰিছে। সাধাৰণ নাৰীৰো যে স্বাভিমান থাকিব পাৰে আৰু এনে নাৰীয়ে নিজস্ব লক্ষ্যত অবিচলিত হৈ থাকি সফলভাৱে লক্ষ্যত উপনীত হ'ব পাৰে তাৰ নিদৰ্শন কাহিনীৰ নায়িকা ৰাঙলীৰ চৰিত্ৰৰ মাজেৰে স্পষ্টভাৱে ওলাই পৰিছে। পুথিখনৰ সামৰণিত লেখিকাই জামুগুৰি চাপৰি, ৰঙাজানৰ শৌৰ্য, গৌৰৱময় স্মৃতি খোদিত কৰি পাঠকৰ অন্তৰত এক খোদিত কৰি পাঠকৰ অন্তৰত এক ঐতিহাসিক স্মৃতিস্তম্ভ নিৰ্মাণ কৰাত সাৰ্থক হৈছে। এক উচ্চ খাপৰ সাহিত্যিক সমল হোৱাৰ উপৰি পুথিখন নিশ্চিতভাৱে এক ঐতিহাসিক দলিল হিচাপে পাঠক সমাজৰ পৰা স্বীকৃতি পাব। লেখিকা পুণ্য দেৱীলৈ অভিনন্দন আৰু শুভেচ্ছা জনাইছো।

## সিন্ধুমণি শৰ্মাৰ কাব্যগ্ৰন্থ শ্বহীদ হ'বলৈ ওলালো



প্ৰদীপ কুমাৰ বৰ্মন

**বৰ্ণিল** হৃদয়ৰ স্বৰ্ণীল বাণীৰ দ্বাৰা অভিজ্ঞতালব্ধ হৈ বিচিত্ৰ ধৰাৰ প্ৰায় প্ৰতিবিধ সম্পদকে কাব্যৰসেৰে সঞ্জীৱিত কৰি আলংকাৰিক কাব্যসত্তা আৰু আজন্ম সাধনাৰ বাংময় চিত্ৰৰ সমাহাৰেই প্ৰতিভাধৰ কবি সিন্ধুমণি শৰ্মাৰ সৃষ্টি প্ৰথম কাব্য সংকলন 'শ্বহীদ হ'বলৈ ওলালো'। বাস্তৱ আৰু কল্পনাৰ ৰূপসজ্জাৰে আলোকিত কবিতাবোৰত সমন্বয় ঘটিছে ভাবৰ স্ফুৰণ। কবিৰ মন গহনত দোলা দি থকা ভাববোৰ নিগৰি নিগৰি ওলাই জন্ম হৈছে একোটা চিত্তাকৰ্ষক কবিতাৰ। য'ত আছে ভাষাৰ লালিত্য, শব্দৰ মাধুৰ্য আৰু প্ৰকাশভংগীৰ নিপুণতা। জটিলতা পৰিহাৰ কৰি কবিয়ে পাঠকৰ সহজবোধ্য কৰি তুলিবলৈ অকণো কাৰ্পণ্য কৰা নাই। বিষয়বস্তুৰ পৰা আঁতৰি নোযোৱা বাবে হয়তো কবিতাবোৰ হৈছে কবিতা কবিতা লগা। কেতিয়াবা প্ৰত্যক্ষ আৰু কেতিয়াবা পৰোক্ষভাৱে প্ৰকাশ পাইছে কথনশৈলীৰ মধুৰতা, যাৰ বাবে পঢ়িলে পঢ়িবলৈ মন যায় কবিতাবোৰ। সৰ্বমুঠ ৫৩টা কবিতা সন্নিৱিষ্ট কবিতা পুথিখনৰ কবিতাবোৰে বহন কৰিছে স্মৃতিৰ কাতৰতা, অন্তৰ্দৃষ্টিৰ সংবেদন, উত্তৰ পুৰুষৰ প্ৰোজ্জ্বল চিত্ৰ, দেশপ্ৰেমৰ মূৰ্ত প্ৰকাশ আৰু জীৱন বীক্ষাৰ জ্বলন্ত ছবি। কবিয়ে হৃদয়েৰে প্ৰেম অনুধাবন কৰি সৰ্বস্ব উজাৰি প্ৰেমৰ এখন নিটোল ছবি অংকন কৰিছে 'তোমাৰ বাবেই এই কবিতা' শীৰ্ষক কবিতাত এনেদৰে— 'তাহানিতে সাজিছিলো/প্ৰতিশ্ৰুতিৰ কাৰেংঘৰ/মিলি যাম যেন/বোঁৱতী নদীৰ দৰে।' কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বৰণীয়া জীৱন চিত্ৰ চমু অথচ প্ৰাঞ্জলকৈ প্ৰকাশ কৰিছে 'তুমি বিষ্ণু ৰাভা' কবিতাত এইদৰে— 'বিষ্ণু ৰাভা/দেশৰ ন প্ৰজন্মৰ/এক উজ্জীৱিত নাম।' দেহ আৰু দহৰ বাবে জীৱন উছৰ্গা কৰা ছহিদৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপনৰ অৰ্থে 'শ্বহীদ হ'বলৈ ওলালো' কবিতাত কবিয়ে ছহিদৰ ৰূপত নিজকে কল্পনা কৰি কৈছে— 'আই, যাবলৈ ওলালো আজি/তোৰ বুকুৰ মাজৰ পৰা/বুকু উকা কৰি/সেই অজান দেশলৈ।' কবিতাৰ কাব্যিক অলংকাৰৰ আৰু বৈশিষ্ট্য অটুট ৰাখি প্ৰকাশ কৰা কবিতা পুথিখনৰ বেটুপাত অৰ্থবহ আৰু দৃষ্টিনন্দন। সাহিত্য সাধনা মঞ্চ, অসমে প্ৰকাশ কৰা পুথিখনৰ অৰিহণা মাত্ৰ ১৫০/ টকা। কবিতা অনুৰাগীয়ে পুথিখন গ্ৰহণ কৰিলে সাৰ্থক হ'ব কবিৰ শ্ৰম।

**ভাৰতৰ বিচাৰ বিভাগৰ ভৱিষ্যতৰ সন্দৰ্ভত পুনৰ উদ্বেগ প্ৰকাশ কৰিলে ৰামানাই**

# প্ৰতি সপ্তাহত এশটা গোচৰৰ শুনানি গ্ৰহণ সম্ভৱ নেকি ঃ দেশৰ মুখ্য ন্যায়াধীশৰ প্ৰশ্ন



**নিউজ ব্যুৰ' ৰাঁচী, ২৪ জুলাই ঃ** পুনৰ কেন্দ্ৰীয় চৰকাৰক কঠোৰ বাৰ্তা দিলে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই। শনিবাৰে ৰাঁচীত নেচনেল ইনষ্টিটিউট অব্ ষ্টাডি এণ্ড ল'ত আয়োজিত এক স্মাৰক বক্তৃতাত বিচাৰ বিভাগৰ ভৱিষ্যতৰ সন্দৰ্ভত পুনৰ উদ্বেগ প্ৰকাশ কৰিলে দেশৰ মুখ্য ন্যায়াধীশে। ন্যায়াধীশসকলৰ কাম-কাজৰ বোজা অধিক হৈছে বুলি অভিযোগ কৰি ৰামানাই কয়, 'প্ৰতি সপ্তাহত এশটাকৈ গোচৰৰ বাবে প্ৰস্তুতি চলোৱা সহজ কথা নেকি? আমি ছুটিৰ দিনতো কাম কৰো। আমি মধ্য নিশাও কাম কৰো। মই আজি এই কথা ক'বলৈ বাধ্য হৈছো যে বিচাৰ ব্যৱস্থাৰ ভৱিষ্যতক লৈ মই উদ্বিগ্ন। বিচাৰ বিভাগৰ সামগ্ৰিক বোজা কমোৱাৰ কোনো লক্ষ্য, পৰিকল্পনা কিম্বা সদিচ্ছা প্ৰত্যক্ষ হোৱা নাই।' উল্লেখ্য যে কিছুদিন পূৰ্বে জয়পুৰতো এখন সভাত অংশ লোৱাৰ সময়ত দেশৰ মুখ্য ন্যায়াধীশ ৰামানা আৰু আইন মন্ত্ৰী কিৰেন ৰিজিজুৰ মাজত মতান্তৰ স্পষ্ট হৈছিল। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰামানাৰ অৱসৰৰ সময় যিমানে কাষ চাপি আহিছে, সিমানে তেওঁ চৰকাৰক লক্ষ্য হিচাপে লৈ বিভিন্ন প্ৰসংগত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি আহিছে। অহা মাহত ৰামানাই অৱসৰ গ্ৰহণ কৰিব। মুখ্য ন্যায়াধীশজনে ৰাঁচীত ভাষণ প্ৰসংগত কয় যে নিৰপেক্ষতা আৰু স্বাধীনতা এক বিশেষ মানসিকতা। দেশত বিভিন্ন ঘটনা আৰু গোচৰৰ ক্ষেত্ৰত একাংশ সংবাদ মাধ্যমে সমান্তৰাল বিচাৰ প্ৰক্ৰিয়া চলোৱা বুলিও মুখ্য ন্যায়াধীশজনে অভিযোগ কৰে। একাংশ সংবাদ মাধ্যমে নিজে শুনানি গ্ৰহণ কৰি বিভিন্ন প্ৰসংগত ৰায় দি আহিছে বুলিও ৰামানাই সংবাদ মাধ্যমক সমালোচনা কৰে। ৰামানাই লগতে কয় যে ৰাজনীতিত জড়িত হোৱাৰ ইচ্ছা তেওঁৰ প্ৰবল আছিল যদিও অদৃষ্টৰ দোষত তেওঁ ৰাজনৈতিক হ'ব নোৱাৰিলে।

## ভাৰতৰ বিচাৰ ব্যৱস্থা সবাতোকৈ সুৰক্ষিত, ৰামানাৰ উদ্বেগক লৈ মন্তব্য ৰিজিজুৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুলাই ঃ** সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰিছিল দেশৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই। একাংশ সংবাদ মাধ্যমে ন্যায়াধীশৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে কুৎসা ৰটনাৰ ফলত বিচাৰ কৰাৰ পূৰ্বে ন্যায়াধীশে দুবাৰ ভাবিবলৈ বাধ্য হৈছে বুলি ৰামানাই মন্তব্য কৰিছিল। দেশৰ মুখ্য ন্যায়াধীশৰ উক্ত বক্তব্যৰ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ভাৰতৰ বিচাৰ ব্যৱস্থা সবাতোকৈ সুৰক্ষিত আছে আৰু ন্যায়াধীশসকলে স্বাধীনভাৱে সিদ্ধান্ত ল'ব পাৰে। যোৱা শনিবাৰে এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত সামাজিক মাধ্যমৰ নেতিবাচক প্ৰভাৱ সন্দৰ্ভত মন্তব্য কৰিছিল ৰামানাই। মুখ্য ন্যায়াধীশৰ বক্তব্য প্ৰকাশ্য হোৱাৰ পাছত কেন্দ্ৰীয় আইন মন্ত্ৰীয়ে কয়, 'ভাৰতৰ বিচাৰ ব্যৱস্থা আৰু ন্যায়াধীশসকল সম্পূৰ্ণ নিৰাপদ স্থানত আছে। মই সজোৰে ক'ব পাৰো, পৃথিৱীৰ আন কোনো দেশত ভাৰতৰ দৰে স্বাধীন বিচাৰ ব্যৱস্থা নাই।' ৰিজিজুৱে লগতে কয় যে ন্যায়াধীশজনে আচলতে সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনা কৰি নিজৰ মতামত ব্যক্ত কৰিছিল। 'সমগ্ৰ পৃথিৱীতে মিডিয়া ট্ৰায়েলৰ ঘটনা সংঘটিত হৈছে। এনে পৰিপ্ৰেক্ষিতত মন্তব্য কৰিছে মুখ্য ন্যায়াধীশে। কিন্তু তেওঁৰ মন্তব্য সন্দৰ্ভত মই এতিয়াই একো ক'ব নিবিচাৰো।' ৰিজিজুৱে লগতে এইদৰে কয়। উল্লেখ্য যে অহা মাহত ৰামানাই অৱসৰ গ্ৰহণ কৰিব।

## পাকিস্তানত সেনাৰ অভিযানত তিনি সন্ত্ৰাসবাদী ধৰাশায়ী



**নিউজ ব্যুৰ' ইছলামাবাদ, ২৪ জুলাই ঃ** পাকিস্তানত নিৰাপত্তা বাহিনীয়ে দেশখনৰ উত্তৰ ৱাজিৰিস্তানৰ উত্তৰ-পশ্চিম আদিবাসী জিলাত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলাই তিনিজন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰিলে। সেনাই উক্ত অঞ্চলৰ পৰা আন চাৰিজন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে। পাকিস্তানী সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, চোৰাংচোৱাৰ পৰা তথ্য লাভৰ পাছত উত্তৰ ৱাজিৰিস্তানৰ আদিবাসী জিলাত সন্ত্ৰাসবাদীৰ সন্ধানত নিৰাপত্তা বাহিনীয়ে অভিযান চলাইছিল। মৃত আৰু ধৃত সন্ত্ৰাসবাদীকেইজনৰ পৰা অস্ত্ৰ-শস্ত্ৰৰ লগতে বৃহৎ পৰিমাণৰ বিস্ফোৰক জব্দ কৰা হৈছে বুলি সেনাই জানিবলৈ দিয়ে।

## এইবাৰ ৱাশ্বিংটনত বন্দুকধাৰীৰ আক্ৰমণত এজনৰ মৃত্যু, আহত পাঁচ


**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ জুলাই ঃ** পুনৰ বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে আমেৰিকাত। এইবাৰ ৱাশ্বিংটনত বন্দুকধাৰীৰ তাণ্ডৱত প্ৰাণ হেৰুৱালে এজন লোকে। এই ঘটনাত কমেও পাঁচজন লোক গুৰুতৰভাৱে আহত হৈছে। কি কাৰণত বন্দুকধাৰীয়ে গুলিবৰ্ষণ কৰিছিল সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ৱাশ্বিংটনৰ ৰেণ্টন অঞ্চলত শনিবাৰে নিশা এক বজাত গুলিবৰ্ষণৰ খবৰ লাভ কৰি আৰক্ষীয়ে অঞ্চলটোত উপস্থিত হৈছিল। আৰক্ষীৰ আগমনৰ পূৰ্বে বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰি অঞ্চলটোৰ পৰা পলায়ন কৰিছিল। উল্লেখ্য যে বিগত কে'বামাহ ধৰি বন্দুকধাৰীয়ে আমেৰিকাৰ বিভিন্ন অঞ্চলত জধে- মধে গুলিবৰ্ষণৰ ঘটনা সংঘটিত কৰি আহিছে।



# স্মৃতিৰ পদত্যাগ দাবী কংগ্ৰেছৰ, ইৰানীৰ মন্তব্য ঃ ৰাহুলক আমেথিলৈ পঠাওক, পুনৰ হাৰিব




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুলাই ঃ** কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰানীৰ বিৰুদ্ধে শনিবাৰে কংগ্ৰেছে গুৰুতৰ অভিযোগ উত্থাপন কৰি কৈছিল যে মন্ত্ৰীগৰাকীৰ কন্যাই অবৈধভাৱে গোৱাত এখন ৰেস্তোঁৰা বাৰ চলোৱাৰ বাবে অনুজ্ঞাপত্ৰ অৰ্জন কৰিছিল। কংগ্ৰেছ নেতাই উত্থাপন কৰা অভিযোগ অনুসৰি গোৱাত স্মৃতি কন্যাৰ দ্বাৰা পৰিচালিত ৰেস্তোঁৰাত এখন পানশালা আছে আৰু ইয়াৰ বাবে স্মৃতিৰ কন্যাই অপকৌশল অৱলম্বনৰে অনুজ্ঞাপত্ৰ লাভ কৰিছিল। উক্ত অনুজ্ঞাপত্ৰ এনে এজন ব্যক্তিৰ নামত প্ৰদান কৰা হৈছিল যিজন ব্যক্তিৰ ২০২১ৰ মে'ত মৃত্যু হৈছিল আৰু এই অনুজ্ঞাপত্ৰ ২০২২ৰ জুনত জাৰি কৰা হৈছিল। উক্ত ব্যক্তিৰ নামতে স্মৃতি কন্যাই পানশালাৰ অনুজ্ঞাপত্ৰ লৈছিল বুলি কংগ্ৰেছ নেতাই কালি দাবী কৰিছিল। কংগ্ৰেছৰ এনে অভিযোগক ভিত্তিহীন অভিহিত কৰি মন্ত্ৰী ইৰানীয়ে কয় যে তেওঁ প্ৰায়ে ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে সংবাদমেল পাতি অহা হেতুকে কংগ্ৰেছে তেওঁৰ কন্যাক বদনাম কৰাৰ লক্ষ্য হিচাপে গ্ৰহণ কৰিলে। ইৰানীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মোৰ সন্তানৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱা কংগ্ৰেছীসকলক মই এই কথাই ক'ব বিচাৰো যে ৰাহুল গান্ধীক ২০২৪ত আমেথিত লোকসভাৰ নিৰ্বাচন খেলিবলৈ পঠাওক আৰু তেওঁ পুনৰ পৰাজিত হ'ব। মই তেওঁলোকক আদালতত প্ৰত্যুত্তৰ দিম।' উল্লেখ্য যে মন্ত্ৰী ইৰানীৰ পক্ষত থিয় দিলে শিৱসেনাৰ সাংসদ তথা কংগ্ৰেছৰ প্ৰাক্তন মুখপাত্ৰ প্ৰিয়ংকা চতুৰ্বেদীয়ে। টুইট কৰি প্ৰিয়ংকাই কয় যে ১৮ বছৰীয়া ছোৱালীয়ে ভাৰতত কেনেকৈ ৰেস্তোঁৰা ব্যৱসায়ৰ অনুজ্ঞাপত্ৰ লাভ কৰিব পাৰি সেই কথা নাজানে আৰু যদিহে কোনো ছোৱালীয়ে নিজৰ স্বপ্ন পূৰণ কৰিবলৈ এনে কাম কৰিছে, তেন্তে সেয়া ভুল হ'ব নোৱাৰে। প্ৰিয়ংকাই লগতে কয় যে ১৮ বছৰীয়া ছোৱালীক এইদৰে কংগ্ৰেছে বদনাম কৰা অনুচিত।



## অগ্নিপথ আঁচনিৰ অধীনত নৌসেনাত তিনি লাখৰ নিযুক্তিৰ আবেদন

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুলাই ঃ** ভাৰতীয় নৌসেনাই অগ্নিপথ আঁচনিৰ অধীনত নিযুক্তিৰ বাবে যোৱা শুকুৰবাৰলৈকে ৩.০৩ লাখ আবেদন লাভ কৰিলে। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ভাৰতীয় নৌসেনাই অগ্নিপথ আঁচনিৰ অধীনত যোৱা দুই জুলাইৰ পৰা ভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ মুখপাত্ৰই টুইট কৰি এইদৰে কয়, 'ভাৰতীয় নৌসেনাই অগ্নিবীৰ আঁচনিৰ বাবে ২২ জুলাইলৈকে ৩,০৩,৩২৮ প্ৰাৰ্থীৰ পৰা আবেদন লাভ কৰিছে।' ২০,৪৯৯ মহিলা প্ৰাৰ্থীয়েও অগ্নিবীৰৰ অধীনত নৌসেনাত নিযুক্তিৰ বাবে আবেদন দাখিল কৰিছে।

## দৈনিক সংক্ৰমণ ২০ হেজাৰৰ উৰ্দ্ধতে, মৃত্যু ৩৬ ৰোগীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুলাই ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ দেওবাৰে ২০ হেজাৰৰ ঘৰতে থাকিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ২০,২৭৯ জন লোক ক'ভিড সংক্ৰমিত হ'ল। এই মুহূৰ্তত ভাৰতত এক লাখ ৫২ হেজাৰ ২০০ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, বিগত এদিনত ক'ভিডত ৩৬ জন ৰোগীৰ দেশত মৃত্যু হ'ল। পশ্চিমবংগত সাত, কেৰালাত সাত, মহাৰাষ্ট্ৰত পাঁচ, হিমাচল প্ৰদেশত চাৰি, জম্মু-কাশ্মীৰত দুজন, বিহাৰত দুজন আৰু দিল্লী, ওড়িছা, চত্তিছগড়, পুডুচেৰী, নগালেণ্ড, মেঘালয়, ত্ৰিপুৰা, অসম, গুজৰাটত এজনকৈ ৰোগীৰ যোৱা ২৪ ঘণ্টাত মৃত্যু হ'ল।

## সংখ্যালঘুক ধাৰাবাহিক আক্ৰমণ, দেশজুৰি প্ৰতিবাদ বাংলাদেশী হিন্দুৰ

**নিউজ ব্যুৰ', ঢাকা, ২৪ জুলাই ঃ** বাংলাদেশত হিন্দুৰ ওপৰত ধাৰাবাহিকভাৱে আক্ৰমণৰ ঘটনা সংঘটিত হৈ আহিছে। এই অভিযোগত বাংলাদেশজুৰি প্ৰতিবাদত অংশ ল'লে দেশখনৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ লোকে। ঢাকাৰ শ্বাহবাগসহ বিভিন্ন অঞ্চলত শান্তিপূৰ্ণ প্ৰতিবাদ সাব্যস্ত কৰিলে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলে। যোৱা শুকুৰবাৰে চিতাগাঙৰ হিন্দুৰ ওপৰত হোৱা নিৰ্যাতনৰ বিৰুদ্ধে সংখ্যালঘু সম্প্ৰদায়ৰ লোকে ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই বিষয়ৰ খবৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছতে ক্ষোভত ফাটি পৰে বাংলাদেশৰ হিন্দু নাগৰিকসকল। প্ৰতিবাদকাৰীসকলে স্পষ্টভাৱে কয় যে ধৰ্মনিৰপেক্ষ দেশ এখনত এই ধৰণৰ সাম্প্ৰদায়িক হিংসাৰ ঘটনা কেতিয়াও মানি ল'ব নোৱাৰি। দেশৰ হিন্দুসকলৰ নিৰাপত্তা নিশ্চিত নোহোৱালৈকে প্ৰতিবাদী আন্দোলন অব্যাহত ৰখা হ'ব বুলিও 'হিন্দু সংবাদ' নামৰ এটা সংগঠনে ঘোষণা কৰিছে।



# ঋণত ডুবিছে পাকিস্তান, দেশীয় সম্পদ বিক্ৰীৰ বাবে অধ্যাদেশ চৰকাৰৰ

**নিউজ ব্যুৰ' ইছলামাবাদ, ২৪ জুলাই ঃ** বিগত কে'বাসপ্তাহ ধৰি ইন্ধন সংকটত জৰ্জৰিত হৈছে পাকিস্তান। যিকোনো মুহূৰ্ততে পাকিস্তানত উদ্ভৱ হ'ব পাৰে শ্ৰীলংকা সদৃশ পৰিস্থিতি। পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ আশংকা অনুসৰি অচিৰে শ্ৰীলংকাৰ দৰে পাকিস্তানৰ ৰাজপথতো প্ৰতিবাদী জনতাই উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰিব। এনে এক পৰিস্থিতিতে দেশৰ সম্পত্তি বিক্ৰীৰ পদক্ষেপ গ্ৰহণ কৰিব বিচাৰিছে পাকিস্তানৰ শ্বাহবাজ শ্বৰীফ চৰকাৰে। শনিবাৰে ইয়াৰ বাবে এখন বিশেষ অধ্যাদেশ জাৰি কৰিলে শ্বৰীফ চৰকাৰে। এই নতুন অধ্যাদেশ জাৰি কৰাৰ ফলত জৰুৰীকালীন পৰিস্থিতিত দেশৰ সম্পত্তি বিদেশক বিক্ৰী কৰাৰ সময়ত কোনোবাই ইয়াৰ প্ৰতিবাদত কোনো আবেদন দাখিল কৰিলে সেয়া আদালতে গ্ৰাহ্য নকৰিব। শ্বৰীফ চৰকাৰে দুই বিলিয়নৰ পৰা আঢ়ৈ বিলিয়ন মাৰ্কিন ডলাৰৰ বিনিময়ত দেশৰ তেল আৰু গেছ সংস্থাৰ শ্বেয়াৰ আৰু চৰকাৰী বিদ্যুৎ উৎপাদন কেন্দ্ৰ সংযুক্ত আৰব আমিৰছাহিত বিক্ৰী কৰিবলৈ প্ৰস্তুত হৈছে। ইয়াৰ পূৰ্বে শ্বৰীফ চৰকাৰে দেশৰ সম্পদ বিদেশক বিক্ৰীৰ বাবে এই নতুন অধ্যাদেশ জাৰি কৰিলে। যোৱা মে'তে আৰবৰ দেশখনে কৈছিল যে পুৰণি ঋণ পৰিশোধ কৰিব নোৱাৰাত পাকিস্তানত আৰবে কোনো ধৰণৰ বিত্তীয় সাহায্য প্ৰদান কৰিব নোৱাৰিব। এনে পৰিস্থিতিত ঋণ পৰিশোধ কৰিবলৈ দেশীয় সম্পত্তি বিক্ৰীৰ পদক্ষেপ গ্ৰহণৰ বিকল্প কাৰ্যত পাকিস্তানৰ হাতত নাই।




## কেলিফৰ্ণিয়াৰ অৰণ্যত ভয়াৱহ অগ্নিকাণ্ড, সহস্ৰাধিকক গৃহত্যাগৰ নিৰ্দেশ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২৪ জুলাই ঃ** কেলিফৰ্ণিয়াৰ য়'চেমিট ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰৰ অৰণ্যত সংঘটিত হোৱা অগ্নিকাণ্ডই শনিবাৰে ভয়াৱহ ৰূপ ধাৰণ কৰিলে। অগ্নিকাণ্ডৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত বসবাস কৰা সহস্ৰাধিক লোকক নিজৰ ঘৰ ত্যাগ কৰি সুৰক্ষিত স্থানত আশ্ৰয় গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিলে। প্ৰকাশিত বাতৰি অনুসৰি, চলিত বৰ্ষত কেলিফৰ্ণিয়াৰ অৰণ্যত সংঘটিত হোৱা অগ্নিকাণ্ডৰ এইটোৱে সবাতোকৈ ভয়াৱহ ঘটনা। অগ্নিকাণ্ডৰ ফলত অঞ্চলটোৰ ২,০০০ৰো অধিক বাসগৃহ আৰু উদ্যোগৰ বিদ্যুৎ সংযোগ কৰ্তৃপক্ষই কৰ্তন কৰিবলৈ বাধ্য হ'ল। শুকুৰবাৰে দুপৰীয়া উদ্যানৰ দক্ষিণ-পশ্চিম অঞ্চলত সূত্ৰপাত ঘটা অগ্নিকাণ্ডই শনিবাৰে ৪৮ বৰ্গকিলোমিটাৰ অঞ্চল ছাৰখাৰ কৰে। অগ্নিকাণ্ড নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনে হেলিকপ্টাৰ আৰু অন্যান্য বিমানো নিয়োগ কৰিছে।

## এইবাৰ দিল্লীত ধৰা পৰিল মংকীপক্সৰ সংক্ৰমণ, আক্ৰান্তৰ সংখ্যা চাৰিজনলৈ বৃদ্ধি

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুলাই ঃ** মংকীপক্সক লৈ ক্ৰমশঃ উদ্বেগ বৃদ্ধি পাইছে ভাৰতত। পুনৰ দেশত এজন মংকী ভাইৰাছত আক্ৰান্তৰ সন্ধান লাভ কৰা হ'ল। এইবাৰ দিল্লীত সংক্ৰমিত হ'ল এজন ব্যক্তি। বৰ্তমানলৈকে ভাৰতত চাৰিজন ব্যক্তিৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, দিল্লীত মংকীপক্সত সংক্ৰমিত হোৱা ব্যক্তিজনৰ বিদেশ ভ্ৰমণৰ স'তে কোনো সম্পৰ্ক নাই। ইয়াৰ পূৰ্বে কেৰালাত তিনিজন লোক মংকী পক্সত আক্ৰান্ত হৈছিল আৰু আটাইকেইজনে বিদেশ ভ্ৰমণৰ পৰা উভতি অহা লোক। বিদেশলৈ নোযোৱালৈকে দিল্লীত মংকীপক্সত এজন লোক সংক্ৰমিত হোৱাত এই ভাইৰাছৰ সংক্ৰমণক লৈ ত্ৰাস বৃদ্ধি পালে। প্ৰকাশিত বাতৰি অনুসৰি সম্প্ৰতি পশ্চিম দিল্লীৰ বাসিন্দা উক্ত ব্যক্তিয়ে মানালীত এটা পাৰ্টিত যোগদান কৰিছিল আৰু তেওঁৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণৰ উপসৰ্গ থকাত মৌলানা আজাদ মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। নমুনা পৰীক্ষণৰ পাছত ব্যক্তিজনৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ ধৰা পৰে।



## মুৰ্মুক শুভেচ্ছা ৰুছ ৰাষ্ট্ৰপতি পুটিনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুলাই ঃ** নিৰ্বাচনত জয়ৰ পাছত ভাৰতৰ পঞ্চদশ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক শুভেচ্ছা জনালে ৰাছিয়াল ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে। ৰুছ ৰাষ্ট্ৰপতিয়ে প্ৰেৰণ কৰা বাৰ্তাত এইদৰে উল্লেখ কৰা হৈছে, 'দীৰ্ঘদিন ধৰি ভাৰত-ৰাছিয়াৰ বিশেষ কৌশলগত সম্পৰ্কৰ ক্ষেত্ৰসমূহত আমি অগ্ৰাধিকাৰ দি আহিছো। আশা কৰো, ভাৰতৰ স'তে ৰাছিয়াৰ ৰাজনৈতিক আলোচনাসহ বিভিন্ন ক্ষেত্ৰত ফলপ্ৰসূ প্ৰতিযোগিতাৰ ক্ষেত্ৰত আপোনাৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ হ'ব। ফলত আন্তৰ্জাতিক নিৰাপত্তা বৃদ্ধি পাব।' মুৰ্মু ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ পাছতে মস্কোৰ এই সতৰ্কতাই কূটনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত ভাৰতক এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিলে।

## হাৰি-হাৰি জিকিল শ্বাহবাজৰ পুত্ৰ, হ'ল মুখ্যমন্ত্ৰী



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৪ জুলাই ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ পুত্ৰ হমজা শ্বাহবাজে শনিবাৰে দেশখনৰ পঞ্জাব প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত পাকিস্তানৰ পঞ্জাৱত মুখ্যমন্ত্ৰী পদৰ বাবে শুকুৰবাৰে উপ-নিৰ্বাচনত অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনত শ্বৰীফ পুত্ৰৰ জয় যথেষ্ট প্ৰত্যাহ্বানমূলক আছিল। ৰাজ্যৰ বিধানসভাৰ উপাধ্যক্ষই শ্বাহবাজৰ প্ৰতিদ্বন্দ্বীৰ সমৰ্থনত দিয়া ১০ টা ভোট প্ৰত্যাখ্যান কৰাৰ পাছত মাত্ৰ তিনিটা ভোটৰ ব্যৱধানত শ্বৰীফ পুত্ৰই জয়লাভ কৰে। অৱশ্যে শ্বাহবাজৰ দল পাকিস্তান মুছলিম লীগ-নৱাজৰ বিধানসভাত নিৰংকুশ সংখ্যাগৰিষ্ঠতা নাছিল, কিন্তু বিৰোধী নেতা চৌধুৰীৰ পাৰভেজ ইলাহীৰ ১০ টা ভোট নাকচ কৰাৰ পাছত শ্বাহবাজে পঞ্জাৱ প্ৰদেশৰ মুখ্যমন্ত্ৰী হোৱাৰ সুযোগ লাভ কৰিলে।

## ইজৰাইলত সেনাৰ আক্ৰমণত নিহত দুই পেলেষ্টাইনী



**নিউজ ব্যুৰ' জেৰুজালেম, ২৪ জুলাই ঃ** আজি ইজৰাইল অধিকৃত ৱেষ্ট বেংকত ইজৰাইলী সেনাৰ স'তে পেলেষ্টাইনী সেনাৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটে। এই সংঘৰ্ষত ইজৰাইলী সেনাৰ গুলিত দুজন পেলেষ্টাইনী নিহত হ'ল। ইফালে, ইজৰাইলে দাবী কৰা অনুসৰি নিহত দুই নাগৰিকৰ হাতত অস্ত্ৰ আছিল। আত্মৰক্ষাৰ কাৰণতে ইজৰাইলী সেনাই গুলিবৰ্ষণ কৰিবলৈ বাধ্য হৈছিল বুলিও দাবী কৰিছে।

# মমতা চৰকাৰে দেশত তৈয়াৰ কৰিলে কেলেংকাৰিৰ 'বেংগল মডেল' ঃ বিৰোধীৰ কটাক্ষ

**নিউজ ব্যুৰ' কলকাতা, ২৪ জুলাই ঃ** পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু তেওঁৰ চৰকাৰৰ মন্ত্ৰীয়ে ৰাজ্যবাসীক সুশাসনৰ পৰিৱৰ্তে উপহাৰ দি আহিছে এটাৰ পাছত আন এটা বিয়াগোম দুৰ্নীতি-কেলেংকাৰি। শেহতীয়াভাৱে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ তদন্তত পশ্চিমবংগত শিক্ষক নিযুক্তিৰ এক বৃহৎ কেলেংকাৰি ফাদিল হ'ল। শিক্ষক নিযুক্তিৰ এই কেলেংকাৰিত ৰাজ্যখনৰ দুজনকৈ মন্ত্ৰী জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰথমতে ৰাজ্যখনত শিক্ষা ৰাজ্যিক মন্ত্ৰী পৰেশ চন্দ্ৰ অধিকাৰী আৰু তেওঁৰ কন্যাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। শেহতীয়াভাৱে শিক্ষক নিযুক্তি কেলেংকাৰিত ই ডিয়ে মমতা চৰকাৰৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ কৰিলে। মমতা নেতৃত্বাধীন তৃণমূল কংগ্ৰেছৰ বিৰুদ্ধে দুৰ্নীতি-কেলেংকাৰিৰ অভিযোগ নতুন নহয়। পূৰ্বতে মমতা চৰকাৰৰ বিৰুদ্ধে অবৈধ পশু সৰবৰাহ, কয়লা, সাৰদা বিত্তীয় প্ৰৱঞ্চনা, ৰোজ ভেলী বিত্তীয় কেলেংকাৰিসহ একাধিক গুৰুত্বপূৰ্ণ দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছিল। পশ্চিমবংগৰ কয়লা কেলেংকাৰিত ১৩০০ কোটি টকা ৰাজ্যখনৰ একাংশ নেতাই অবৈধভাৱে আহৰণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। তৃণমূল কংগ্ৰেছৰ নেতা তথা মমতাৰ ভতিজা অভিষেক বেনাৰ্জী আৰু তেওঁৰ পত্নী ৰোজিৰাক কয়লা কেলেংকাৰিৰ প্ৰসংগত ই ডিয়ে একাধিকবাৰ জেৰা কৰিছিল। একেদৰে বাংলাদেশলৈ অবৈধভাৱে গৰু সৰবৰাহ কৰাৰ অভিযোগো মমতাৰ চৰকাৰৰ বিৰুদ্ধে উত্থাপিত হৈছিল। প্ৰায় ২০ হেজাৰ কোটি টকাৰ এই অবৈধ ব্যৱসায়ৰ সন্দৰ্ভত তদন্ত অব্যাহত আছে। একেদৰে পূৰ্বৰ সাৰদা বিত্তীয় কেলেংকাৰি, ৰোজ ভেলী বিত্তীয় কেলেংকাৰিৰ লগতে নাৰদা ষ্টিংগ অপাৰেছন কেলেংকাৰিয়েও দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। শেহতীয়াভাৱে ই ডিয়ে পশ্চিমবংগৰ শিক্ষামন্ত্ৰীক গ্ৰেপ্তাৰ কৰা মমতা চৰকাৰে দাবী কৰি অহা নিকা শাসনক লৈ বিৰোধীয়ে প্ৰশ্ন উত্থাপন কৰিলে। বিজেপিয়ে ইতিমধ্যে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে মমতাই ইতিমধ্যে দেশত দুৰ্নীতি-কেলেংকাৰিৰ 'বেংগল মডেল' সৃষ্টি কৰিলে। মমতাৰ লগতে তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলে কেনেদৰে পশ্চিমবংগৰ জনসাধাৰণক প্ৰতাৰণা কৰি আহিছে সেয়া ইমানবোৰ দুৰ্নীতি-কেলেংকাৰিৰ অভিযোগো প্ৰমাণ কৰিলে বুলিও বিৰোধীয়ে দাবী কৰিছে। উল্লেখ্য যে পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে তৃণমূল কংগ্ৰেছৰ শাসনত ৰাজ্যখনত দুৰ্নীতি-ভ্ৰষ্টাচাৰ হ্ৰাস পোৱা বুলি দাবী কৰি আহিছে। সুশাসনৰ ক্ষেত্ৰত পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছৰ চৰকাৰে দেশৰ ভিতৰতে এক নিদৰ্শন সৃষ্টি কৰা বুলিও মমতাই প্ৰায়ে কৃতিত্ব জাৰি কৰি আহিছে।



অসম দাপোণ
অগ্ৰদূত
গুৱাহাটী, ২৫ জুলাই সোমবাৰ ২০২২ পৃষ্ঠা ৯

## ব্যক্তিগত বিদ্যালয় ঐক্য মঞ্চৰ প্ৰথম কেন্দ্ৰীয় অভিৱৰ্তন-যোৰহাট জিলা সমিতিৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৪ জুলাই ঃ** অহা ২৮ জুলাইত সদৌ অসম ব্যক্তিগত বিদ্যালয় ঐক্য মঞ্চৰ প্ৰথম কেন্দ্ৰীয় অভিৱৰ্তন আৰু যোৰহাট জিলা সমিতিৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে যোৰহাটৰ অসম সাহিত্য সভাৰ ৰাধাকান্ত সন্দিকৈ ভৱনত উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসমৰ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, নিৰ্দিষ্ট বক্তা হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁই, শিক্ষাবিদ স্বপন বেজবৰুৱা, ড° স্বপন কুমাৰ চুতীয়া, বিশিষ্ট অতিথি অৱসৰপ্ৰাপ্ত প্ৰাথমিক শিক্ষা বিষয়া ৰমেন ফুকন, যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন, ঐক্যমঞ্চৰ কেন্দ্ৰীয় বিষয়ববীয়া আদি উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। সভাখনত অসমৰ ছেবা আৰু কাউন্সিলৰ অধীনৰ সকলো স্কুল/ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ (ইংৰাজী-অসমীয়া উভয় মাধ্যমৰ) বিদ্যালয় প্ৰধান, স্বত্বাধিকাৰী তথা সচিব, শিক্ষক-কৰ্মচাৰী আৰু পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ উপস্থিতি উদ্‌যাপন সমিতিৰ সভানেত্ৰী লয়ালী সোণোৱাল আৰু সম্পাদক ওমৰেন্দ্ৰ বৰাই একান্তই কামনা কৰিছে।

## শিৱসাগৰত সামৰণি পৰিল দুদিনীয়াকৈ আয়োজন কৰা 'জীৱন কৌশল কৰ্মশালা'

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৪ জুলাই ঃ** শিৱসাগৰ স্বেচ্ছাসেৱী অনুষ্ঠান খোজৰ উদ্যোগত আৰু টেম্পোল টাউন ইউৰ' স্কুলৰ সহযোগত কৈশোৰ কালক কেন্দ্ৰ কৰি শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ বাবে দুদিনীয়াকৈ আয়োজন কৰা 'জীৱন কৌশল কৰ্মশালা' যোৱা ২২ জুলাইত সামৰণি পৰে। ব্যতিক্ৰমী প্ৰয়াসেৰে নৱ প্ৰজন্মক জীৱনৰ সঠিক বাট দেখুৱাবৰ বাবে শুকুৰবাৰৰ পৰা শিৱসাগৰ জোনাকী নগৰস্থিত টেম্পোল টাউন ইউৰ' স্কুল প্ৰেক্ষাগৃহত দ্বিতীয় দিনা শিক্ষক আৰু অভিভাৱকসকলৰ বাবে বিশেষভাৱে আয়োজিত কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি কিশোৰ-কিশোৰীসকলক সু-নাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে বক্তব্য আগবঢ়ায় ইতিবাচক শিক্ষাৰ গৱেষক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী প্ৰাধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে। উল্লেখ্য যে শিক্ষক অভিভাৱকসকলৰ বাবে বিশেষভাৱে আয়োজিত কৰ্মশালাত দুই শতাধিক শিক্ষক, অভিভাৱকে অংশগ্ৰহণ কৰে।

## চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত এশ শতাংশ ফলাফলেৰে উজলিল ডবকা এনআৰআই পাব্লিক স্কুল

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৪ জুলাই ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ চিবিএছইৰ অন্তৰ্গত দশম শ্ৰেণীৰ পৰীক্ষাত উজলিল ডবকাস্থিত এনআৰআই পাব্লিক স্কুল। যোৱা ২২ জুলাইত ঘোষিত ফলাফল অনুসৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়খনে এশ শতাংশ সাফল্যৰ কীৰ্তি স্থাপন কৰে। চলিত বৰ্ষত বিদ্যালয়খনৰ পৰা মুঠ ১৯ গৰাকী ছাত্ৰ-ছাত্ৰী দশম শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। আটাইকেইগৰাকী ছাত্ৰ-ছাত্ৰী সাফল্যৰে উত্তীৰ্ণ হোৱাৰ লগতে মিফতাহ আলম লস্কৰ নামৰ ছাত্ৰজনে আটাইকেইটা বিষয়ত লেটাৰ মাৰ্কসহ ৯৫ শতাংশ নম্বৰ লাভ কৰে। ব্যক্তিগত খণ্ডৰ ডবকা এনআৰআই পাব্লিক স্কুলৰ এই সাফল্যত ডবকাত উলাহৰ সৃষ্টি হৈছে। বিদ্যালয়খনৰ পৰিচালনা সঞ্চালিকা দিলোৱাৰা বেগম চৌধুৰীয়ে সাফল্য কঢ়িয়াই অনা আটাইকেইগৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে অভিভাৱকসকলকো ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে ডবকা এনআৰআই পাব্লিক স্কুলৰ পৰা দশম শ্ৰেণীত পৰীক্ষা দিয়া ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ আটাইকেইগৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ সামগ্ৰিক ফলাফল অনুসৰি আঠগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ষ্টাৰ মাৰ্ক, সাতগৰাকীয়ে ডিষ্টিংছন মাৰ্ক লাভ কৰাৰ লগতে মুঠ ৪৯ টা লেটাৰ মাৰ্ক লাভ কৰিবলৈ সক্ষম হয়।

## ৰাজ্যিক পৰ্যায়ৰ সমৰকলা প্ৰতিযোগিতাত সোণেৰে উজ্জ্বলিল টীয়কৰ অহিৰণ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৪ জুলাই ঃ** সদৌ অসম টাইকোৱানডো সংস্থাৰ অধীনত বঙাইগাঁও জিলা টাইকোৱানডো সংস্থাৰ উদ্যোগত যোৱা ১৭ জুলাইৰ পৰা ২০ জুলাইলৈ বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হোৱা '৩৭ সংখ্যক অসম ৰাজ্যিক টাইকোৱানডো প্ৰতিযোগিতাত ৩৩ কেজি অনূৰ্ধ্ব শাখাত সোণৰ পদক লাভ কৰি টীয়কলৈ গৌৰৱ কঢ়িয়াই আনিছে টীয়কৰ জগদুৱাৰ কাকতি গাঁৱৰ অঞ্জন শইকীয়া আৰু সংগীতা বৰা শইকীয়াৰ পুত্ৰ অহিৰণ শইকীয়াই। অহিৰণৰ বয়স মাত্ৰ সাত বছৰ। সৰুৰে পৰা খেলা-ধূলাৰ প্ৰতি ৰাপ দেখি অভিভাৱকে আনুষ্ঠানিক শিক্ষাৰ বাবে কণমানিটোক আমগুৰিৰ এক সমৰকলা প্ৰশিক্ষণ কেন্দ্ৰত নাম লগাই দিয়ে আৰু তাতে প্ৰশিক্ষণ লৈ অহিৰণে ইতিমধ্যে নিজৰ পাৰদৰ্শিতাৰে এই বয়সতে জিলিকি উঠিছে। অহিৰণৰ এই সফলতাত এতিয়া সমূহ টীয়কবাসী উৎফুল্লিত হৈ পৰিছে আৰু অনাগত দিনবোৰত আৰু আগুৱাই যাবলৈ সকলোৱে আশীৰ্বাদ জনাইছে।

## নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশন উদ্‌যাপন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২৪ জুলাইঃ** নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ ত্ৰয়োবিংশতিতম বাৰ্ষিক অধিবেশন অহা ২২ আৰু ২৩ আগষ্টত নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। এই উদ্দেশ্যে কালি নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত আঞ্চলিক সন্থাৰ সভাপতি ঋতুপৰ্ণ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত এখন অভ্যৰ্থনা সমিতি গঠন কৰে। সভাই নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰমেশ নাহৰডেকাক সভাপতি, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কোঁৱৰক কাৰ্যকৰী সভাপতি আৰু সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক বিতোপন গগৈক সাধাৰণ সম্পাদকৰূপে লৈ ৮০ জনীয়া এখন অভ্যৰ্থনা সমিতি গঠন কৰে। এই সভাত উপস্থিত থাকি বক্তব্য আগবঢ়ায় নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰমেশ নাহৰডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক বিষ্ণু কমল ডেকা, প্ৰাক্তন বিধায়ক কুসুম্বৰ টাইৰাই গগৈ, সাংবাদিক বুলন কুমাৰ শইকীয়া, হিৰম্ব প্ৰসাদ নাহৰডেকা, নতুন উচ্চ বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্ব মোহন চুতীয়া, যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক গৌৰাংগ গগৈকে ধৰি নাহৰকটীয়াৰ জ্যেষ্ঠ নাগৰিক, নাহৰকটীয়া ব্যৱসায়ী সমাজৰ লগতে বিভিন্ন সংগঠনৰ নেতৃবৃন্দ।

## মুখ্যমন্ত্ৰী-শিক্ষামন্ত্ৰীৰ টুলুঙা মন্তব্যত চৰম হতাশাত ভেঞ্চাৰ শিক্ষক-শিক্ষয়িত্ৰী

**■ মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি ফুটুকাৰ ফেন**

অগ্ৰদূত বাৰ্তা

**কচুৱা, ২৪ জুলাই ঃ** 'চৰকাৰৰ পৰা অনুমতি, স্বীকৃতি পায়ো সম্পূৰ্ণ বিনা বেতনত মানৱ সম্পদ গঢ় দি জীৱনৰ বিয়লি বেলাত ভৰি দিয়া ভেঞ্চাৰ শিক্ষানুষ্ঠানত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীৰ লগত চৰম প্ৰতাৰণা কৰি 'অহাটো যেন পৰম্পৰাত পৰিণত হৈছে। ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহলৈ যোগান ধৰা বিত্তীয় সাহায্য বন্ধ কৰি আমি আপোনালোকক ভিক্ষা নিদিও, চৰকাৰীকৰণ কৰি সম্পূৰ্ণ দৰমহা দিম' বুলি প্ৰতিশ্ৰুতি দি পূৰ্বৰ শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৌশলেৰে বিত্তীয় সাহায্য বন্ধ কৰি শিক্ষকসকলক চৰম অন্ধকাৰৰ ফালে ঠেলি দিছে বুলি অসম শিক্ষক কৰ্মচাৰী ঐক্যমঞ্চৰ কাৰ্যকৰী সভাপতি বাহাৰুল ইছলাম আৰু প্ৰচাৰ সম্পাদিকা মৃদুলা ডেকাই কঠোৰ ভাষাৰে সমালোচনা কৰি ধিক্কাৰ দিছে। আনকি বিজেপি চৰকাৰ শাসনলৈ আহিলে ৪৫ দিনৰ ভিতৰত অসম ভেঞ্চাৰ মুক্ত কৰিব বুলি জাউৰিয়ে জাউৰিয়ে দিয়া প্ৰতিশ্ৰুতি মুখ্যমন্ত্ৰীয়ে ভংগ কৰি ভেঞ্চাৰ শিক্ষকসকলক ভাতে মৰাৰ ব্যৱস্থা কৰাটো ভাল হোৱা নাই বুলি বিভিন্ন মহলত চৰ্চিত হৈছে। অলপতে অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহৰ সন্থাসমূহে শিক্ষামন্ত্ৰীক সাক্ষাৎ কৰোতে 'ভেঞ্চাৰ স্কুল আৰু চৰকাৰীকৰণ নহয়। আপোনালোকে ৰাজনীতি কৰক, খেতিপথাৰ কৰক, নানান ব্যৱসায় বাণিজ্য আছে কৰক' বুলি টুলুঙা মন্তব্য কৰাত সম্প্ৰতি চৰম হতাশাত ভুগিছে ভেঞ্চাৰ শিক্ষক-শিক্ষয়িত্ৰীসকল। একেই শিক্ষক একেই অৰ্হতা আৰু একেজন শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ নামত বাৰম্বাৰ বেলেগ বেলেগ আইন বনাই প্ৰাদেশিকীকৰণৰ নামত কেৱল মহানাটকহে কৰি আহিছে বুলি বিভিন্ন মহলত চৰ্চা হৈছে। যুগ যুগ ধৰি বিনাবেতনত কৰ্মৰত আৰু জীৱনৰ চন্দ হেৰুৱাই পেলোৱা দুই শতাধিক শিক্ষকে বিগত পাঁচ বছৰত আত্মহননৰ পথ বাছি লোৱাৰ পাছতো চৰকাৰৰ গা লৰা নাই। কিন্তু শেহতীয়াভাৱে মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীয়ে ওলোটা খৰ মৰাত সংস্থাটোয়ে গভীৰ দুখ প্ৰকাশ কৰি মানৱতাৰে কাম কৰি এইসকল শিক্ষকক উদ্ধাৰ কৰিবলৈ চৰকাৰক দাবী জনাইছে।

## ৰত্নজ্যোতি মইনা পাৰিজাতৰ ৰূপালী জয়ন্তীৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৪ জুলাই ঃ** সাহপুৰীয়া গাঁৱৰ ৰত্নজ্যোতি মইনা পাৰিজাতৰ বৰ্ষজোৰা ৰূপালী জয়ন্তীৰ কালি সামৰণি পৰে। মইনা ৰাজ গৌৰৱ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাক কেন্দুগুৰিৰ যুতি মইনা পাৰিজাতৰ মইনা নালন্দা কাশ্যপে নিৰ্দিষ্ট বক্তা, মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি প্ৰভাত ৰঞ্জন গগৈয়ে বিশিষ্ট অতিথিৰ ভাষণ আগবঢ়ায়। যোৰহাট জিলা মইনা পাৰিজাতৰ সভাপতি জয়ন্ত পূজাৰী, যুতি মইনা পাৰিজাতৰ অচিন্ত শৰ্মা, ঋতুপৰ্ণা বৰুৱা, ৰত্নেশ্বৰ শইকীয়া স্মৃতি ৰাজহুৱা পুথিভঁৰালৰ সভাপতি প্ৰভাত দত্ত, মইনা পাৰিজাতৰ কৰ্মী ৰমেন শইকীয়া সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। মইনাসকলে পৰিবেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাত আদৰণী ভাষণ আগবঢ়াই মইনা পাৰিজাতৰ সভাপতি দিলীপ শইকীয়াই। সম্পাদক দেৱাশীষ দত্তই উদ্দেশ্য ব্যাখ্যা কৰি বিগত তিনি বছৰত মইনা পাৰিজাতৰ জৰিয়তে ৰূপায়ণ কৰা কাম-কাজৰ লগতে জমা-খৰচৰ হিচাপ দাখিল কৰে। ২২ আৰু ২৩ জুলাইত অনুষ্ঠিত চিত্ৰাংকন, স্মৃতি পৰীক্ষা, বক্তৃতা, সৃষ্টিশীল নৃত্য আৰু কুইজ প্ৰতিযোগিতাত স্থান প্ৰাপ্তসকলক সভাতে মানপত্ৰসহ পুৰস্কাৰ প্ৰদান কৰে। দিলীপ শইকীয়াক সভাপতি, প্ৰাঞ্জল শইকীয়াক সম্পাদকৰূপে লৈ গঠন কৰা নতুন সমিতিখনৰ স'তে জড়িতসকলক ৰাইজৰ স'তে চিনাকি কৰাই দিয়াৰ লগতে দায়িত্ব অৰ্পণ কৰে। অঞ্চলটোৰ মইনাসকলক প্ৰতি দেওবাৰে দিনৰ তিনি বজাত পোৱাকৈ মইনা পাৰিজাত পৰিচালিত কৰি থকা স্থান ৰত্নেশ্বৰ শইকীয়া স্মৃতি ৰাজহুৱা পুথিভঁৰালৰ মঞ্চলৈ নিয়মীয়াকৈ আহিবলৈ সম্পাদক প্ৰাঞ্জল শইকীয়াই আহ্বান জনায়। উপ-সভানেত্ৰী মনালিছা বৰাই শলাগ জ্ঞাপন কৰাৰ পাছতে ভাওনাত শিশুসকলে অভিনয় কৰে। ২১ জুলাইত পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু নতুন সমিতি গঠনৰ সভা অনুষ্ঠিত হয়।



*চিনামৰাত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা গাঁওৰক্ষী বাহিনীৰ, দেওবাৰে।*

## শালবাৰীত গুৱাহাটীৰ আয়ুৰসুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৪ জুলাই ঃ** ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ আৰু বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীৰ উদ্যোগত গুৱাহাটীৰ আয়ুৰসুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ চিকিৎসকৰ দলৰ দ্বাৰা কালি বাগ্‌সাৰ শালবাৰীত বানাক্ৰান্ত ৰাইজৰ বাবে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ উদ্বোধন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা সঞ্জয় কুমাৰ মেধিয়ে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ক্ৰমে বড়ো কছাৰী স্বায়ত্ত শাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য মহীপাল বড়ো, শালবাৰীৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, শালবাৰী মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ বিউটি বসুমতাৰী, মিৰ্জাৰ ডায়েটৰ অধ্যাপক ড° হিমালীনি বেজবৰুৱা, শালবাৰী জিলা ইউপিপিএলৰ সভাপতি বিখন গয়াৰীয়ে। উল্লেখ্য যে গুৱাহাটীৰ আয়ুৰসুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ চিকিৎসক ক্ৰমে ডাঃ প্ৰণৱ বৰুৱা, ডাঃ মুছতাফা আহমেদ, ডাঃ সুশীল বৰ্মন, ডাঃ মৃদুল দাস, সাউদৰভিঠা চিকিৎসালয়ৰ চিকিৎসক ডাঃ চাইফুদ্দিন আহমেদ, শালবাৰীৰ চিকিৎসালয়ৰ চিকিৎসক ডাঃ উদ্দীপ্ত তালুকদাৰৰ লগতে কে'বাগৰাকী চিকিৎসা কৰ্মীয়ে বৃহত্তৰ শালবাৰী অঞ্চলৰ তিনি শতাধিক ৰোগীক বিনামূলীয়াকৈ চিকিৎসা সেৱা তথা স্বাস্থ্য পৰীক্ষা কৰে। স্বাস্থ্য পৰীক্ষা শিবিৰত ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ইচিজি, উচ্চ ৰক্তচাপ পৰীক্ষা, ছুগাৰ পৰীক্ষা কৰা হয়। লগতে বিনামূলীয়াকৈ ঔষধো প্ৰদান কৰে ৰোগীসকলক। তদুপৰি বহুকেইগৰাকী লোকক ক'ভিডৰ তৃতীয় পালি প্ৰতিষেধক দিয়ে শালবাৰী আদৰ্শ চিকিৎসালয় কৰ্তৃপক্ষই।

## পুনচান আপ্লুন নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ২৪ জুলাই ঃ** অফলাৰ পুনচান আপ্লুন নাট্য সমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত যোৱা ১৭ আৰু ১৮ জুলাইত পুনচান আপ্লুন নাট্য সমাজৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ১৭ জুলাইৰ কাৰ্যসূচী হিচাপে পুৱা পতাকা উত্তোলন কৰে নাট্য সমাজৰ সভাপতি বিতুল মিলিয়ে, স্মৃতি তৰ্পন কৰে সম্পাদক জিণ্টু মোহন মিলিয়ে। ইয়াৰ পাছতে একক নৃত্যৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। ১৮ জুলাইত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে অফলা গাঁও উন্নয়ন সমিতিৰ সভাপতি ৰহিম পাংগিং আৰু পুনচান আপ্লুন নাট্য সমাজৰ সভাপতি বিতুল মিলিয়ে। সভাত শিৱসাগৰ বানে আগম কেবাঙৰ সভাপতি তৰুণ মিলি, কবি গংগামোহন মিলি, সমাজকৰ্মী গণেশ মিলি, বানমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা পুন্যৰতী টায়ে, ৰজনী পাংগিং, অফলা গাঁৱৰ গাঁও প্ৰধান তযুৰাম মিলি, ৰূপেশ্বৰ পাংগিং, ঢুলীয়া বিনন্দ য়েইন, শিক্ষক হৰি বড়ি, কবি অনুজ য়েইন আদি উপস্থিত থাকে।

## মানুহে অকলে একো কৰিব নোৱাৰে যদিহে সমাজে তেওঁক স্বীকৃতি নিদিয়ে ঃ ড° ভাগৱতী

**■ খাৰজাৰাত পূৰবী দেৱীৰ স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা সম্পন্ন**

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৪ জুলাই ঃ** নলবাৰী চহৰৰ নিকটৱৰ্তী বালিকৰিয়া খাৰজাৰাৰ নিউ কল'নীস্থিত শিক্ষক নিৰোদ শৰ্মাৰ সহধৰ্মিণী পূৰবী দেৱীৰ এবছৰীয়া মহাপ্ৰয়াণ উপলক্ষে কালি অনুষ্ঠিত হয় স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান। পূৰবী দেৱী ৰচিত, বিভিন্ন কাকত-আলোচনীত সিঁচৰতি হৈ থকা ১২টা গল্প, ইতিমধ্যে প্ৰকাশিত 'আইৰ মুখৰ নাম' শীৰ্ষক নামৰ পুথি, নিৰ্বাচিত লেখক কেইগৰাকীমানৰ নাৰীকেন্দ্ৰিক লেখা, পৰিয়াল, আত্মীয়-স্বজন আৰু শুভাকাংক্ষীসকলৰ স্মৃতিলেখাৰে সমৃদ্ধি 'ৰং জীৱনৰ আৰু অন্যান্য' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। নিৰোদ শৰ্মাৰ বাসগৃহত আয়োজিত অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে নলবাৰী মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান



বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দিনমণি ভাগৱতীয়ে। আৰম্ভণিতে স্থানীয় যুৱতীৰ দ্বাৰা পৰিৱেশিত মংগলাচৰণৰ সমান্তৰালভাৱে পূৰবী দেৱীৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰ পাছতে গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ড° ভাগৱতীয়ে কয়, 'মানুহে অকলে সমাজত একো কৰিব নোৱাৰে যদিহে তেওঁক সমাজে স্বীকৃতি নিদিয়ে। মানুহক জীয়াই ৰাখে তেওঁৰ কৃতী আৰু কৰ্মইহে।' আজি গল্পকাৰ পূৰবী দেৱীক গ্ৰন্থৰ মাজেৰে স্বীকৃতি প্ৰদান কৰিলে তেওঁৰে অনেক গুণমুগ্ধই। বিশিষ্ট শিক্ষাবিদ, সাহিত্যসেৱী ভুৱনেশ্বৰ ডেকাই মুখ্য অতিথিৰূপে উপস্থিত থাকি মানুহৰ জীৱন বিষয়ক বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত সভাপতিত্ব কৰে নলবাৰী শংকৰদেৱ একাডেমীৰ উপাধ্যক্ষ, কবি তথা চিত্ৰশিল্পী ড° বিনয় কুমাৰ মজুমদাৰে। সভাপতিৰ বক্তব্যত ড° মজুমদাৰে গ্ৰন্থখনত সন্নিবিষ্ট গল্পসমূহৰ ওপৰত এক চমু বিশ্লেষণ আগবঢ়ায়। ২৬৪ পৃষ্ঠা সম্বলিত, আটকধুনীয়া ছপা আৰু অলংকৰণ সমৃদ্ধ গ্ৰন্থখন সম্পাদন কৰে জয়ন্ত ডেকা আৰু ভূমিধৰ তালুকদাৰে। সভাৰ মাজতে সাংবাদিক তথা চিত্ৰশিল্পী দিগন্ত বৰ্মন আৰু শিক্ষক-নিবন্ধকাৰ কামিনীমোহন শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। সভাত অৱসৰী অধ্যাপক অশোক শৰ্মা, অৱসৰী বেংক বিষয়া লক্ষী ডেকা, শিক্ষক নিৰোদ শৰ্মা, অচ্যুত শৰ্মা, প্ৰবক্তা দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মা, নিত্যানন্দ শৰ্মাই প্ৰয়াত পূৰবী দেৱীৰ জীৱন সম্পৰ্কে আলোকপাত কৰে। শেষত শান্তিমন্ত্ৰেৰে সভাৰ সামৰণি মৰা হয়।

## কামৰূপৰ গন্ধমৌত আধুনিক নৃত্য-অভিনয় কৰ্মশালাৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৪ জুলাই ঃ** চাৰু নৃত্য আৰু ক্ৰিয়েটিভ ডান্স একাডেমীৰ উদ্যোগত সদৌ বংশৰ নাট্য সন্মিলনৰ সহযোগত ১৬ৰ পৰা ২২ জুলাইলৈ অনুষ্ঠিত গন্ধমৌ বিষ্ণু ৰাভা সোঁৱৰণী সংঘ আৰু পুথিভঁৰালৰ বাকৰিত সাতদিনীয়া আধুনিক নৃত্য আৰু অভিনয় কৰ্মশালাৰ সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা সদৌ বংশৰ নাট্য সন্মিলনৰ উপদেষ্টা দেবেন্দ্ৰ নাথ কাকতিয়ে। অভিনয় প্ৰশিক্ষক তথা সদৌ বংশৰ নাট্য সন্মিলনৰ সভাপতি ৰমেশ দাস, প্ৰাক্তন শিক্ষক তথা সমাজকৰ্মী ডিগাম্বৰ নাথ, সদৌ বংশৰ নাট্য সন্মিলনৰ সম্পাদক প্ৰদীপ দাস, নিত্যানন্দ নাথ আদি উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰি বিভিন্ন পৰামৰ্শ দিয়ে। নৃত্য প্ৰশিক্ষক বিশ্বজিৎ বৈশ্যই বক্তব্যত কয় যে ছাত্ৰ-ছাত্ৰীসকলে এই মঞ্চৰ জৰিয়তে আৰু আগবাঢ়ি গৈ গন্ধমৌ অঞ্চলৰ লগতে অসমৰ সুনাম কৰি ৰাজ্যৰ নাম উজলাই তোলক। লগতে আন এগৰাকী নৃত্য প্ৰশিক্ষক হীৰামণি দাস, সহকাৰী নৃত্য প্ৰশিক্ষক ভূপেন দাসো উপস্থিত থাকে। অনুষ্ঠানত নৃত্যানুষ্ঠান আৰু এখন বাটৰ নাট প্ৰদৰ্শন কৰি ৰাইজক আমোদ দিয়ে। অনুষ্ঠানত গীত পৰিবেশন কৰে, সাংস্কৃতিক কৰ্মী নীলাধৰ নাথ, উদীয়মান কণ্ঠশিল্পী মহিম নাথ আৰু জুনুমণি চৌধুৰীয়ে। নৃত্য প্ৰদৰ্শন কৰে নিহাল দাস, নিকিতা দাসে। অনষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই সমাজকৰ্মী তথা প্ৰাক্তন শিক্ষক ডিগাম্বৰ নাথে।

## জামুগুৰিহাটত ষ্টেট বেংকৰ ব্যতিক্ৰমী কাৰ্যসূচী

**■ কন্যকা কৃষি পামত 'এক ৰাত অন্নদাতা কে সাথ' অনুষ্ঠান সম্পন্ন**

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৪ জুলাইঃ** জামুগুৰিহাটৰ কন্যকা বহুমুখী কৃষি পামত ভাৰতীয় ষ্টেট বেংকৰ উদ্যোগত যোৱা ২৩ জুলাইৰ নিশা অনুষ্ঠিত হয় কৃষক সন্মিলন। নিশা সাত বজাৰ পৰা অনুষ্ঠিত 'এক ৰাত অন্নদাতা কে সাথ' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠানত কৃষকসকলৰ স'তে মত বিনিময় কৰাৰ লগতে জামুগুৰিহাটৰ মাজনী, তগৰ, জানমণি আদি কৰি ৰঙাচকুৱা আৰু চতিয়া অঞ্চলৰ ২০ৰো অধিক আত্মসহায়ক গোটৰ ঋণৰ মঞ্জুৰি পত্ৰ প্ৰদান কৰাৰ লগতে জামুগুৰিহাটৰ শ্যাম দাস, অতুল ৰাজবংশী আৰু বিউটী ভূএঞাৰ উপৰি চতিয়া আৰু ৰঙাচকুৱা সামৰি কে'বাগৰাকীকো আদৰ্শ কৃষক হিচাপে সম্বৰ্ধনা জনায় বেংক কৰ্তৃপক্ষই। চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানত এছ বি আই গুৱাহাটীৰ মুখ্য মহাপ্ৰবন্ধক অৰভিন্দ কুমাৰ সিং, এছবিআই ডিব্ৰুগড়ৰ ডি জি এম আফটাৰ আহমেদ আৰু এছ বি আই ৰিজ'নেল মেনেজাৰ (আৰ বি অ') তেজপুৰৰ সঞ্জীৱ কুমাৰ দাসৰ লগতে ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় কেইটা শাখাৰ বিষয়াসকলৰ লগতে চতিয়া-জামুগুৰিহাট-আৰু ৰঙাচকুৱা এছ বি আই শাখাসমূহৰ পৰিচালক আৰু ক্ষেত্ৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। কৃষকসকলৰ বাবে এছ বি আয়ে গ্ৰহণ কৰা বিভিন্ন আঁচনি সন্দৰ্ভত সজাগ কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণ প্ৰসংগত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই কয় যে ভাৰতীয় ষ্টেট বেংকে কালি ইয়াত এই কৃষক সন্মিলন আয়োজন কৰি এক মহৎ কাম কৰিছে। কৃষকসকলে ঋণ বিচাৰি হাবাথুৰি খোৱাৰ বিপৰীতে ষ্টেট বেংক এইদৰে নিজে আগবাঢ়ি আহিছে কৃষকসকলৰ লগতে বিভিন্ন আত্মসহায়ক গোটক ঋণ প্ৰদানৰ বাবে। বেংক কৰ্তৃপক্ষই আমাৰ ল'ৰা-ছোৱালীক বেংকৰ প্ৰতি থকা ভয় শংকা দূৰ কৰি বেংকৰ প্ৰতি আকৃষ্ট কৰিবৰ বাবেই এক প্ৰচেষ্টা হাতত লৈ ভাৰতীয় ষ্টেট বেংকে এক আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। এই কৃষক সন্মিলনে আমাৰ সমষ্টিটোৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰাত সহায় কৰিব বুলিও উল্লেখ কৰে বিধায়কজনে। অনুষ্ঠানত পশু পালনৰে অসম গৌৰৱ বঁটা লাভ কৰা মনোজ বসুমতাৰীয়েও বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি বক্তব্য প্ৰদান কৰে।

## মাহতলী গাঁও পঞ্চায়তৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া সম্পৰ্কে বিশেষ সভা

অগ্ৰদূত বাৰ্তা

**সোণতলী, ২৪ জুলাই ঃ** কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত মাহতলী গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ আঁচনিৰ গৃহ বাছনি প্ৰক্ৰিয়া সম্পৰ্কে কালি এখন বিশেষ গাঁওসভা অনুষ্ঠিত হয়। পঞ্চায়ত সভাপতি তাইজুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ সভাখনত মুখ্য আলোচ্য বিষয় প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ হিতাধিকাৰী বাছনি সম্পৰ্কে ৰাইজে মতামত দাঙি ধৰে। চৰকাৰে বান্ধি দিয়া নীতি-নিয়মৰ ভিত্তিত যাতে কোনো যোগ্য হিতাধিকাৰী বাদ নপৰে তাৰ বাবে ৰাইজে সকীয়নি প্ৰদান কৰে পঞ্চায়ত প্ৰতিনিধিসকলক। প্ৰায় পাঁচ শতাধিক ৰাইজৰ উপস্থিতিত হোৱা বিশেষ সভাখনত সকলো পঞ্চায়ত প্ৰতিনিধি আৰু বিষয়ববীয়াৰ লগতে স্থানীয় মুৰব্বীসকল উপস্থিত থাকে।

## বিটিচি চৰকাৰৰ আঁচনি 'অনছাই বিথাংখি'ৰ দুখীয়া ব্যৱসায়ীক চেক বিতৰণ



অগ্ৰদূত বাৰ্তা

**টংলা, ২৪ জুলাই ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত বিটিচি খালিংদুৱাৰ সমষ্টিত প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰৰ আঁচনি অনছাই বিথাংখি সাহায্য চেক কালি বিতৰণ কৰা হয়। দুখীয়া শ্ৰেণীৰ ব্যৱসায়ীসকলক বেপাৰ বাণিজ্য কৰিবৰ বাবে 'অনছাই বিথাংখি'ৰ দ্বাৰা সাহায্য প্ৰদান কৰে খালিংদুৱাৰ সমষ্টিত। শুকুৰবাৰে খালিংদুৱাৰ বিটিচি সমষ্টিৰ ৰতনপুৰ ভিচিডিচি কাৰ্যালয় প্ৰাংগণত অনছাই বিথাংখিৰ সাহায্য প্ৰদানৰ এখন সভা অনুষ্ঠিত হৈ যায়। মুখ্য অতিথিৰূপে খালিংদুৱাৰ সমষ্টিৰ এমচিলএ দিলীপ কুমাৰ বড়োৱে মুঠ ১৫৯ জন হিতাধিকাৰীসকলক পাঁচ হেজাৰ টকাকৈ চেক বিতৰণ কৰে। আনছাই বিথাংখিৰ সন্দৰ্ভত এমচিএলএ দিলীপ কুমাৰ বড়োৱে আঁচনি বিথাংখিৰ বিষয়ে ৰাইজক অৱগত কৰে। যিসকল হিতাধিকাৰীয়ে আঁচনিৰ চেক পাব সেই সকলক সঠিক কামত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সভাত হিতাধিকাৰীৰ লগতে ইউপিপিএলৰ কৰ্মকৰ্তা, ভিচিডিচিৰ অধ্যক্ষসকলে অংশগ্ৰহণ কৰে।



# কলিয়াবৰৰ হাটবৰত শিশু নাট কৰ্মশালাৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৪ জুলাইঃ** শিশুৰ ব্যক্তিত্ব গঠনত শিশু নাট কৰ্মশালাসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বিগত সময়ছোৱাত বিদ্যালয়ৰ গৰমৰ বন্ধৰ সময়তে কলিয়াবৰৰ কে'বাটাও সাংস্কৃতিক অনুষ্ঠানে শিশু নাট কৰ্মশালা আয়োজন কৰি আহিছে। কলিয়াবৰৰ অন্যতম পুৰণি কলা-সাংস্কৃতিক অনুষ্ঠান হাটবৰ নাট্য সমাজৰ ভৱনত দুবছৰীয়া ক'ভিড পৰিস্থিতিৰ অন্তত এইবেলিও যোৱা পাঁচ জুলাইৰ পৰা অনুষ্ঠিত হৈছিল শিশু নাট কৰ্মশালাৰ। এইবাৰৰ কৰ্মশালাত কলিয়াবৰৰ ভিন্ন স্থানৰ মুঠ ৫৪ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। বিশিষ্ট নাট্যকাৰ ভূপেন্দ্ৰ নাথ হাজৰিকাৰ লগতে স্থানীয় উদীয়মান প্ৰশিক্ষিত নাট্যকৰ্মী প্ৰাঞ্জল মহন্ত, সঞ্জীৱ শইকীয়া, ঝুনাকংকন ভূঞা, পল্লৱপ্ৰাণ গোস্বামী, ৰূপজ্যোতি গোস্বামীসহ ভালেকেইগৰাকী প্ৰশিক্ষকে এই কৰ্মশালাত নাটকৰ 'অ আ ক খ'ৰ জ্ঞান দিয়ে। যোৱা নিশাৰ সামৰণি অনুষ্ঠানত কৰ্মশালাৰ শিশুসকলৰ দ্বাৰা তিনিখন নাট মঞ্চায়নৰে এই শিশু নাট কৰ্মশালাৰ অন্ত পৰে। অন্তিম দিনা নিশা নাটকৰ কৰ্মশালাৰ অন্তত শিশুসকলে মঞ্চস্থ কৰে তিনিখনকৈ নাটক ক্ৰমে অভং ৰজাৰ জ্ঞান লাভ, ৰং আহে পাহি মেলে আৰু সেউজীয়া গাড়ী' শীৰ্ষক তিনিখনকৈ শিশুনাট।

# ছাত্ৰ-ছাত্ৰীয়ে অকল নম্বৰ প্ৰাপ্তিৰ বাবে নহয় জ্ঞান প্ৰাপ্তিৰ বাবেহে শিক্ষা গ্ৰহণৰ পণ লোৱা উচিত

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৪ জুলাইঃ** চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে ভৱানীপুৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত কালি এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজন কৰা অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি দিনৰ ১১-৩০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে ক্ৰমে ভৱানীপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকুৰ তালুকদাৰ আৰু সাধাৰণ সম্পাদক তপন মেধিয়ে।

## ■ ভৱানীপুৰত ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

বৰপেটা জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীপক ঠাকুৰীয়াৰ পৰিচালনাত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত বজালী মহকুমা ছাত্ৰ সন্থাৰ সভাপতি দামোদৰ ৰয়, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা কমিটীৰ সভাপতি ধৰণীধৰ তালুকদাৰ, ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অঞ্জন কুমাৰ মিশ্ৰ, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ অজিৎ কুমাৰ চৌধুৰী, ভৱানীপুৰ সত্ৰ পৰিচালনা কমিটীৰ সভাপতি চণ্ডী প্ৰসাদ দাস, সম্পাদক পংকজ চৌধুৰী, ভৱানীপুৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰন্টু দাস আৰু গ্ৰীণলেণ্ড ইংলিছ স্কুলৰ পৰিচালন সঞ্চালক প্ৰশান্ত কুমাৰ দাসে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে অকল নম্বৰ প্ৰাপ্তিৰ বাবে নহয় জ্ঞান প্ৰাপ্তিৰ বাবেহে শিক্ষা গ্ৰহণৰ পণ লোৱা উচিত বুলি মন্তব্য কৰে। এই অনুষ্ঠানত উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ হৈ দশম স্থান লাভ কৰা সুপ্ৰজিত সাহাক এখন ফুলাম গামোচা, এটা ফুলাম জাপি, মানপত্ৰ এখন, শৰাই এখন, স্মাৰক এটা আৰু গছপুলি এটাৰে অভিনন্দন জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি উঠি সুপ্ৰজিত সাহাই একাগ্ৰহ তাৰে অধ্যয়ন কৰিলে কৃতকাৰ্য লাভ কৰাটো কঠিন কাম নহয় বুলি মন্তব্য কৰে। লগতে তেওঁ এই সফলতাৰ বাবে শিক্ষা গুৰু আৰু পৰিয়ালৰ লোকৰ সহায় সহযোগ আগবঢ়োৱাটোও উল্লেখ কৰে। অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ হৈ ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰ লাভ কৰা ৩৬ গৰাকী ছাত্ৰ-ছাত্ৰীকো সম্বৰ্ধনা জনোৱা হয়।

# মাজুলী গড়মূৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৪ জুলাইঃ** সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ শাখা আঞ্চলিক গড়মূৰ সদৰ আঞ্চলিক ছাত্ৰ সন্থাই এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক কলা, বাণিজ্য আৰু বিজ্ঞান শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্য গড়মূৰ পীতাম্বৰদেৱ গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশেষ অভিনন্দন অনুষ্ঠান আয়োজন কৰে। সদৰ আঞ্চলিকৰ সভাপতি পলাশ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভা উদ্বোধন কৰে আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক পবিত্ৰ গোস্বামীয়ে। মুখ্য অতিথিৰূপে উপস্থিত থাকি বক্তব্য আগবঢ়াই আছুৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞাই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকা, সাধাৰণ সম্পাদক বিতোপন শৰ্মা, পীতাম্বাৰদেৱ গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামী, গড়মূৰ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিনোদ কলিতাই বক্তব্য আগবঢ়ায়। সভাত শিক্ষানুষ্ঠানৰ মুৰব্বীসকলৰ লগতে ১১০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা পত্ৰ, একোটাকৈ গছপুলি আৰু শিক্ষণ সামগ্ৰীৰে সম্বৰ্ধনা জনোৱা হয়। দীপক নেওগে পৰিচালনা কৰা সম্বৰ্ধনা অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক কংকন বৰঠাকুৰ, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শইকীয়া, সদৰ আঞ্চলিকৰ উপদেষ্টা কাকু বৰা, সম্পাদক অভিজিত ভূঞা প্ৰমুখ্যে বিষয়ববীয়াসকল।

# চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত এনিশাৰ সাফল্য

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৪ জুলাই ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ চিবিএছইৰ দ্বাৰা ঘোষণা কৰা দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত গোলাঘাটৰ এনিশা আগৰৱালাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে দিল্লী পাব্লিক স্কুল, নুমলীগড়ৰ ছাত্ৰী এনিশাই দ্বাদশ শ্ৰেণীৰ বাণিজ্য শাখাত মুঠ ৯৭শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। মেধাৱী ছাত্ৰগৰাকীয়ে একাউন্টেন্সি বিষয়ত ১০০ শতাংশ নম্বৰ লাভ কৰাৰ লগতে বিজনেছ ষ্টাডিজ বিষয়ত ৯৯, এপ্লাইড মেথমেটিকছত ৯৮, অৰ্থনীতিত ৯২ আৰু গাৰ্হস্থ্য বিজ্ঞান বিষয়ত ৯৩ নম্বৰ লাভ কৰিছে। এনিশা গোলাঘাট কৃষ্ণ নগৰ নিবাসী আলোক আগৰৱালা আৰু সোনল আগৰৱালাৰ সুযোগ্য কন্যা।

■ ইউপিপিএল-বিজেপি পৰিচালিত ভিচিডিচিসমূহত দুৰ্নীতিক লৈ সৰৱ বিধায়ক

# দৰিদ্ৰ লোকৰ পৰা উৎকোচ লোৱা মহাপাপ ঃ বিধায়ক নাৰ্জাৰী

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৪ জুলাই ঃ** 'প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আবন্টনৰ নামত প্ৰতিগৰাকী দৰিদ্ৰ হিতাধিকাৰীৰ পৰা পাঁচ হেজাৰৰ পৰা ১৫ হেজাৰ টকাকৈ উৎকোচ লৈ থকা বুলি এতিয়া ৰাইজে মুকলিকৈ অভিযোগ কৰাই নহয় গৃহ নিৰ্মাণৰ ক্ষেত্ৰতো ভিচিডিচিৰ একাংশ সভাপতি-সদস্যই অনধিকাৰ হস্তক্ষেপ কৰি আছে। দৰিদ্ৰ হিতাধিকাৰী তথা বিপিএল পৰিয়ালৰ পৰা উৎকোচ লোৱা মহাপাপৰ কাম। যি দলে ভিচিডিচিসমূহক ব্ৰহ্মপুত্ৰত নিক্ষেপ কৰিব বুলি নিৰ্বাচনত ৰাইজৰ আগত প্ৰতিশ্ৰুতি দি শাসন ভাৰ হাতত ল'লে সেইসকলে এতিয়া ভিচিডিচিৰ হতুৱাই দুৰ্নীতি সংঘটিত কৰি ৰাইজক শোষণ চলাইছে।' এই ভাষ্য কোকৰাঝাৰ পশ্চিম সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীৰ। কালিঅসম চৰকাৰৰ ডব্লিউপিটি বিভাগৰ এছচি এৰিয়া উন্নয়ন পুঁজিৰ অধীনত গোসাঁইগাঁও মহকুমাৰ গুৰুফেলা সমীপৰ হাতীগড়-গাৰ্ডেনপুৰ সংযোগী ১.৬ কিলোমিটাৰ চিচি ব্লক পথৰ আধাৰশিলা স্থাপন কৰি বিধায়ক নাৰ্জাৰীয়ে বিটিচিৰ শাসনত থকা ইউপিপিএলৰ ছত্ৰছায়াত পৰিচালিত হোৱা ভিচিডিচিসমূহত সংঘটিত হোৱা দুৰ্নীতি আৰু আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাৱলীক লৈ ক্ষোভ প্ৰকাশ কৰে। বিটিচি অঞ্চলৰ ভিচিডিচিসমূহত দুৰ্নীতি হোৱা বুলি ৰাইজে মুকলিকৈ অভিযোগ কৰা কাৰ্য এক লজ্জাজনক ঘটনা বুলি আখ্যায়িত কৰি বিধায়কজনে কয় যে, বিটিচি চীফে ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে দৰিদ্ৰ ৰাইজৰ কাষত থিয় দি ন্যায় দিব লাগিছিল। কিন্তু সেইখিনি কাম নকৰা বাবেই দৰিদ্ৰ লোকে শোষণৰ বলি হ'বলগীয়া হৈছে। সেয়ে অসহায় ৰাইজে এতিয়া ন্যায় বিচাৰি হুলস্থূল লগাইছে। এই ক্ষেত্ৰত বিটিচি প্ৰমুখ প্ৰমোদ বড়োক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। ভাষণৰ সময়ত তেওঁ এই পথ নিৰ্মাণৰ যোগেদি অঞ্চলৰ ৰাইজৰ লগতে ব্যৱসায়ী, ছাত্ৰ-ছাত্ৰী, কৃষকসকলে যথেষ্ট উপকৃত হ'ব বুলি দাবী কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিভাগীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুক ধন্যবাদ জ্ঞাপন কৰে। ৰাস্তাৰ আধাৰশিলা স্থাপনৰ অন্তত বিধায়ক নাৰ্জাৰীয়ে ৰাইজৰ স'তে মত বিনিময় কৰে। আধাৰশিলা অনুষ্ঠানত বিপিএফৰ গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি শোভাৰাম বসুমতাৰী, যুৱ নেতা নৰপতি ব্ৰহ্ম, গোসাঁইগাঁও জিলা বিপিএফ সমিতিৰ সাধাৰণ সম্পাদক বিল্লা কুমাৰ ব্ৰহ্মৰ লগতে বিপিএফৰ ভালেসংখ্যক নেতা উপস্থিত থাকে।



*দিচাংমুখত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা, দেওবাৰে।*

# পুৰণিগুদামত যুৱ-ছাত্ৰ পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

বিশেষ সংবাদদাতা

**নগাঁও, ২৪ জুলাই ঃ** অতি শেহতীয়া বানপানীৰ পৰা সাময়িক সকাহ পোৱাৰ সময়তেই পূৰ্বৰ নিৰ্ধাৰিত সময়সূচীৰ সালসলনি কৰি অসমৰ অৰাজনৈতিক সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ একবিংশতিতম্ দ্বি-বাৰ্ষিক অধিবেশনখন পুৰণিগুদাম আঞ্চলিক সমিতিৰ আমন্ত্ৰণমৰ্মে অহা ৩১ জুলাইত পুৰণিগুদামস্থিত ঐতিহ্যমণ্ডিত বাপুজী ভৱন আৰু পুথিভঁৰালৰ খেলপথাৰত এদিনীয়াকৈ আয়োজনৰ ব্যাপক প্ৰস্তুতি চলিছে। পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া আৰু সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই এক বিবৃতিযোগে জনাই যে নগাঁও জিলা সমিতিৰ একবিংশতিতম দ্বি-বাৰ্ষিক অধিবেশনখন সফল আয়োজনৰ হেতুকে এদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত অধিবেশনৰ কাৰ্যসূচী অনুযায়ী পুৱাঅসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পতাকা উত্তোলন কৰিব জিলা সমিতিৰ সভাপতি দিপমণি বড়াৱে। ছহিদ তৰ্পণ কৰিব সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই। সতীৰ্থ স্মৰণ কাৰ্যসূচী সমাপন কৰিব কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰদীপ শইকীয়াই লগতে পুৰণিগুদামত জন্মগ্ৰহণ কৰা অসমৰ পুৰোধা ব্যক্তিসকল কৰ্মৰাজি তথা অৱদানক সুঁৱৰিব কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰবীণ চন্দ্ৰ দাসে। পৰিৱেশৰ লগত সংগতি ৰাখি অধিবেশন স্মৃতি চিহ্নস্বৰূপে বাপুজী ভৱন চৌহদত বৃক্ষৰোপণ কৰিব বাপুজী ভৱন আৰু পুথিভঁৰাল পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকায়ে। নগাঁৱৰ বিভিন্ন প্ৰান্তত অৱস্থিত আঞ্চলিক সমিতিসমূহৰ হেজাৰৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিনিধি সভাখন উদ্বোধন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণাপ্ৰতাপ বৰুৱাই। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা পৰিষদৰ পৰা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব পুলক বৰা। দুখনকৈ বৈঠকৰে সমাপন হ'বলগীয়া প্ৰতিনিধি সভাৰ অন্তত ২০২২-২৪ৰ নতুন নগাঁও জিলা সমিতি গঠনৰ উদ্দেশ্যে বিষয়-বাছনি সভা অনুষ্ঠিত হ'ব। সন্ধিয়া কাৰ্যসূচী অনুসৰি, বন্তি প্ৰজ্বলনৰ কৰা হ'ব। প্ৰজ্বলন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক মুকুট চন্দ্ৰ বৰায়ে। নিশা আমন্ত্ৰিত শিল্পী তথা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষুৰ লগতে উদীয়মান পাৰ্থজ্যোতি শইকীয়া, সপ্তৰ্ষী বৰা আৰু দিগন্ত নাথে গীত পৰিবেশন কৰিব বুলি কমিটীয়ে জানিবলৈ দিছে। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে। অনুষ্ঠান সফল ৰূপায়ণৰ বাবে সমূহ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া, সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়া আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি ফণীন্দ্ৰ নাথ গায়ন, কাৰ্যকৰী সভাপতি ওৱাছিফ আলম, সাধাৰণ সম্পাদক প্ৰাণকৃষ্ণ ডেকাই।

# গোৰেশ্বৰত দুই ড্ৰাগছ সৰবৰাহকাৰীক আটক

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৪ জুলাই ঃ** গোৰেশ্বৰ থানাৰ অন্তৰ্গত গোৰেশ্বৰ চহৰৰ মাজমজিয়াত যোৱা নিশা আৰক্ষীয়ে আটক কৰে দুই ড্ৰাগছ সৰবৰাহকাৰীক। গোৰেশ্বৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাৰ নেতৃত্বত চলা অভিযানত চহৰত আটক হয় দুই ড্ৰাগছ সৰবৰাহকাৰী। আটকাধীন দুই ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে গোৰেশ্বৰ ভোগপুৰৰ তাইজুল আলী (৩২) আৰু মুকুন্দপুৰৰ নুৰ মহম্মদ আলী (৩০)। ধৃত ব্যৱসায়ীৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে ১.৮ গ্ৰাম হিৰোইন আৰু এটা কণ্টেইনাৰ। তথ্য মতে বাইহাটা চাৰিআলিৰ দিশৰ পৰা গোৰেশ্বৰ অভিমুখে আনি থকা হৈছিল ড্ৰাগছখিনি। গোৰেশ্বৰ মেইন চ'কত এখন স্কুটীৰে যুৱক দুজন আহি চাহ দোকানৰ সন্মুখত জিৰণি লৈছিল। ইপিনে গোৰেশ্বৰ আৰক্ষী যুৱক দুজন আহি পোৱা মাত্ৰকে কৰায়ত্ব কৰে। আৰক্ষীৰ সূত্ৰত প্ৰকাশ যে দীৰ্ঘদিন ধৰি উক্ত যুৱক দুজনে গোৰেশ্বৰ অঞ্চলত ড্ৰাগছ ব্যৱসায় চলাই আহিছিল।

# পুৰণিগুদামত শিশু নাট কৰ্মশালাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২৪ জুলাই ঃ** অসম নাট্য সন্মিলনৰ উদ্যোগত আৰু পুৰণিগুদাম শাখাৰ ব্যৱস্থাপনাত আয়োজিত ১৫ দিনীয়া কেন্দ্ৰীয় শিশু নাট কৰ্মশালাৰ সামৰণিত যোৱা ২২ জুলাইৰ নিশা ড° ভবেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় 'সৃষ্টি ৰজনী' অনুষ্ঠান। পুৰণিগুদাম ড° ভবেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত নাট কৰ্মশালাত অংশগ্ৰহণ কৰা ৩৬জন প্ৰশিক্ষাৰ্থীয়ে সৃষ্টি ৰজনী অনুষ্ঠানত নিজস্ব প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে উপস্থিত শ্ৰোতা দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান আৰম্ভ কৰে লাইআটি সত্ৰৰ সত্ৰাধিকাৰ তথা অসম নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ প্ৰাক্তন সভাপতি যুগল চন্দ্ৰ দেৱগোস্বামীয়ে আৰু মঞ্চ উদ্বোধন কৰে অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বসন্ত বৰ্মনে। অনুষ্ঠানত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ভূপেন ডেকা, কামপীঠ মণ্ডলৰ সম্পাদক ডিম্বেশ্বৰ শৰ্মা, অসম নাট্য সন্মিলনৰ প্ৰাক্তন সহকাৰী সম্পাদক ৰাজীৱ বৰা, বিশিষ্ট সমাজকৰ্মী পূৰ্ণানন্দ ভূঞা, অনিল বৈৰাগী, অসম নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ সভাপতি তথা কৰ্মশালাৰ প্ৰশিক্ষক মৃণাল কুমাৰ বৰা, প্ৰশিক্ষক অঞ্জল বৰা আদি উপস্থিত থাকে। সৃষ্টি ৰজনী অনুষ্ঠানত প্ৰয়াত শিশু নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ দ্বাৰা ৰচিত আৰু অঞ্জল বৰা পৰিচালিত 'জোনমণিৰ স্বৰ্গযাত্ৰা' নাটখনত কৰ্মশালাৰ মুঠ ৩৬জন প্ৰশিক্ষাৰ্থীয়ে অভিনয় কৰে। অনুষ্ঠানৰ শেষত কৰ্মশালাৰ প্ৰশিক্ষাৰ্থী, অভিভাৱক আৰু উদ্যোক্তাৰ মাজত অন্তৰংগ আলাপৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত শিশু নাট্যশিল্পী বৈভৱ শৰ্মা, প্ৰত্যাশা শৰ্মা, সুদৰ্শন বৰা, প্ৰণয় প্ৰতিম গায়ন, বৰ্ণিল ভূঞা, ময়ূৰ কৃষ্ণ বৰাই কবিতা আবৃত্তি কৰাৰ লগতে অৰ্চিত বৰাই স্বৰচিত কবিতা আবৃত্তি আৰু যোগাসন প্ৰদৰ্শন কৰে। প্ৰতিজন প্ৰশিক্ষাৰ্থীকে অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰা হয়।

# 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ' উদ্‌যাপন কৰা হ'ব কোকৰাঝাৰত

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৪ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱ হৈছে ভাৰত চৰকাৰৰ উদ্যোগত স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপন আৰু ইয়াৰ জনসাধাৰণৰ, সংস্কৃতি আৰু কৃতিত্বৰ গৌৰৱময় ইতিহাস স্মৃতি যুগমীয়া কৰাৰ এক প্ৰচেষ্টা। উদ্‌যাপনৰ অংশ হিচাপে, শক্তি, নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰণালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সহযোগিতা উদ্‌যাপন কৰিবলৈ অনুষ্ঠানৰ আয়োজন কৰিছে আৰু 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ-শক্তি @২০৪৭'ৰ ছত্ৰছায়াত শক্তি খণ্ডৰ গুৰুত্বপূৰ্ণ সাফল্যৰ ওপৰত আলোকপাত কৰিছে। সেই অনুসৰি এপিডিচিএল, কোকৰাঝাৰ বৈদ্যুতিক চক্ৰৰ লগতে কোকৰাঝাৰ জিলা প্ৰশাসন আৰু পাৱাৰগ্ৰীডে এই উপলক্ষে কালি এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। অহা ২৮ জুলাইত ছালাকাটিৰ কঠালগুৰি কমিউনিটি চেণ্টাৰত আৰু ২৯ জুলাইত কাশীবাৰীৰ ডবৰাগাঁও খেলপথাৰ আৰু ৩০ জুলাইত গ্ৰেণ্ড ফাইনাল খেলৰ উদ্‌যাপন কৰা হ'ব, য'ত ভাৰতৰ প্ৰধানমন্ত্ৰী পানবাৰীৰ হৰিণাগুৰি দ্বিতীয় খণ্ডৰ হিতাধিকাৰীসকলৰ স'তে মত বিনিময় কৰিব, যিখন গাঁও পাৰস্পৰিক ক্ৰিয়া-কলাপৰ বাবে অসমৰ পৰা বাছনি কৰা হৈছে। উল্লেখ্য যে কোকৰাঝাৰ জিলাত এতিয়ালৈকে দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনা (ডিডিইউজিজেৱাই) নতুন আঁচনিৰ অধীনত ৪০২ খন গাঁও/বসতিত বিদ্যুৎ সংযোগ কৰা হৈছে। এই আঁচনিৰ অধীনত ৩০২ টা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে, ১৬৫.৪৯৬ কিমিৰ ১১ কেভি লাইন আৰু ৭৬৭.২৭৭ কিলোমিটাৰ এলটি লাইন নিৰ্মাণ কৰা হৈছে আৰু ১৪০৭৫ টা পৰিয়াল (অন গ্ৰিড আৰু অফ গ্ৰিড) লাভান্বিত হৈছে। আৰু সৌভাগ্য আঁচনিত, ১০৬৮ খন গাঁও/বসতিস্থানত বৈদ্যুতিকৰণ কৰা হৈছে। এই আঁচনি অধীনত ৩৮০ টা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে, ২৬০.২৮৯ কিমিৰ ১১ কেভি লাইন আৰু ৮৯৭.৭০ কিলোমিটাৰ এলটি লাইন নিৰ্মাণ কৰা হৈছে আৰু কোকৰাঝাৰ জিলাত ৪৫,৫১২ টা পৰিয়াল (অন গ্ৰিড আৰু অফ গ্ৰিড) লাভান্বিত হৈছে। কোকৰাঝাৰ জিলাই 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ শক্তি @ ২০৪৭' উদ্‌যাপনৰ বাবে সাজু হৈছে। এই সন্দৰ্ভত কোকৰাঝাৰ এপিডিচিএল আৰু পাৱাৰগ্ৰিডৰ বিষয়াসকলৰ স'তে কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ অধ্যক্ষতাত শুকুৰবাৰে দুটা পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। নিপকোৰ কাৰ্যবাহী সঞ্চালক (অ' এম) সমৰজিৎ চক্ৰৱৰ্তীক চিপিএছইউয়ে উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যতৰ বাবে অসম ৰাজ্যিক ন'ডেল বিষয়া হিচাপে মনোনীত কৰে, এপিডিচিএলৰ জিএম (আৰই) অকন শৰ্মাই কোকৰাঝাৰ ভ্ৰমণ কৰি য'ত পৰৱৰ্তী কাৰ্যসূচীৰ বাবে সংশ্লিষ্ট বিভাগৰ প্ৰস্তুতি আৰু প্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়।

# চাবুৱাৰ ১০ টা কেন্দ্ৰত মইনা পাৰিজাতৰ প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত



অগ্ৰদূত বাৰ্তা

**চাবুৱা, ২৪ জুলাইঃ** 'ৰাজ্যৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক, শাৰীৰিক শ্ৰীবৃদ্ধিৰ ক্ষেত্ৰত অবিৰত পদক্ষেপ গ্ৰহণ কৰি অহা ৰাজ্যৰ আগশাৰীৰ শিশু অনুষ্ঠান হৈছে সদৌ অসম মইনা পাৰিজাত। প্ৰতিখন জিলাত সাংগঠনিকভাৱে সবল হৈ থকা অনুষ্ঠানৰ ডিব্ৰুগড় জিলাৰ অন্তৰ্গত চাবুৱা আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত আজি চাবুৱাৰ ১০ টা পৰীক্ষা কেন্দ্ৰত পঞ্চম বাৰ্ষিক প্ৰতিভা সন্ধানী পৰীক্ষা সুকলমে অনুষ্ঠিত হয়। এই ১০ টা পৰীক্ষা কেন্দ্ৰ হৈছে ক্ৰমে ৰহমৰীয়া জাতীয় বিদ্যালয়, ধোপাবৰ মাইজান প্ৰাঃবিঃ, হাতীআলি উচ্চ বুনিয়াদী বিদ্যালয়, তিয়ঁহজলীয়া প্ৰাঃবিঃ, গহীন চেতিয়া মঃইঃ বিদ্যালয়, দিনজয় সত্ৰ প্ৰাঃবিঃ, দংগৰচুক প্ৰাঃবিঃ, বগডুং পৰিশ্ৰমিক প্ৰাঃবিঃ, হৰগুণৰায় প্ৰাঃবিঃ,। পুলুঙা মঃ বিদ্যালয়। পঞ্চম বাৰ্ষিক এই প্ৰতিভা সন্ধানী পৰীক্ষা দুটা শাখাত অনুষ্ঠিত হয়। তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে ক শাখা আৰু ছষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ খ শাখাত ১০খন বিদ্যালয়ত প্ৰায় এহেজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। স্থানীয় কণ কণ মইনাসকলৰ বৌদ্ধিক-মানসিক শক্তি সবল কৰি তোলাৰ বাবে বিশেষভাৱে প্ৰশ্ন তৈয়াৰ কৰি প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰা হৈছে বুলি চাবুৱা আঞ্চলিক মইনা পাৰিজাতৰ বিষয়ববীয়াই জানিবলৈ দিছে।

# চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত গোৱালপাৰা ইংলিছ স্কুলৰ এশ শতাংশ উত্তীৰ্ণ

অগ্ৰদূত বাৰ্তা


**মাটিয়া, ২৪ জুলাই ঃ** সদ্য ঘোষিত চিবিএছইৰ ২০২২ৰ দশন শ্ৰেণীৰ পৰীক্ষাত গোৱালপাৰা ইংলিছ স্কুলৰ এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনিছে। এইবেলিৰ পৰীক্ষাত স্কুলখনৰ পৰা মুঠ ৫৭ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। ইয়াৰে আঠগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৯০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰাৰ বিপৰীতে ন গৰাকীয়ে ৮০ ৰ পাৰ ৯০ শতাংশৰ ভিতৰত, ছয়গৰাকীয়ে ৭০ৰ পৰা ৮০ শতাংশৰ ভিতৰত, ১২ গৰাকীয়ে ৬০ ৰ পৰা ৭০ শতাংশৰ ভিতৰত আৰু বাকীসকলে ৪১.৪ শতাংশৰ পৰা ৬০ শতাংশৰ ভিতৰত নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ইপিনে, ঋত্তিকা ঘটকে সৰ্বোচ্চ ৯৩.৮ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ শ্ৰেষ্ঠত্ব অৰ্জন কৰে। উল্লেখ্য যে গোৱালপাৰা ইংলিছ স্কুলে ধাৰাবাহিকভাৱে এশ শতাংশ উত্তীৰ্ণৰে উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈ আহিছে বুলি স্কুলখনৰ অধ্যক্ষ ধ্ৰুৱ কলিতাই জানিবলৈ দিয়ে।

# ধনশিৰি নদীৰ বক্ষৰ পৰা বংগোপসাগৰৰ তীৰলৈ 'নদী আৰু নাৰী' কাব্যিক অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৪ জুলাই ঃ** সুদূৰ বংগোপসাগৰৰ দীঘাৰ সমুদ্ৰ তীৰত 'নদী আৰু নাৰী'ৰ উদ্যোগত কবিতাৰ মজলিচ অনুষ্ঠান সম্পন্ন হয়। উল্লেখ্য যে ধনশিৰি নদীৰ বক্ষত ২০১৮ৰ জানুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা জাৰ্মানীৰ কহিনুৰ ৱৰ্ল্ড বুক অৱ ৰেকৰ্ডছৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত জনপ্ৰিয় কাব্যিক, বৌদ্ধিক তথা মানৱদৰদী অনুষ্ঠান 'নদী আৰু নাৰী'ৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে এটি আটক ধুনীয়া কাব্যানুষ্ঠান কালি পশ্চিমবংগৰ দীঘাৰ বংগোপসাগৰৰ তীৰত অনুষ্ঠিত হয়। নদী আৰু নাৰীৰ প্ৰতিষ্ঠাপক ৰণাল্ডো টাইদে আঁতধৰা অনুষ্ঠানৰ উদ্বোধন কৰে কবি ইকবাল হুছেইন খানে। লক্ষ্যণীয় যে দীঘাৰ সমুদ্ৰৰ তীৰত অনুষ্ঠানত অতি মনোগ্ৰাহীকৈ কবিতা পাঠ কৰে যুৱ প্ৰজন্মৰ কবি বিজয়া বৰা, প্ৰণিতা শৰ্মা, মামণি বড়ো, বিতোপন শইকীয়া, ৰিতুপৰ্ণা গগৈ, ৰেজিনা পাৰবিন, ৰিজুমনি দেৱী, দীপক ফুকন, শশাংক শেখৰ বৰুৱা আৰু কেন্দ্ৰীয় কাব্য সম্পাদিকা ৰিভাৰ দীপিকা ফুকনে। গোলাঘাট জিলাৰ ধনশিৰি নদীৰ বক্ষৰ পৰা দীঘাৰ সমুদ্ৰৰ তীৰলৈ অসমীয়া কবিতাৰ এই বৰ্ণিল যাত্ৰাত কাব্য প্ৰেমী ৰাইজে নদী আৰু নাৰী কাব্যিক অনুষ্ঠানক আদৰণি জনাইছে।

# মৰিগাঁৱত ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ৰূপায়ণ আৰু প্ৰত্যাহ্বান শীৰ্ষক কৰ্মশালা



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৪ জুলাই ঃ** মৰিগাঁও জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি দিনজোৰা কাৰ্যসূচীৰে মৰিগাঁও জিলা উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষ মঞ্চৰ উদ্যোগত 'ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০' ৰূপায়ণ আৰু প্ৰত্যাহ্বান শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি ১০ বজাত প্ৰয়াত অধ্যক্ষ ৰমেশ চন্দ্ৰ বৰাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা জোনাৰাণী ভাগৱতীয়ে বন্তি প্ৰজ্বলন কৰে ৰঞ্জিত বৰাই। কৰ্মশালাৰ উদ্বোধন কৰে মৰিগাঁও জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° বুলি গগৈ ভূঞাই। মুক্য আলোচক হিচাপে উপস্থিত থাকে জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন নেওগ, শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ।

আনহাতে, অনুষ্ঠানত জিলাখনৰ হাইস্কুল শিক্ষক সন্থাৰ সম্পাদক অনিল চন্দ্ৰ নাথ, মাধ্যমিক শিক্ষক সন্থাৰ সম্পাদক পৰেশ কুমাৰ নাথ, বিষয় শিক্ষক সন্থাৰ সম্পাদক লাহেশ্বৰ বৰদলৈ, মধ্য ইংৰাজী শিক্ষক সন্থাৰ সম্পাদক সংৰাম বৰদলৈ, প্ৰাথমিক শিক্ষক সন্থাৰ সম্পাদক ৰুবুল মেধি লগতে জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ-অধ্যক্ষা আৰু শতাধিক বিষয় শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। উল্লেখ্য যে শিক্ষা বিভাগৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ওপৰত বিশদভাৱে আলোচনা কৰা হয় আৰু এই ৰাষ্ট্ৰীয় শিক্ষা নীতি অসমত ৰূপায়ণৰ ক্ষেত্ৰত আহিবলগীয়া সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। ইপিনে, কৰ্মশালাৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়াই জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা জোনাৰাণী ভাগৱতীয়ে।

# নিয়ম বহিৰ্ভূতভাৱে হাট-বজাৰ পট্টন

## ■ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ বিৰুদ্ধে নিবিদাকাৰী-ৰাইজৰ গোৱালপাৰা উপায়ুক্তক অভিযোগ

**অগ্রদূত বাৰ্তা**

**মাটিয়া, ২৪ জুলাই ঃ** নিবিদা জাননী (এনআইটি)ত উল্লেখিত কে'বাটাও গুৰুত্বপূৰ্ণ দফা কাৰ্যকৰী নকৰাকৈয়ে গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই নিয়ম বহিৰ্ভূতভাৱে কে'বাখনো হাট-বজাৰ পট্টনৰ ব্যৱস্থা কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আতিফুৰ ৰহমান, ছহিদুল ইছলাম আৰু শ্বাহ আলমগিৰসহ কে'বাগৰাকী নিবিদাকাৰী তথা সচেতন ৰাইজে অলপতে গোৱালপাৰা জিলা উপায়ুক্তক এখনি লিখিত অভিযোগ দাখিল কৰিছে। অভিযোগ মতে, বিভাগীয় নিয়ম অনুসৰি যোৱা ২৮ জুনত কৃষ্ণাই আঞ্চলিক পঞ্চায়ত কাৰ্যালয়ত কৃষ্ণাই আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত হাট-বজাৰ, পাৰঘাট আদিৰ নিবিদা আহ্বান কৰে। উক্ত নিবিদা প্ৰক্ৰিয়াত ভালেসংখ্যক ৰাইজে নিবিদা দাখিল কৰিছে। নিবিদা জাননী (এনআইটি)ত উল্লেখ কৰা মতে, সৰ্বোচ্চ নিবিদাকাৰীয়ে তিনিদিনৰ ভিতৰত নিবিদা মূল্যৰ ৩০ শতাংশ টকা জমা দিয়াৰ লগতে সাতদিনৰ ভিতৰত চুক্তিপত্ৰ কৰিব লাগে। টকা জমা দিয়া আৰু চুক্তিপত্ৰ সম্পাদন কৰাৰ পাছতহে চূড়ান্ত বন্দোবস্তি দি লেচীক খাজনা আদায়ৰ দায়িত্ব অৰ্পণ কৰিব লাগে। উল্লেখ্য যে কৃষ্ণাই সপ্তাহিক পশু হাটৰ বিপৰীতে আজাদ হুছেইনে ৩৫ লাখ ৫০ হেজাৰ ৫০১ টকা, কৃষ্ণাই সপ্তাহিক হাটৰ বিপৰীতে লোহিত চন্দ্ৰ ৰাভাই ৩১ লাখ ৮১ হেজাৰ টকা, কৃষ্ণাই দৈনিক বজাৰৰ বিপৰীতে তাজনুৰ ইছলামে ২৬ লাখ ৫০ হেজাৰ টকা কৃষ্ণাই দৈনিক তামোল-পাণ আৰু শুনাম চুপাৰি বজাৰৰ বিপৰীতে মঞ্জিল আলীয়ে ২৬ লাখ ৫০ হেজাৰ টকাৰ নিবিদা দাখিল কৰিছে। স্থায়ী বন্দোবস্তি নিদিয়াকৈয়ে গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই উল্লেখিত লোকসকলৰ হতুৱাই যোৱা ১৩ জুলাইৰ পৰা চাৰিওখন বজাৰৰ খাজনা সংগ্ৰহৰ বাবে দায়িত্ব অৰ্পণ কৰাত চৰকাৰে বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে। ইপিনে, যোৱা ছয় জুলাইত এদিনৰ বাবে কৃষ্ণাই সপ্তাহিক পশু হাটখন খোলা ডাকত এক লাখ ৭১ হেজাৰ ৫০০ টকাৰ বিনিময়ত আজাদ হুছেইনক খাজনা আদায়ৰ দায়িত্ব অৰ্পণ কৰিছিল। কিন্তু ঈদ উপলক্ষে সৰ্বসাধাৰণ ৰাইজৰ মূৰত ৰামটাঙোন মাৰি সম্পূৰ্ণ অন্যায় আৰু অবৈধভাৱে ছাগলীৰ খাজনা ৫০ টকাৰ পৰিৱৰ্তে ১০০ টকা আৰু গৰুৰ খাজনা ১০০ টকাৰ পৰিৱৰ্তে ২৫০ টকাকৈ সংগ্ৰহ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এই সন্দৰ্ভত উক্ত দিনাই কৃষ্ণাই আৰক্ষী থানাত এখন লিখিত অভিযোগ দাখিল কৰা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। সেয়েহে অতি শীঘ্ৰেই অনিয়মসমূহৰ বিৰুদ্ধে উপযুক্ত তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে জিলা উপায়ুক্তক দাবী জনাইছে অভিযোগকাৰীসকলে। অভিযোগ পত্ৰৰ প্ৰতিলিপি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিবলৈ প্ৰেৰণ কৰা বুলি জনা গৈছে। এই ক্ষেত্ৰত যদি নিয়ম অনুযায়ী ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেন্তে আইনৰ কাষ চাপিবলৈ বাধ্য হ'ব বুলিও হুংকাৰ দিছে।

## হাজোৰ দিহিনা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সম্বৰ্ধনা সভা

**অগ্রদূত বাৰ্তা**

**হাজো, ২৪ জুলাই ঃ** হাজোৰ দিহিনা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰশংসনীয় পদক্ষেপ। স্বাস্থ্য কেন্দ্ৰটোত আজি অনুষ্ঠিত হৈ যায় এক সম্বৰ্ধনা সভা। স্বাস্থ্য কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া ডাঃ সোণচন্দ্ৰ মালাকাৰৰ আহ্বান মৰ্মে স্বাস্থ্য কেন্দ্ৰ উন্নয়ন সমিতিৰ সভাপতি তথা দিহিনা কৃষ্ণদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বিশ্ব গোস্বামীৰ সভাপতিত্বত দিনৰ ১১ বজাত অনুষ্ঠিত সভাত অঞ্চলটোৰ ২০ জন উদীয়মান যুৱকক ফুলাম গামোচা আৰু লেখক মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে' শীৰ্ষক গ্ৰন্থৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে অঞ্চলটোৰ এই ২০ জন উদীয়মান যুৱকে বিগত প্ৰলয়ংকৰী বানৰ পাছত স্বাস্থ্য কেন্দ্ৰটোৰ কদৰ্যময় পৰিৱেশ স্বইচ্ছাই পৰিষ্কাৰ কৰি এক স্বাস্থ্যৰ পৰিৱেশ গঢ়ি তুলিছিল। সভাত দিহিনা কৃষ্ণদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অপূৰ্ব দাস, নৃপেন মজুমদাৰ, প্ৰবীণ তালুকদাৰ, কালিপ্ৰসাদ দাস, সোণেশ্বৰ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক ৰঙনাথ দাস আৰু জন্টি দাসকে ধৰি অঞ্চলটোৰ ভালে সংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

## কলাইগাঁৱত দুৰ্গত কল্যাণ ন্যাসৰ

১২ পৃষ্ঠাৰ পৰা প্ৰদান কৰে। ন্যাসৰ সভাপতি দিঠকানন্দ হাজৰিকাই সভাপতিত্ব কৰা সভাৰ প্ৰাক্কক্ষণত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে সমাজকৰ্মী কমিৰাম চহৰীয়া আৰু অৱসৰপ্ৰাপ্ত শিক্ষক ধীৰেন বৰা নাৰ্জীয়ে। উল্লেখ্য যে উক্ত অনুষ্ঠানত মেট্ৰিকত উত্তীৰ্ণ ১৮ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ ছগৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে ছয়গৰাকী দুৰাৰোগ্য ৰোগীক আৰ্থিকভাৱে সাহায্য প্ৰদান কৰা হয় বুলি ন্যাসৰ সম্পাদক নগেন বৈশ্যই জানিব দিয়ে। সভাত মুখ্য অতিথিৰূপে অৱসৰপ্ৰাপ্ত প্ৰশাসনীয় বিষয়া মদন চন্দ্ৰ ডেকা, বিশিষ্ট অতিথিৰূপে বিটিআৰৰ ই এম দিগন্ত বৰুৱা আৰু নিমন্ত্ৰিত অতিথিৰূপে ওদালগুৰিৰ অতিৰিক্ত উপায়ুক্ত বিৰাজ বৰুৱা, খণ্ড উন্নয়ন বিষয়া ৰবিন বৰুৱা, প্ৰাক্তন বিধায়ক মহেশ্বৰ বড়ো, ভাৰতীয় ষ্টেট বেংকৰ মুখ্য প্ৰবন্ধক শিৱপ্ৰসাদ শৰ্মা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। আনহাতে, সভাৰ আৰম্ভণিতে ন্যাসৰ সমবেত সংগীত পৰিৱেশন কৰা হয়।

## ভাৰত-ভূটান সীমান্তৰ গোপীনাথপুৰত

১২ পৃষ্ঠাৰ পৰা অনুষ্ঠানত উপস্থিত থাকি বড়োলেণ্ড সাংবাদিক সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰমেন দাসে কয়, 'তামুলপুৰ বিভিন্ন চহকী সংস্কৃতিৰে পৰিপূৰ্ণ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় থলী। লোক -সংস্কৃতিৰ কৰ্মশালাৰ জৰিয়তে এটা জাতিৰ কৃষ্টি-সংস্কৃতি আন এটা জাতিৰ যুৱক-যুৱতীয়ে আঁকোৱালি লোৱাটো আমাৰ সমাজখনৰ বাবে এক শুভ লক্ষণ। তামুলপুৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়নে বিভিন্ন জাতিৰ লোক কৃষ্টিসমূহ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে লোৱা পদক্ষেপক সাংবাদিক ৰমেন দাসে ভূয়সী প্ৰশংসা কৰে। আজিৰ সামৰণি অনুষ্ঠানত জনগোষ্ঠীয় ঐক্যমঞ্চ অসমৰ সভাপতি ৰামেশ্বৰ ব্ৰহ্ম, সাংস্কৃতিক মহাসভাৰ তামুলপুৰ জিলা সমিতিৰ সভাপতি গোপীনাথ দাস, নাৰদ ভট্টৰাই লগতে আন কে'বাজনে ভাষণ ৰাখে। লক্ষ্মী ভট্টৰাই, মীনা মগৰ,পুষ্প পাঠক, মেঘনাথ প্ৰধান আৰু হেম প্ৰধানে প্ৰশিক্ষণ দিয়া আজিৰ এই সামৰণি অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলৰ মাজত প্ৰমাণপত্ৰসমূহ বিতৰণ কৰা হয়।

## হালোৱাগাঁৱত বিহুনাচ-ঢোলবাদন

১২ পৃষ্ঠাৰ পৰা ৰাজহ চক্ৰ বিষয়া ৰিপনজ্যোতি নাথ উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি কয় যে পঢ়া-শুনাৰ মাজতে আমি আমাৰ সংস্কৃতি জীয়াই ৰাখিব লাগিব। একাগ্ৰতা থাকিলে সকলো কামতে সফল হ'ব পাৰি বুলি উল্লেখ কৰি তেওঁ আমি আমাৰ সংস্কৃতি জীয়াই ৰাখিবলৈ নতুন প্ৰজন্ম এনেদৰে আগবাঢ়ি আহিব লাগিব বুলি উল্লেখ কৰে। মুকলি সভাত পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰণৱ বৰঠাকুৰ, পুৰণিগুদাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজিত সোণোৱাল, বিহু বিশেষজ্ঞ হৰেণ নাথ, অনুপ বৰুৱা, বিদ্যালয়খনৰ প্ৰধান শিক্ষক অসীম ভূঞা, প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী ৰেণু হাজৰিকা, সমাজকৰ্মী অৰুণ শইকীয়া, উপেন্দ্ৰ নাথ শইকীয়া, অকণ শইকীয়া, সাংবাদিক তপন কটকী, নিপুল বৰা, ভাৰ্গৱ হাজৰিকা, জয়ন্ত বৰা, নয়নমণি বৰা, বিভূতি বৰা, বৰুণজ্যোতি নেওগ উপস্থিত থাকে। সভাৰ মাজে মাজে প্ৰশিক্ষাৰ্থীসকলে বিহুনৃত্য, ঢোল বাদন আদি প্ৰদৰ্শন কৰে। অনুষ্ঠানত বহুকেইগৰাকী অভিভাৱক, অভিভাৱিকা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## বৰ্তমান অসমীয়া জাতিৰ সন্মুখত

১২ পৃষ্ঠাৰ পৰা পৰিচয় হ'ব নোৱাৰে। কিন্তু অসমীয়াৰ মাজত যিমানেই প্ৰত্যাহ্বান নাহক কিয় যেতিয়ালৈকে অসমত নামঘৰ থাকিব তেতিয়ালৈকে অসমৰ মানুহৰ মুখৰ পৰা কেতিয়াও অসমীয়া ভাষা কাঢ়ি নিব নোৱাৰে। মৰিগাঁও সমষ্টিৰ বিধায়ক তথা শ্ৰীমন্ত শংকৰদেৱ গণ কৃষ্টি বিকাশ কেন্দ্ৰৰ সভাপতি ৰমাকান্ত দেউৰী সঞ্চালনাত অনুষ্ঠিত সভাত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ ৰাখে নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° কৃষ্ণ মেধিয়ে। অনুষ্ঠানত উপস্থিত থাকে মৰিগাঁও জিলাৰ সাংবাদিক অজিত শৰ্মা, মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাস, তিৱা স্বায়ত্তশাসিত পৰিষদৰ ভোমোৰাগুৰি সমষ্টিৰ সদস্য দেৱকান্ত বৰদলৈ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি শান্তনু শৰ্মা, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মনোনীত সদস্য অজিত ডেকা, সাংবাদিক দীপাংকৰ নাথ, মানস নাথ আৰু পুলিন কাকতি উপস্থিত থাকে। লগতে এই সভাতে সদৌ অসম গ্ৰাম্য পুথিভঁড়ালৰ তৰফৰ পৰা শ্ৰীমন্ত শংকৰদেৱ গণ কৃষ্টি বিকাশ কেন্দ্ৰও গ্ৰন্থাগাৰলৈ এটি কিতাপৰ টোপোলা আগবঢ়া সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাই। লগতে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মিকিৰভেটা অঞ্চলৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৯ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

## লাওখোৱাত এমজি এনৰেগা ৰূপায়ণৰ

১২ পৃষ্ঠাৰ পৰা ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। ভূৰবন্ধাত ২০২১-২২ত এক কোটি ৯৫ লাখ ৪২ টকা আৰু ২২-২৩ত ৭০ লাখ ৬২ হেজাৰ টকা ব্যয় হোৱাৰ তথ্য পোহৰলৈ আহিছে। আনহাতে, অতিশয় আওহতীয়া ভাটিয়াখালি পঞ্চায়তত ২০২১-২২ত এক কোটি আঠ লাখ ৭৪ হেজাৰ টকা আৰু ২২-২৩ত ২৭ লাখ ৯২ হেজাৰ টকা ব্যয় কৰিছে। কাৰৈমাৰী পঞ্চায়তত ২০২১-২২ত এক কোটি ২৫ লাখ ৯৭ হেজাৰ আৰু ২২-২৩ত ১৩ লাখ ৬৪ হেজাৰ টকা ব্যয় কৰিছে। তদুপৰি ২০২১-২২ত লাইলুৰীত এক কোটি ১৬ লাখ ৪৫ হেজাৰ, শালপাৰাত এক কোটি ৪৪ লাখ, শিঙিমাৰীত এক কোটি ২৮ লাখ আৰু মাগুৰমাৰীত এক কোটি দুই লাখ টকা ব্যয় কৰাৰ তথ্য পোহৰলৈ আহিছে। উন্নয়ন খণ্ডটোৰ একাংশ গাঁও পঞ্চায়তৰ এনৰেগা আঁচনিৰ কামত সামান্য মাটি ছটিয়াই জিআৰএছ আৰু ঠিকাভিত্তিক কনিষ্ঠ অভিযন্তাৰ পৃষ্ঠপোষকতাত লাখ লাখ টকাৰ ডিমাণ্ড দি পুঁজি মোকলাই দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উন্নয়ন খণ্ডটোত শেহতীয়াকৈ গ্ৰামোন্নয়ন বিভাগে মোক্তাৰ উদ্দিন আহমেদক সহকাৰী কাৰ্যবাহী অভিযন্তা পদত অধিষ্ঠিত কৰি উন্নয়ন খণ্ডটোত নিয়োজিত কৰিলেও জ্যেষ্ঠ অভিযন্তাজনে ৰহস্যজনকভাৱে কামৰ মান পৰিদৰ্শন নকৰাৰ অভিযোগ উঠিছে। এচাম পঞ্চায়ত প্ৰতিনিধি আৰু মধ্যভোগীৰ আঙুলিৰ ঠাৰত উঠা-বহা কৰা জিআৰএছ আৰু ঠিকাভিত্তিক অভিযন্তাই ব্যাপক হাৰত ভুৱা ডিমাণ্ড দি চৰকাৰী পুঁজি শৰাধ কৰা সত্ত্বেও সহকাৰী কাৰ্যবাহী অভিযন্তাৰ উপৰি নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগে কোনো ধৰণৰ কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে। সামান্য কাম কৰি আৰু সেই কামকেই নতুনকৈ কৰা দেখুৱাই জবকাৰ্ড শ্ৰমিকৰ নামত পাৰিশ্ৰমিক মোকলাই দি এচাম পঞ্চায়ত প্ৰতিনিধি আৰু মধ্যভোগীক কোৰোণাৰে ধন ঘটা কাৰ্যত হাত উজান দিয়া জিআৰএছ আৰু ঠিকাভিত্তিক অভিযন্তাক নাকি লগাবলৈ সচেতন মহলে দাবী জনাইছে। উল্লেখ্য যে উন্নয়ন খণ্ডটোৰ এনৰেগাৰ আঁচনিসমূহত এক উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্ত হ'লেই গ্ৰামোন্নয়নৰ কেলেংকাৰি পোহৰলৈ অহাটো নিশ্চিত।

## কৰ্মসংস্কৃতিত গুৰুত্বৰ আহ্বান শিক্ষাবিদ

১২ পৃষ্ঠাৰ পৰা সোণোৱাল, জিমাই কৃষ্ণ সোণোৱাল, কৰুণাকান্ত সোণোৱাল, মেঘালী চেলেং, কাব্যশ্ৰী সোণোৱাল, হেপিমণি সোণোৱাল, মৃণাল সোণোৱাল, অংকিতা সোণোৱাল, অসীম সোণোৱাল আৰু তুহিনা সোণোৱালক একোখনকৈ প্ৰশস্তিপত্ৰ, কিতাপ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সভাত চিলাপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নন্দেশ্বৰ কছাৰীয়ে সম্প্ৰতি কৰ্মবিমুখ হৈ পৰা বুলি গভীৰ উদ্বেগ প্ৰকাশ কৰি আলহীক ফেন নহয় বিচনী আৰু শিশুক ফলৰ ৰসাস্বাদনৰ বাবে পেকেট ৰস নহয় গোটা ফল দিব লাগে যাতে কৰ্ম কৰি খোৱাৰ পৰিৱেশত অভ্যস্ত হয়। তদুপৰি কৃতী ছাত্ৰ-ছাত্ৰীসকলক কলেজীয়া শিক্ষা সম্পৰ্কীয় বিভিন্ন দিহা-পৰামৰ্শ প্ৰদান কৰে। সভাত উপস্থিত চিলাপথাৰ ৰেছিডেন্সিয়েল হায়াৰ ছেকেণ্ডাৰী স্কুলৰ বিষয় শিক্ষক মহিম বৰুৱাই কেৱল এখন ভাল নম্বৰৰ তালিকা লাভেই শিক্ষা আহৰণৰ মূল লক্ষ্য হোৱা অনুচিত। পাঠ্যক্ৰমৰ বাহিৰলৈ গৈ যিকোনো পৰিস্থিতিত খাপ খাব পৰাকৈ উপযুক্ত ৰূপত নিজকে গঢ় দিবলৈ আহ্বান জনায়। একেদৰে সাম্প্ৰতি সময়ত ব্যাপক চাহিদা থকা বিভিন্ন বৃত্তিমূলক পাঠ্যক্ৰমৰ ওপৰতো গুৰুত্ব দিবলৈ কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। সেইদৰে সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ ধেমাজি জিলাৰ সম্পাদক চন্দন কছাৰী, অভিভাৱকৰ তৰফৰ পৰা ত্ৰিদীপ সোণোৱাল, টংকেশ্বৰ সোণোৱালৰ লগতে কে'বাজনো কৃতী ছাত্ৰ-ছাত্ৰীয়ে বক্তব্য প্ৰদান কৰে। অতিথি হিচাপে চিলাপথাৰ পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ আদিত্য সোণোৱাল, অৰুণোদয় জনজাতি মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক ব্ৰজেন বাগলাৰী, সমাজকৰ্মী পোৱাল সোণোৱাল, নিপন সোণোৱাল, দিগন্ত সোণোৱাল, জোন হাজৰিকা, বিষয় শিক্ষক মহিম বৰুৱা, কমল কছাৰী, ত্ৰিদীপ সোণোৱাল আদি বহু লোক উপস্থিত থাকে।

## তেজপুৰত আঁত ধৰা এংকৰিঙৰ

১২ পৃষ্ঠাৰ পৰা লগতে ময়ো তবধ মানিছিলো।' প্ৰখৰ স্মৃতিৰ অধিকাৰী আৰু কথনশৈলীৰ বাবে সকলোৰে মাজত সমাদৃত বৰুৱাই বিগত সময়ছোৱাত আঁত ধৰাৰ ভূমিকা, দৃশ্য-শ্ৰব্য আদি সংগ্ৰহ কৰি কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলৰ আগত অৱগত কৰিলে তেওঁলোক উপকৃত হ'ব বুলি কৈ ড° দাসে তেনে এগৰাকী ব্যক্তিৰ সোঁৱৰণত আয়োজিত এই কৰ্মশালা এক ব্যতিক্ৰমী অনুষ্ঠান আৰু প্ৰয়াস হিচাপে চিহ্নিত হৈছে। সামৰণি অনুষ্ঠানত উপস্থিত থকা কৰ্মশালাৰ একাশ প্ৰশিক্ষকক হেমন্ত কুমাৰ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ তৰফৰ পৰা একোখনকৈ ধন্যবাদসূচক মানপত্ৰ প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱাই আঁত ধৰা তথা তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়া সন্মানীয় অতিথিৰূপে উপস্থিত থকা অনুষ্ঠানত 'গণসংযোগ বিভাগৰ অন্যতম অংগ হিচাপে আঁত ধৰোতাৰ ভূমিকা' শীৰ্ষক বিষয়ত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে ড° চক্ৰৱৰ্তীয়ে। তেজপুৰ বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° চক্ৰৱৰ্তীয়ে আগবঢ়োৱা বক্তব্যত কয় যে আমাৰ বিভাগটোত এংকৰিঙৰ এটা পাঠক্ৰম আছে যদিও শিক্ষাৰ্থীসকলক শিকাবলৈ যাওঁতে বিশেষ তথ্য বা দিশ বিচাৰি পোৱা নাযায় বুলি উল্লেখ কৰি সমিতিৰ তৰফৰ পৰা প্ৰকাশিত হাতপুথিখন অনাগত দিনত সহায়ক হ'ব বুলি মন্তব্য কৰে ড° চক্ৰৱৰ্তীয়ে। তেওঁ আৰু কয় যে আঁত ধৰোতাসকলে সমাজৰ বিভিন্ন ক্ষেত্ৰত সেতুবন্ধনৰ দৰে কাৰ্যৰ স'তে জড়িত হয়। একোগৰাকী দক্ষ আঁত ধৰোতাই ভাষাৰ ওপৰত দক্ষতা আহৰণ কৰাৰ লগতে ব্যক্তিত্ব আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিব লাগিব বুলিও কয় ড° চক্ৰৱৰ্তীয়ে। কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক সামৰণি অনুষ্ঠানত একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

## সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয় ছবছৰতো

১২ পৃষ্ঠাৰ পৰা ৰাইজ আৰু অঞ্চলটোৰ কে'বাটাও সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংশ্লিষ্ট বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইপিনে, ঠিকাদাৰৰ এনে ষড়যন্ত্ৰৰ বিষয়ে জানিব পাৰি স্থানীয় ৰাইজ আৰু কে'বাটাও সংগঠনৰ প্ৰতিনিধিয়ে ইতিপূৰ্বে নিৰ্মীয়মাণ চিকিৎসালয় গৃহটো পৰ্যবেক্ষণ কৰি চিকিৎসালয়খনৰ চিলিং, দুৱাৰ, খিৰিকী আদি অতি নিম্নমানৰ হোৱাৰ লগতে পানী যোগান আৰু বৈদ্যুতিক সামগ্ৰীসমূহো যথেষ্ট নিম্নমানৰ বুলি প্ৰত্যক্ষ কৰে। তদুপৰি অসম্পূৰ্ণ পথ নিৰ্মাণৰ লগতে যানবাহনৰ পাৰ্কিং ব্যৱস্থা হৈ উঠা নাই। ৰাইজ তথা সংগঠনৰ প্ৰতিনিধিবৰ্গই সমস্ত কাম-কাজ দায়িত্বৰত কনিষ্ঠ অভিযন্তাগৰাকীক দেখুওৱাৰ পাছত গৃহটো বিসংগতিৰে নিৰ্মাণ কৰা সন্দৰ্ভত ৰাইজে দাখিল কৰা অভিযোগৰ সত্যতা স্বীকাৰ কৰে আৰু তেনে বিসংগতি শীঘ্ৰে আঁতৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে যদিও আজি পৰ্যন্ত সেই সন্দৰ্ভতো কোনো ব্যৱস্থাই নল'লে। ইপিনে, সঁজাতী দলটোৰে সৃজনগ্ৰামৰ চৰকাৰী গৃহৰ পৰা তুলঙীয়াৰ ভাড়াঘৰলৈ স্থানান্তৰিত কৰা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া (তদানীন্তন) চফিলা বেগমে বিগত ২০২০ৰ জুনত স্থানীয় ৰাইজৰ অজ্ঞাতে নিজৰ সুবিধা আৰু স্বাৰ্থ আগত ৰাখি সামান্য অজুহাততে কাৰ্যালয়টো ভাড়াঘৰ এটালৈ স্থানান্তৰিত কৰে। এই বিষয়ে অৱগত হোৱাৰ পাছৰে পৰা স্থানীয় ৰাইজ, বিভিন্ন সংগঠন তথা অংগনৱাড়ী কৰ্মী, সহায়িকাসকলে জাণ্ডুৰ খাই উঠে আৰু কাৰ্যালয়টো সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ চৰকাৰী গৃহলৈ অনাৰ দাবী উত্থাপন কৰে। উল্লেখ্য যে যি অজুহাতত প্ৰকল্প বিষয়াই কাৰ্যালয়টো ভাড়াঘৰ এটালৈ স্থানান্তৰিত কৰিছিল সেই বিষয়ে ৰাইজ অৱগত হোৱাৰ পাছত সৃজনগ্ৰামৰ খণ্ড উন্নয়ন বিষয়া আৰু স্থানীয় সংগঠনৰ সহযোগত চৰকাৰী গৃহৰ টিনপাত, চিলিং আদি নতুনকৈ সজাই-পৰাই তোলাৰ লগতে হাবি-জংঘলেৰে আৱৰি থকা কাৰ্যালয়ৰ চৌহদ চাফা কৰি সংশ্লিষ্ট বিভাগক অৱগত কৰিছিল। তাৰ পাছত বিভাগটোৰ বিষয়াই কাৰ্যালয়টো পৰ্যবেক্ষণ কৰি পৰিৱেশ অধ্যয়নৰ বাবে উক্ত স্থানত উপস্থিত হৈ কাৰ্যালয়টো পুনৰ ওভতাই অনা হ'ব বুলি আশ্বাসো দিছিল। কিন্তু আজি দুটা বছৰ পাৰ হোৱাৰ পাছতো বিভাগটোৱে কোনো ব্যৱস্থা নোলোৱাত জিলা উপায়ুক্তৰ হস্তক্ষেপ বিচাৰি আবেদন জনায়।

## সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ দ্বিতীয় মৃত্যু বাৰ্ষিকী অনুষ্ঠান

### ■ বীণা ডেকাক মৰণোত্তৰভাৱে ষড়ানন বৰঠাকুৰ সোঁৱৰণী বঁটা প্ৰদান



**অগ্রদূত বাৰ্তা**

**শিঙৰী, ২৪ জুলাই ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে সু সংগঠক ষড়ানন বৰঠাকুৰৰ স্মৃতিত প্ৰতি বছৰে ষড়ানন বৰঠাকুৰ সোঁৱৰণী বঁটা প্ৰদান কৰি আহিছে। লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ দ্বিতীয় মৃত্যু বাৰ্ষিকী অনুষ্ঠান আৰু ষড়ানন বৰঠাকুৰ সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান কালি ঢেকিয়াজুলিত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আৰু লেখিকা সমাৰোহ সমিতিৰ শোণিতপুৰ জিলা সমিতিৰ সহযোগত ঢেকিয়াজুলি চহৰৰ ড° ভূপেন হাজৰিকা সাংস্কৃতিক কেন্দ্ৰত আয়োজিত ড° শীলা বৰঠাকুৰৰ দ্বিতীয় মৃত্যু বাৰ্ষিকী অনুষ্ঠান আৰু ষড়ানন বৰঠাকুৰ সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে আৰম্ভ কৰা হয়। দিনৰ ১১ বজাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰে। অনুষ্ঠানত প্ৰয়াত ষড়ানন বৰঠাকুৰ আৰু পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ড° সঞ্জীৱ বৰঠাকুৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা ড° থুনু কলিতাই। লেখিকা নীলিমা বৰাই সভা উদ্বোধন কৰে। উদ্বোধক নীলমা বৰাই নিজৰ ভাষণত লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বৰঠাকুৰ আৰু সুসংগঠক বৰঠাকুৰৰ অৱদানৰ কথা প্ৰকাশ কৰাৰ লগতে অসমৰ সমাজ জীৱনলৈ যথেষ্ট অৰিহণা আগবঢ়াই থৈ যোৱা বুলি তেওঁ মন্তব্য কৰে। সভাত লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° যোগেন শইকীয়া আৰু ঢেকিয়াজুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ বৰাই বিশিষ্ট অতিথিৰ ভাষণ ড° শীলা বৰঠাকুৰ আৰু ষড়ানন বৰঠাকুৰক স্মৰণ কৰে। সভাত লেখিকা কল্পনা কলিতাৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। ঢেকিয়াজুলি শাখা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱভূষণ মহন্ত আৰু লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী পুষ্পা গগৈয়ে লেখিকা কলিতাৰ 'শৰৎ অহাৰ বাতৰিলৈ' আৰু 'বৰষুণৰ বতৰত মইনা নুঠে মটৰত' শীৰ্ষক দুখন পুথি উন্মোচন কৰে। এই সভাত ডুমডুমাৰ সমাজ সেৱিকা প্ৰয়াত বীণা ডেকাক মৰণোত্তৰভাৱে ষড়ানন বৰঠাকুৰ সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। পদ্মশ্ৰী ড° বৰঠাকুৰ আৰু ষড়ানন বৰঠাকুৰৰ পুত্ৰ ড° সঞ্জীৱ বৰঠাকুৰৰ সহযোগত এই বঁটা প্ৰদান কৰা হয়। সভাত লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী মামণি ভূঞা হাজৰিকা, লেখিকা সমাৰোহ সমিতিৰ শোণিতপুৰ জিলা সমিতিৰ সভানেত্ৰী ৰুমা দেৱী, ঢেকিয়াজুলি শাখাৰ সভানেত্ৰী অনুপমা দাস, সম্পাদিকা ৰুণজুন নাথ, তেজপুৰ শাখাৰ সভানেত্ৰী মনোমতী কুৰ্মী, দিব্যলতা ডেকা, ধীৰেন ডেকা, ঢেকিয়াজুলি জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক শচীন বৈশ্যৰ লগতে লেখিকা সমাৰোহ সমিতিৰ সদস্যসকল উপস্থিত থাকে।

## বৰখালাত গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানত 'নাটকৰ এনিশা'



**অগ্রদূত বাৰ্তা**

**বাহাৰঘাট, ২৪ জুলাই ঃ** নলবাৰী জিলাৰ বৰখালাত যোৱা পাঁচ জুলাইৰ পৰা ঈশ্বৰী (সামাজিক-সাংস্কৃতিক বিকাশৰ ভেটি)ৰ উদ্যোগত আৰু পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আয়োজিত নৱম বাৰ্ষিক গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ অহা ৩০ জুলাইত সামৰণি পৰিব। সেইদিনা কৰ্মশালাৰ সামৰণিৰ লগত সংগতি ৰাখি মহেশ্বৰ ভট্টাচাৰ্য সোঁৱৰণী মঞ্চত নিশা নাটকৰ এনিশা কাৰ্যসূচীৰ আয়োজন কৰিছে। তদুপলক্ষে সেইদিনা পতাকা উত্তোলন কৰিব ঈশ্বৰীৰ উপ-সভাপতি মণ্টু শৰ্মাই। স্মৃতি তৰ্পণ কৰিব থানপাতকুছি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল দাসে, ন বজাত গোপেশ্বৰ ভট্টাচাৰ্য সোঁৱৰণী নাট্য ক্ষেত্ৰ উন্মোচন কৰিব ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তৰ সভাপতি যোগেশ্বৰ শৰ্মাই। সৰ্বেশ্বৰ ডেকা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক সত্যব্ৰত শৰ্মাই। ১০ বজাত ধনচা আলি সোঁৱৰণী চিত্ৰ প্ৰদৰ্শনী উন্মোচন কৰিব বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মনোজ ডেকাই। বশিষ্ঠ ডেকা সোঁৱৰণী আকস্মিক বক্তৃতা প্ৰতিযোগিতা উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক ৰামেশ্বৰ ভূঞাই কবিৰাম দাস সোঁৱৰণী কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব ভাৰতীয় কিষাণ সংঘৰ বড়িগোগ মণ্ডল সভাপতি নৰকুমাৰ দাসে, কুইজ প্ৰতিযোগিতাৰ সঞ্চালনা কৰিব পঃ বঃ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তূলেন চন্দ্ৰ লহকৰে। আবেলি বিশিষ্ট সমাজকৰ্মী গগন চন্দ্ৰ কলিতা আৰু বিজেপি যুৱ মৰ্চাৰ বড়িগোগ মণ্ডল সমিতিৰ সভাপতি হৰেশ্বৰ দাসে বন্তি প্ৰজ্বলন কৰিব। মহেশ্বৰ ভট্টাচাৰ্য সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব সমাজকৰ্মী কংকন কাশ্যপে। পাছত সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানত গ্ৰন্থ উন্মোচন কৰিব বৰভাগ মহাবিদ্যালৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° চন্দন কলিতাই, অনুষ্ঠানত অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক তথা বিশিষ্ট চিকিৎসক ডাঃ অৰুণ চন্দ্ৰ শৰ্মাক ৰাজহুৱা সম্বৰ্ধনা জনোৱৰ লগতে। নৰকান্ত দাসৰ স্মৃতিত নাটকৰ এনিশা উদ্বোধন কৰিব পঃ বঃ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱাই। গুৱাহাটী থিয়েটাৰ গিল্ডৰ শিল্পীসকলে নৰেন পাটগিৰিৰ ৰচনা আৰু পৰিচালনাৰে বিদ্যা বালান ৫০০১/ই বি ই মঞ্চস্থ কৰিব। ইয়াৰ পাছতে কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলৰ অভিনয়ৰে প্ৰশিক্ষক তথা নাট্যকাৰ পৰিচালক বুবুল কলিতাৰ ৰচনা আৰু পৰিচালনাৰে যন্ত্ৰ নাট মঞ্চস্থ কৰিব।

## কুকুৰমাৰা আৰক্ষীয়ে সুৰাৰ বিৰুদ্ধে অভিযান চলাই নিশা জব্দ কৰে ৫০০ লিটাৰ চুলাই

**ছয়গাঁও, ২৪ জুলাই ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ সমীপৰ কুকুৰমাৰা গাঁৱৰ ৰাজহুৱা খেলপথাৰত যোৱা নিশা চুলাহৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলায়। কুকুৰমাৰাৰ আৰক্ষী বিষয়া বলেন কলিতাৰ নেতৃত্বত চলোৱা এই অভিযানত জব্দ কৰা হয় ৫০০ ৰো অধিক লিটাৰ চুলাই সুৰা। আৰক্ষীক দেখি আন্ধাৰৰ সুযোগ লৈ সুৰা এৰি পলায়ন কৰে সুৰা বেপাৰী। পিছে জব্দকৃত সুৰাসমূহ নিশাই আৰক্ষীয়ে কুকুৰমাৰা আৰক্ষী চকীলৈ লৈ আহে। পাছত মাজ নিশা কুকুৰমাৰা আৰক্ষীয়ে থানাৰ পিছফালে নষ্ট কৰে চুলাই মদসমূহ।

## টেঙাখাতত কাব্যালোচনী

১২ পৃষ্ঠাৰ পৰা কবিতা' উন্মোচন কৰে ডিব্ৰুগড় জিলা কবি সন্মিলনৰ উপ-সভাপতি ৰুদ্ৰ গগৈয়ে। বিশিষ্ট লেখিকা ফুলনী ফুকনে ৰচনা কৰা 'মানুহে মানুহৰ বাবে' নামৰ গল্প পুথিখন উন্মোচন কৰে কবি যোগেশ বিকাশ গগৈয়ে আৰু কবি ননী বৰুৱা গগৈৰ কাব্যপুথি 'মই নজনাকৈ খোল খাই কবিতাৰ দুৱাৰ' উন্মোচন কৰে কবি নিমিশা শইকীয়াই। গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ পাছতে অনুষ্ঠিত কৰা স্বৰচিত কবিতা পাঠ অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ একুৰিৰো অধিক নবীন-প্ৰবীণ কবিয়ে কবিতা পাঠ কৰে। উক্ত সভাতে টেঙাখাত প্ৰকৃতি কবি সন্মিলনৰ সহযোগত আৰু কাব্যালোচনী মন্দাক্ৰান্তাৰ উদ্যোগত অনুষ্ঠিত কৰা চৰাইদেউ জিলাৰ বিধায়ক প্ৰয়াত বুদ্ধ বৰুৱা আৰু সহধৰ্মিণী কমলা বৰুৱা সোঁৱৰণী গল্প প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা বৰ্ণালী বৰুৱাক বঁটা প্ৰদান কৰা হয়। লেখিকা সন্থাৰ সভানেত্ৰী ইলা গগৈ, টেঙাখাত শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কাৰ্তিক হাজৰিকাকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি সভাত উপস্থিত থাকে।

## লোকসভা নিৰ্বাচনত নলবাৰীৰ পৰা

১২ পৃষ্ঠাৰ পৰা লোৱা উন্নয়নমূলক আঁচনিৰ কথা ব্যাখ্যা কৰাৰ উপৰি এই আঁচনিসমূহ ঘৰে ঘৰে নিবলৈ দলীয় কাৰ্যকৰ্তাসকলক আহ্বান জনায়। মন্ত্ৰী বৰুৱাই দলটোক দলীয় কাৰ্যকৰ্তাক নিষ্ঠা সহকাৰে আগবঢ়াই নিবলৈ প্ৰচেষ্টা হাতত লোৱাৰ লগতে দলটোৰ বিষয়বাবত থকা কাৰ্যকৰ্তাক দুগুণ উৎসাহৰে কাম কৰিবলৈ আহ্বান জনায়। লগতে নলবাৰী জিলা দিৱসৰ ওপৰত বক্তব্য আগবঢ়োৱাৰ উপৰি ১২ৰ পৰা ১৪ আগষ্টৰ এই তিনিটা দিনত সকলোৱে অংশগ্ৰহণ কৰাৰ আহ্বান জনায়। সভাত বিজেপিৰ ৰাজ্যিক সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, মণ্ডল প্ৰভাৱী মৃণাল শৰ্মা, নলবাৰী জিলাৰ সম্পাদক নন্দলাল সৰকাৰ, জিলা যুৱ মৰ্চাৰ সভাপতি হেমন্ত বৰ্মন, মণ্ডল প্ৰাক্তন সভাপতি মৃদুল কলিতা, ৰাজেশ্বৰ কলিতা, দীননাথ কলিতা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মনোজ ডেকা, বিজয় বৰ্মন, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাস, মহিলা মৰ্চাৰ সভানেত্ৰী মণিকা ভৰালীৰ লগতে দলৰ বিভিন্ন পৰ্যায়ৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰা হয়।

## লোক সংস্কৃতিৰ প্ৰতি নৱপ্ৰজন্ম আগ্ৰহী, কিন্তু অভিভাৱকে সৃষ্টি কৰে প্ৰাচীৰ

### ■ মঙলদৈত সত্ৰীয়া নৃত্য কৰ্মশালাৰ সামৰণি অনুষ্ঠানত বিশিষ্ট শিল্পী ৰামকৃষ্ণ তালুকদাৰ

**অগ্রদূত বাৰ্তা**

**মঙলদৈ, ২৪ জুলাই ঃ** 'লোক সংস্কৃতি, খেলা-ধূলা আদিৰ প্ৰতি নৱপ্ৰজন্ম আগ্ৰহী নহয় বুলি আমাৰ মাজত এক ভ্ৰান্ত ধাৰণা আছে। প্ৰকৃততে নৱপ্ৰজন্ম খেলা-ধূলা, লোকসংস্কৃতিৰ প্ৰতি তথা শিপাৰ সন্ধান কৰিবলৈ আগ্ৰহী যদিও এচাম অভিভাৱক এইক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হৈ থিয় দিয়ে। স্কুলৰ পৰা অহা সন্তানক অলপ খেলিবলৈ, লোক সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হ'বলৈ এচাম অভিভাৱকে সুযোগ-সুবিধা নিদি অধিক টিউছন, ম'বাইল আদিত ব্যস্ত ৰাখি সন্তানক এক যন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে।' এই ভাষ্য সংগীত নাটক একাডেমীৰ বঁটাপ্ৰাপ্ত বিশিষ্ট শিল্পী ৰামকৃষ্ণ তালুকদাৰৰ। মঙলদৈ যুথ ক্লাবৰ সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি সাধনা সংগীত কলা কেন্দ্ৰ যুথ ক্লাবৰ উদ্যোগত সংগীত নাটক একাডেমীৰ গুৱাহাটী সত্ৰীয়া কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত ১০ দিনীয়া সত্ৰীয়া নৃত্য কৰ্মশালাৰ কালি সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। 'পিম্পৰা গুচোৱা ভাওনা'খন ব্ৰজাৱলী ভাষাত মঞ্চায়ন কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ব্ৰজাৱলী ভাষা শুদ্ধকৈ উচ্চাৰণ কৰাটো ইমান সহজ নহয়। তথাপি এই নৱপ্ৰজন্ম শিল্পীসকলে তাক কৰি দেখুৱাই এক অনন্য নিদৰ্শন দাঙি ধৰিলে। মঙলদৈ



নাট্য মন্দিৰত হোৱা সামৰণি অনুষ্ঠানত তেওঁ লগতে কয় যে ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা কৰিবই লাগিব। তাৰ লগতে তেওঁলোকক শিপাৰ সন্ধান দিবলৈও অভিভাৱকসকল আগ্ৰহী হ'ব লাগিব; তেতিয়াহে আমাৰ ভাষা-সংস্কৃতি উজ্জীৱিত হৈ থাকিব। সাহিত্যিক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, খাৰুপেটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বুধিন চন্দ্ৰ হাজৰিকা, যুথ ক্লাবৰ সভাপতি গোবিন্দ উপাধ্যয়, সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, চিকিৎসক ডাঃ জয়কান্ত চহৰীয়াই সন্মিলিতভাৱে বন্তি প্ৰজ্বলন কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানত সংগীত শিল্পী প্ৰাঞ্জল শৰ্মা ৰিন্টিমণি ডেকাই বাদ্যযন্ত্ৰী ৰবীন ডেকা, নীলোৎপল ডেকা, প্ৰদীপ কলিতাৰ সহযোগত পৰিৱেশন কৰা সংগীতৰ তালে তালে শতাধিক নৱপ্ৰজন্মৰ শিল্পীয়ে ভোৰতাল নৃত্য আৰু পিম্পৰা গুচোৱা ভাওনা পৰিৱেশন কৰে। অনুষ্ঠানত শিল্পী ৰামকৃষ্ণ তালুকদাৰ, প্ৰদীপ কলিতা, নীহাৰিকা কলিতা, চুম্পী ডেকা, আব্দুল হান্নানক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় যুথ ক্লাবৰ কাৰ্যকৰী সভাপতি গিৰিশ চন্দ্ৰ ডেকাই। উল্লেখ্য যে সাধনা সংগীত কলা কেন্দ্ৰৰ নৃত্য বিভাগৰ শিক্ষয়িত্ৰী শিল্পী ভানু ডেকা চহৰীয়াৰ নেতৃত্বত মঙলদৈত সত্ৰীয়া নৃত্যৰ এক জনজাগৰণৰ সৃষ্টি হৈছে।

# দুধনৈত দুই দুৰ্ধৰ্ষ ডকাইত গ্ৰেপ্তাৰ

## পুতলা পিষ্টল, ম'বাইল ফোন আৰু ডেগাৰ জব্দ



**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২৪ জুলাই ঃ** দুধনৈ থানাৰ অন্তৰ্গত লেলাত যোৱা ১৩ জুলাইৰ সন্ধিয়া 'হিয়া হাৰ্ডৱেৰ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানত সংঘটিত লোমহৰ্ষক ডকাইতি কাণ্ডৰ স'তে জড়িত দুই দুৰ্ধৰ্ষ ডকাইতক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ধৃত ডকাইত দুজন মেঘালয়ৰ উত্তৰ গাৰোপাহাৰ জিলাৰ খাৰকুটা-শিলপাৰাৰ গীলবাৰ্ট চাংমা (৩০) আৰু দুধনৈ-থেকাছুৰ সুষ্টম ৰাভা (৩১) ওৰফে কাল্টু। যোৱা নিশা গোৱালপাৰা জিলা আৰক্ষী, দুধনৈ আৰক্ষী আৰু মেঘালয় আৰক্ষীৰ যৌথ অভিযানত দুধনৈৰ সমীপৱৰ্তী অসম-মেঘালয় সীমান্তত দুয়োজন দুৰ্ধৰ্ষ ডকাইতক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ডকাইত দুজনৰ পৰা এটা পুতলা পিষ্টল, ম'বাইল ফোন এটা আৰু এখন ডেগাৰ উদ্ধাৰ কৰে আৰক্ষীয়ে। উল্লেখ্য যে ধৃত দুয়োজন ডকাইত পূৰ্বৰ পৰা ডকাইতি কাণ্ডৰ স'তে জড়িত আছিল। ডকাইত দুজনৰ উপৰি গেংটোত আৰু চাৰিজন ডকাইত আছিল। সেইকেইজনৰ অনুসন্ধান চলাই থকা হৈছে। ধৃত ডকাইতকেইজন বৰ্তমানে আৰক্ষীৰ জিম্মাত।

## ইতিমধ্যে মৃত্যু হৈছে পাঁচগৰাকী ৰোগীৰ

# নগাঁৱত জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ৩৮ জনলৈ বৃদ্ধি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ জুলাই ঃ** বান বিভীষিকাৰ পাছত নগাঁও জিলাত জাপানী এনকেফেলাইটিছ ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰাত ৰাইজে ত্ৰাহিমধুসূদন সুঁৱৰিছে। ইতিমধ্যে জিলাখনত এই ৰোগত আক্ৰান্তৰ সংখ্যা ৩৮ গৰাকীলৈ বৃদ্ধি পাইছে। আনহাতে, চৰকাৰী তথ্য অনুসৰি এই পৰ্যন্ত জিলাখনত জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মুঠ পাঁচ গৰাকী লোকৰ মৃত্যু হৈছে। অৱশ্যে বেচৰকাৰী তথ্য অনুসৰি জিলাখনত জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ লগতে এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। জিলাখনত জাপানী এনকেফেলাইটিছৰ ভয়ংকৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগ উদ্বিগ্ন হৈ পৰা পৰিলক্ষিত হৈছে। জিলাখনত ৩৮ গৰাকী লোক জাপানী এনকেফেলাইটিছত আক্ৰান্ত হ'লেও ইয়াৰে ১২ গৰাকীতকৈ অধিক ৰোগী সুস্থ হৈ ঘৰলৈ উভতি গৈছে। জিলাখনত জাপানী এনকেফেলাইটিছৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়তো জাপানী এনকেফেলাইটিছ ৰোগৰ চিকিৎসাৰ দিহা কৰিছে।

# বানত ক্ষতিগ্ৰস্ত সকলোৱে উপযুক্ত ক্ষতিপূৰণ লাভ কৰাৰ ব্যৱস্থা কৰা হৈছে

## ৰঙাপৰা সমষ্টিত বিত্তমন্ত্ৰী নেওগৰ বানবিধ্বস্ত অঞ্চল-অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৪ জুলাই ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধানসভা সমষ্টি তথা চাৰিদুৱাৰ ৰাজহ চক্ৰৰ জৰাসৰ আৰু মানশিৰি নৈৰ বাঢ়নী পানীয়ে বিধ্বস্ত কৰা অঞ্চলসমূহ আৰু অংগনৱাড়ী কেন্দ্ৰ আজি পৰিদৰ্শন কৰে অসম চৰকাৰৰ বিত্ত আৰু সমাজ কল্যাণমন্ত্ৰী অজন্তা নেওগে। প্ৰথমতে মন্ত্ৰীগৰাকীয়ে বানে বিধ্বস্ত কৰা বালিপৰাৰ বামগাঁও, পাকবিল, বামগাঁও চাহ বাগিচাৰ লগতে ৰঙাপৰা বিধানসভা সমষ্টিত বানপানীয়ে অংগনৱাড়ী কেন্দ্ৰ আৰু ক্ষতিগ্ৰস্ত দৰিদ্ৰ গঞাৰ বাসগৃহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। বানপানীত ক্ষতিগ্ৰস্ত লোকসকলে যাতে উপযুক্ত ক্ষতিপূৰণ শীঘ্ৰে লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে সদৰী কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অৰ্পণ কৰা দায়িত্ব অনুসৰি আজি ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত বানবিধ্বস্ত অঞ্চল তথা অংগনৱাড়ী কেন্দ্ৰসমূহ পৰিদৰ্শন কৰাৰ লগতে ভুক্তভোগী ৰাইজৰ স'তে মত বিনিময় কৰি শেহতীয়া স্থিতিৰ বুজ লয়। ক্ষতিগ্ৰস্ত কোনো লোক যাতে সাহায্য লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয়, তাৰ বাবে পুনৰীক্ষণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে মন্ত্ৰী নেওগে ৰঙাপৰা হাতীবাৰী চাহ বাগিচাত নিৰ্মাণ হোৱা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু নাহৰণি চাহ বাগিচাত নিৰ্মাণ হোৱা আদৰ্শ হাইস্কুলখন পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত স্থানীয় বিধায়ক কৃষ্ণ কমল তাঁতী, নাৰী আৰু শিশু বিকাশ বিভাগৰ সচিব পাৰ্থপ্ৰতিম মজুমদাৰৰ লগতে জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ উপস্থিত থাকে।

# খীছান নালা কলা কেন্দ্ৰৰ পামচু উৎসৱত ধাওৱা, চাথাৰ, ৱানগালা, বাৰদৈচিখলা, বিহু নৃত্য প্ৰদৰ্শন



**অগ্ৰদূত বাৰ্তা**

**আগিয়া, ২৪ জুলাই ঃ** গোৱালপাৰা জিলাৰ মেঘালয় সীমান্তৱৰ্তী মঘোত খীছান নালা কলা কেন্দ্ৰ মঘোৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ সহযোগত কালি এদিনীয়া কাৰ্যসূচীৰ আদিবিশ্ব জনজাতি কলা-কৃষ্টি আৰু সংগীত উৎসৱ অনুষ্ঠিত হৈ যায়। খীছান নালা কলা কেন্দ্ৰই উক্ত উৎসৱটি পামচু উৎসৱ ২০২২ নামেৰে প্ৰথমবাৰৰ বাবে মঘোত উদ্‌যাপন কৰে। কালি বিয়লি চাৰি বজাত বন্তি প্ৰজ্বলনেৰে উৎসৱৰ আৰম্ভ কৰে শিক্ষক-সাহিত্যিক বিনয় ৰংদুঙে। উদ্বোধনী ভাষণত বিনয় ৰংদুঙে কয় যে সৰ্বভাৰতীয় পৰ্যায়ৰ কাৰ্যসূচীৰ অন্তৰ্গত পামচু উৎসৱৰ জৰিয়তে নিশ্চিতভাৱে জনজাতীয় কৃষ্টি-সংস্কৃতিয়ে বিশ্বৰ দৰবাৰত জিলিকি উঠিব। গোৱালপাৰা জিলাৰ দুৰ্গম অঞ্চল মঘোৰ দৰে অখ্যাত গাঁওখনো এদিন পামচু উৎসৱৰ জৰিয়তে ভৌগোলিকভাৱে গোটেই বিশ্বতে জিলিকি উঠাৰ লগতে পৰ্যটকৰো আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিব বুলি আশা প্ৰকাশ কৰে উদ্বোধক বিনয় ৰংদুঙে। দিনজোৰা বিভিন্ন কাৰ্যসূচীৰ লগতে বিয়লি চাৰি বজাৰ পৰা অনুষ্ঠিত মূল পামচু উৎসৱত মালাধৰাৰ ৰাভা কৃষ্টি দলে ধাওৱা নৃত্য, দেৰেকৰ গাৰো নৃত্য দলে ৱানগালা নৃত্য, দুধনৈৰ বড়ো কৃষ্টি দলৰ নেতৃত্বত বাৰদৈচিখলা নৃত্য, মঘো-মালাধৰা ৰাভা কৃষ্টি দলে চাথাৰ নৃত্য আৰু আগিয়াৰ সাতভনী কৃষ্টি দলে বিহু নৃত্য প্ৰদৰ্শন কৰি দৰ্শক ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। সামৰণি অনুষ্ঠানত উৎসৱৰ মূল উদ্যোক্তা তথা গোৱালপাৰা জিলাৰ যুৱ সাংস্কৃতিক কৰ্মী হেমন্ত ৰাভাই খীছান নালা কলা কেন্দ্ৰই জনজাতীয় কৃষ্টি-সংস্কৃতিক মৰ্যাদাপূৰ্ণভাৱে বিশ্ব দৰবাৰত জিলিকাবলৈ প্ৰয়াস চলাই অহা বুলি প্ৰকাশ কৰি ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে।

# ৰেলৰ খুন্দাত নিহত এজন

**ডিগবৈ, ২৪ জুলাই ঃ** তিনিচুকীয়া জিলা ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ গোলাই শনি মন্দিৰৰ কাষত ৰেলৰ খুন্দাত এজন লোকে প্ৰাণ হেৰুৱাব লগা হয়। মৃত লোকজন পীযুষ কান্তি মণ্ডল (৩২) নামেৰে চিনাক্ত কৰা হৈছে। তথ্য অনুসৰি ডিগবৈ এক নম্বৰ গোলাইৰ নিবাসী অনুপ দাসৰ জী-জোঁৱাই পীযুষ কান্তি মণ্ডলে শহুৰেকৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। নিশা মণ্ডলে ফুৰিবলৈ বুলি ঘৰৰ পৰা ওলাই আহি ৰেল লাইনৰ কাষেৰে কাণত হেডফোন লগাই খোজ কাঢ়ি থাকোতেই ডিব্ৰুগড়-লিডু অভিমুখী ডেম ৰেলখনৰ খুন্দাত নিহত হয়। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি মৃতু লোকজনে সম্ভৱতঃ হেডফোনত বাৰ্তালাপ অথবা গান শুনি থকাৰ কাৰণে ৰেলখন অহাৰ উমান নোপোৱাত ৰেললাইনৰ কাষেৰে খোজকাঢ়ি থকাৰ অৱস্থাতে মহটিয়াই থৈ যায়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত ডিগবৈ আৰক্ষীৰ সহযোগত ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# আজি মধুপুৰ সত্ৰত সত্ৰীয়া কৰ্মশালাৰ সামৰণি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২৪ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত আৰু মধুপুৰ সত্ৰ সমিতিৰ উদ্যোগত যোৱা ১৪ জুলাইৰ পৰা কোচবিহাৰৰ মধুপুৰ সত্ৰত অনুষ্ঠিত সত্ৰীয়া নৃত্য আৰু বৰগীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান কাইলৈ মধুপুৰ সত্ৰ চৌহদত অনুষ্ঠিত হ'ব। ভাৰত-বাংলাদেশ সীমান্ত আৰু উত্তৰবংগৰ বিভিন্ন সত্ৰ তথা নামঘৰৰ পৰা অংশগ্ৰহণ কৰা ৮০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাৰ সামৰণি অনুষ্ঠানত উত্তৰবংগৰ বিভিন্ন সত্ৰৰ ভকত-বৈষ্ণৱৰ উপৰি কোচবিহাৰ অঞ্চলৰ মহাপুৰুষ শংকৰদেৱৰ আদৰ্শৰ অনুৰাগী কে'বাগৰাকীও বুদ্ধিজীৱী আৰু সাংস্কৃতিক সংগঠকে অংশগ্ৰহণ কৰিব। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে, উত্তৰবংগৰ প্ৰশিক্ষাৰ্থীসকলে গুৰুজনাৰ অনুপম সৃষ্টি সত্ৰীয়া নৃত্য আৰু বৰগীতৰ এক আকৰ্ষণীয় অনুষ্ঠান পৰিৱেশন কৰিব। সামৰণি অনুষ্ঠানত অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধান, বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসকে ধৰি নামনি অসমৰ কে'বাখনো সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ চৌহদৰ বৃক্ষৰোপণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি মধুপুৰ সত্ৰ চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচীও ৰূপায়ণ কৰা হ'ব।


# শ্ৰীৰামপুৰত শিলচৰগামী কন্টেইনাৰৰ পৰা সাত লক্ষাধিক টকাৰ ফেন্সিডাইল জব্দ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২৪ জুলাইঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰত আজি আৰক্ষীয়ে বিশেষ সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত এখন কন্টেইনাৰ আটক কৰে আৰু কন্টেইনাৰখনৰ পৰা ৩৬ কাৰ্টন নিষিদ্ধ ঘোষিত কাহৰ ঔষধ জব্দ কৰাৰ লগতে ৰাজস্থানৰ বাসিন্দা ট্ৰাকচালক ৰাজেশ কুমাৰ (৩৫)ক আটক কৰে। গুজৰাটৰ আহমেদাবাদৰ পৰা কৃষিত ব্যৱহৃত বিভিন্ন কীটনাশক দৰৱ আৰু অন্যান্য মূল্যবান সামগ্ৰীৰ ভিতৰত ৩৬ কাৰ্টন অসমত নিষিদ্ধ ফেন্সিডাইল কফ্ ছিৰাপ বোজাই কৰি কন্টেইনাৰখন শিলচৰ অভিমুখে গৈ আছিল। আৰ জে-১৮ জিবি-১৯৫০ নম্বৰৰ গাড়ীখন শ্ৰীৰামপুৰ তালাচী চকী পাৰ হৈ ওচৰতে এটা তেল ডিপ'ৰ ওচৰত ৰৈ থকা সময়ত আৰক্ষীয়ে কন্টেইনাৰখন আটক কৰি শিমুলটাপু আৰক্ষী চকীলৈ আনি তালাচী চলোৱাত কন্টেইনাৰখনৰ পৰা ফেন্সিডাইলখিনি উদ্ধাৰ হয়। জব্দকৃত কাহৰ দৰবখিনিৰ বজাৰ মূল্য সাত লক্ষাধিক টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

# দুটা পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড ঃ ধান খাই তহিলং

## ধনুভঙাত বন্যহস্তীৰ তাণ্ডৱ



**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২৪ জুলাইঃ** গোৱালপাৰা জিলাৰ ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বনাঞ্চলসমূহৰ কাষৰীয়া গাঁওবোৰত অব্যাহত আছে বন্যহস্তীৰ উপদ্ৰৱ। বিশেষকৈ ধনুভঙাৰ মাদাং, জলাপাৰা, বামুণপাৰা, দেওধাভিটা, দেওশিলা, গাঠিয়াপাৰা আদি গাঁৱত নিতৌ সন্ধিয়া নামি অহাৰ লগে লগে বন্যহস্তীৰ আতংকত উজাগৰী নিশা কটাবলগীয়া হয়। যোৱা নিশাও প্ৰায় ডেৰ বজাত খাদ্যৰ সন্ধানত দুটা প্ৰকাণ্ড বন্যহস্তী প্ৰৱেশ কৰে দেওধাভিটা গাঁৱত। হাতী দুটাই প্ৰথমতে গাঁওখনৰ খৰ্গেশ্বৰ ৰাভাৰ ঘৰত প্ৰৱেশ কৰি দুটাকৈ ঘৰৰ ক্ষতি সাধন কৰে। হাতী দুটাই ধানৰ ভড়াল ভাঙি ধান খাব বিচাৰিছিল যদিও খৰ্গেশ্বৰ ৰাভাৰ তৎপৰতাত হাতী দুটা খেদিবলৈ সক্ষম হয়। পাছত হাতী দুটাই প্ৰতিমা ৰাভাৰ বাৰীত সোমাই বাৰীৰ কলগছ, তামোল গছৰ ক্ষতিসাধন কৰাৰ লগতে দুটাকৈ ঘৰৰ ক্ষতিসাধন কৰে। ভড়াল ঘৰ ভাঙি ধানৰ ডোলী বাৰীৰ মাজত টানি লৈ তাত থকা প্ৰায় ২০ মোন ধান খাই তহিলং কৰে। হাতী দুটাই প্ৰায় দুই ঘন্টা সময় তাণ্ডৱ চলায়। পৰিয়ালৰ লোকসকল কোনো মতে, ঘৰৰ ভিতৰত লুকাই প্ৰাণ ৰক্ষা কৰে। পুৱাৰ সময়তহে হাতী দুটা বনাঞ্চললৈ গুচি যায়।


## দৈব্য ক্ৰমে ৰক্ষা এটা পৰিয়ালৰ

# খুমটাইত ধুমুহা-বৰষুণত গছ পৰি বাসগৃহ ধ্বংস



**খুমটাই, ২৪ জুলাই ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত খুমটাই অঞ্চলত নিশা অহা প্ৰচণ্ড ধুমুহা-বৰষুণত অঞ্চলটোৰ বিস্তৰ ক্ষতিসাধন কৰাত লগতে গছ উভালি পৰি এটা পৰিয়ালৰ বাসগৃহ ধ্বংস হয়। অৱশ্যে পৰিয়ালটোৰ লোকসকল ভাগ্য ক্ৰমে ৰক্ষা পৰে। উল্লেখ্য যে নিশাৰ ভাগত অহা প্ৰচণ্ড ধুমুহা-বৰষুণত খুমটাই গাঁৱৰ নিবাসী নিপু গগৈ নামৰ লোকজনৰ বাসগৃহৰ কাষতে থকা এজোপা গছ উভালি ঘৰৰ ওপৰতে পৰাত পাকঘৰ, বাৰান্দা আদি সম্পূৰ্ণৰূপে ধ্বংস হয়। পৰিয়ালটো দৈব্যক্ৰমে ৰক্ষা পৰে যদিও ঘৰটোৰ লগতে বিভিন্ন সা- সামগ্ৰী ভাঙি চুৰমাৰ হয়। আজি খুমটাই গাঁও আৰু খুমটাই ন-গাঁৱৰ গাঁও প্ৰধান দুগৰাকীয়ে ক্ষতিগ্ৰস্ত পৰিয়ালটোৰ ক্ষয়-ক্ষতিৰ বুজ লয়। আনহাতে, ধুমুহা বৰষুণত অঞ্চলটোৰ বিভিন্ন ঠাইত গছ-গছনি ভাগি উভালি পৰি বিদ্যুতৰ তাঁৰ আদি ছিঙি পৰাত বিদ্যুতৰ যোগান ব্যাহত হৈ পৰে।

# আজাৰাত দুখনকৈ গ্ৰন্থ



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৪ জুলাই ঃ** আজাৰা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক উপ-সভাপতি তথা লেখক কমল প্ৰসাদ দাসৰ প্ৰবন্ধ সংকলন 'প্ৰবন্ধ ৰেঙনি' 'আৰু কাব্য পুথি কালমণি' আজি উন্মোচন কৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে। আজাৰা তালুকৰ সভাভৱনত অৱসৰপ্ৰাপ্ত কৰ আয়ুক্ত ভবেন চন্দ্ৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাৰ আৰম্ভণিতে সৰস্বতীৰ মূৰ্তিত বন্তি প্ৰজ্বলন কৰে ভবেন চন্দ্ৰ মেধিয়ে। ইয়াৰ পাছতে জিতুমণি দাসৰ বৰগীত পৰিৱেশনৰে আৰম্ভ হোৱা তথা বুলু কুমাৰী বড়াই আঁত ধৰা সভাত হৰি গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অৰুণ শৰ্মাই বিশিষ্ট অতিথি আৰু বিশিষ্ট সমাজকৰ্মী ৰঞ্জিত চন্দ্ৰ মেধিয়ে নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে। সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ তাৰিণীকান্ত শৰ্মা, আজাৰা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মনোৰঞ্জন ভট্টাচাৰ্য, আজাৰা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ত্ৰিবেণী দাস আদিকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে সাহিত্যৰ বিষয়ে চমুকৈ বক্তব্য ৰাখে। সভাৰ মাজে মাজে ড° কান্ত কাবেৰী দাস, ললিতা দাসে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

# মুছলপুৰত পৰকীয়া প্ৰেমৰ পৰিণতি ঃ পত্নীৰদ্বাৰা স্বামীক হত্যাৰ চেষ্টা

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৪ জুলাই ঃ** বাগ্‌সাৰ সদৰ মুছলপুৰৰ সমীপৱৰ্তী লামিদাৰাত পৰকীয় প্ৰেমত অন্ধ হৈ আজি পত্নীয়ে স্বামীক বুকুত ভগা গ্লাছৰ টুকুৰাৰে আক্ৰমণ কৰি হত্যাৰ চেষ্টা চলোৱাৰ ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত লামিদাৰা গাঁৱৰ কুলেন কলিতা নামৰ লোকজনক পত্নীয়ে ভঙা আয়নাৰে হত্যাৰ চেষ্টা চলাই সম্প্ৰতি মুছলপুৰ আৰক্ষীৰ থানাত আলহী হ'ব লগা হৈছে। আহত কুলেনৰ অভিযোগ অনুসৰি, বিগত পাঁচ মাহ ধৰি তেওঁৰ পত্নী দীপামনি কলিতাই নিকতৱৰ্তী বৰিমুখ গাঁৱৰ এজন বিবাহিত লোকৰ লগত প্ৰেমত আবদ্ধ হয়। স্বামী কুলেনে পত্নীক বাৰে বাৰে বাধা দিয়া সত্ত্বেও বাধা মনা নাছিল। মাজতে পৰকীয়া প্ৰেমত অন্ধ হৈ বৰিমুখৰ লোকজনৰ স'তে এপাক ফুৰিও আহে বুলিও তেওঁ সদৰী কৰে। আজি দীপামনিয়ে উক্ত লোকজনক ফোন কৰি থকাৰ সময়তে পৰকীয়া প্ৰেমৰ সম্পৰ্কক লৈ দুয়ো তৰ্ক-বিতৰ্কত লিপ্ত হয় আৰু পত্নী দীপামনিয়ে ঘৰত থকা ভঙা আয়নাৰে কুলেনক হানি হত্যাৰ চেষ্টা চলায়। পাছত পৰিয়ালৰ লোকে কুলেনক মুছলপুৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। আনহাতে, পত্নীক আবদ্ধ কৰি ৰাখি মুছলপুৰ আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে গৈ আটক কৰে। সম্প্ৰতি অভিযুক্ত দীপামনি মুছলপুৰ আৰক্ষীৰ জিম্মাত।

# সমাজকৰ্মী ছামছাদ হুছেইনৰ বিয়োগ চাবতিত শোকৰ ছাঁ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৪ জুলাই ঃ** লখিমপুৰ চাবতিস্থিত চানমাৰি নিবাসী ছামছাদ হুছেইন (৪৭)ৰ যোৱা ২১ জুলাইত পৰলোকপ্ৰাপ্তি ঘটে। হুছেইন হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত গুৱাহাটী ছুপাৰ স্পেচিয়েলিষ্ট কাৰডিঅ'লজি চেণ্টাৰত হৃদযন্ত্ৰক্ৰিয়া বন্ধ হৈ মৃত্যু ঘটে। সমাজকৰ্মী তথা কৈলামাৰী চাহ বাগিচাৰ কৰ্মৰত আৰু সকলোৱে প্ৰিয়পাত্ৰ হুছেইনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত হুছেইনে মাতৃ, পত্নী আৰু ১১ বছৰীয়া একমাত্ৰ কন্যাসহ পৰিয়ালবৰ্গক এৰি যায়। হুছেইন অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজত সক্ৰিয়ভাৱে জড়িত আছিল।

## অসম নাট্য সন্মিলনৰ টিহু শাখাৰ গুৰুজী যোগেশ শৰ্মা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতা আৰম্ভ

# অভিনেতা নিপন গোস্বামীক গুৰুজী যোগেশ শৰ্মা সোঁৱৰণী বঁটা প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৪ জুলাই ঃ** অসম নাট্য সন্মিলনৰ টিহু শাখাৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ সদৌ অসম ভিত্তিত একাংক নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। টিহুৰ ঐতিহ্যমণ্ডিত মহাত্মা গান্ধী ভৱনত যোৱা নিশা অনুষ্ঠিত উক্ত একাংক নাট প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত প্ৰবীণ অভিনেতা নিপন গোস্বামীক গুৰুজী যোগেশ শৰ্মা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি অভিনেতা গোস্বামীয়ে অভিনয় জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ বিষয়ে ব্যাখ্যা কৰে। সভাৰ আঁত ধৰে অসম নাট্য সন্মিলনৰ টিহু সন্মিলনৰ কাৰ্যকৰী সভাপতি মৃণাল গোস্বামীয়ে। ইয়াৰ পাছত হীৰকজ্যোতি দাস সোঁৱৰণী নাট কৰ্মশালাত প্ৰশিক্ষিত পতাকা উত্তোলন কৰে অসম নাট্য সন্মিলনৰ টিহু শাখাৰ সভাপতি ড° সুৰেশ চন্দ্ৰ শৰ্মাই। ইয়াৰ পাছত গুৰুজী যোগেশ শৰ্মাৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে টিহু মহাত্মা গান্ধী ভৱন পৰিচালনা সমিতিৰ সভাপতি সোমনাথ ডেকাই আৰু মাল্যাৰ্পণ কৰে বিশিষ্ট নাট্য শিল্পী গোপাল গোস্বামীয়ে। ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে ছহিদ হিমাংশু তামুলীৰ পিতৃ তপন তামুলীয়ে আৰু তৰ্পণ কৰে নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই। আনহাতে, আজি সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নাট প্ৰতিযোগিতা উদ্বোধনৰ পাছত প্ৰজন্ম, নলবাৰীৰ নিংনি', ৰং বৰপেটাৰ, ডি কালচাৰেল একাডেমী গুৱাহাটীৰ 'ভোক', জেংৰাই অসম মঙলদৈৰ ডিগনিটি অৱ লেবাৰ', নৱদীপ অসম ভালুকীৰ অন্য এক তেজীমলা, অসম নাট্য সন্মিলনৰ কলিয়াবৰ শাখাৰ 'ভয়', অসম নাট্য সন্মিলন যুৱজ্যোতি সংঘ ফটাশিল শাখাৰ খাকী খাদীৰ খেল আদি নাটৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# মেৰাপানীত এটিএম লুটৰ ব্যৰ্থ চেষ্টা দুৰ্বৃত্তৰ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২৪ জুলাই ঃ** মেৰাপানী আৰক্ষী থানাৰ নাতিদূৰতে থকা মেৰাপানী টাউনস্থিত পঞ্জাৱ নেছনেল বেংকৰ এটিএমটো যোৱা নিশা দুৰ্বৃত্তই লুট কৰাৰ ব্যৰ্ত চেষ্টাৰ ঘটনা পোহৰলৈ অহাত সমগ্ৰ মেৰাপানী অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে যোৱা নিশা মেৰাপানী ৰাজহুৱা খেল পথাৰত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠান চলি থকা সময়তে নিশা প্ৰায় ১১ বজাত দুজন অজ্ঞাত যুৱকে হেলমেট পৰিধান কৰি এটিএমত প্ৰৱেশ কৰে। বহু সময় ধৰি এটিএমত সোমাই থকা যুৱক দুজনৰ চাল-চলনত সন্দেহ হোৱাত মেৰাপানী বজাৰৰ কেইজনমান যুৱকে ওচৰতে লুকাই যুৱক দুজনক লক্ষ্য কৰি আছিল। দুৰ্বৃত্ত যুৱক দুজনে প্ৰথমে এটিএমৰ কেমেৰাটো ভাঙোতেই ভিতৰত এটা শব্দ হয়। সেই শব্দ শুনি লুকাই চাই থকা যুৱককেইজনে দুৰ্বৃত্তৰ দলটোক ধৰিবলৈ চেষ্টা কৰোতেই যুৱক দুজন পলাই সাৰে। পিছে পিছে খেদি যায় যদিও ধৰিবলৈ সক্ষম নহ'ল। আনহাতে, মেৰাপানীৰ স্থানীয় যুৱককেইজনে দুৰ্বৃত্তৰ দলটোক খেদি গৈ আৰক্ষী থানাত ঘটনাৰ সন্দৰ্ভত অৱগত কৰে যদিও আৰক্ষীয়ে বিষয়টো গুৰুত্ব নিদিয়াৰ অভিযোগ তুলিছে মেৰাপানীৰ যুৱককেইজনে। ৰাইজৰ প্ৰশ্ন স্থানীয় যুৱককেইজনৰ লগত যদি আৰক্ষীয়ে সহযোগ কৰিলেহেঁতেন হয়তো এটিএম লুট কৰিবলৈ অহা দুৰ্বৃত্তৰ দলটোক কৰায়ত্ত কৰিব পাৰিলেহেঁতেন। আৰক্ষীৰ এনে অৱহেলিত কাৰ্যক ধিক্কাৰ দিছে সচেতন ৰাইজে।




# বিশ্ব এথলেটিকছত নীৰজ চোপ্রাৰ ৰূপ

**নতুন দিল্লী, ২৪ জুলাই ঃ** টকিঅ' অলিম্পিকত সোণ লাভ কৰি ইতিহাস ৰছনা কৰা ভাৰতীয় এথলীট নীৰজ চোপ্রাই আজি চলিত বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰি আন এক গৌৰৱময় সফলতা লাভ কৰিছে। চোপ্রাই আজি বিশ্ব এথলীট চেম্পিয়নশ্বিপত ৮৮.১৩ মিটাৰ জেভলিন দলিয়াই ৰূপৰ পদক অৰ্জন কৰে। উল্লেখ্য যোৱা ১৯ বছৰৰ অপেক্ষাৰ পাছত বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতে পদক লাভ কৰিবলৈ সক্ষম হ'ল ভাৰতী এখলীটে। আজি নীৰজে তেওঁৰ চতুৰ্থ থ্ৰ'ত ৰূপৰ পদক নিশ্চিত কৰি অনন্য সফলতা লাভ কৰে। প্রতিযোগিতাত গ্রানাডাৰ এণ্ডাৰচন পিটাৰ্ছে ৯০.৫৪ মিটাৰ থ্ৰ'ৰে স্বৰ্ণ জয় কৰিছে। আনহাতে, চেক তাৰকা জাকুবে ৮০.০৯ মিটাৰ থ্ৰ'ৰে ব্রঞ্জ লাভ কৰিছে। খেল আৰম্ভ হোৱাত নীৰজ চোপ্রাই প্রথম থ্ৰ'টো ফাউল কৰিছিল। দ্বিতীয় আৰু তৃতীয় থ্রো ক্রমান্বয়ে ৮২.৩৯ মিটাৰ আৰু ৮৬.৩৭ মিটাৰত গৈছিল। চতুৰ্থ থ্রোত, ভাৰতীয় জেভলিন তাৰকাগৰাকীয়ে ৰূপৰ পদক নিশ্চিত কৰিবলৈ সক্ষম হয়। তেওঁ ৮৮.১৩ মিটাৰ দূৰত্বতলৈ জেভলিন দলিয়াই এই পদক লাভ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ২০০৩ ত ভাৰতৰ হৈ শেষবাৰৰ বাবে লং জাম্পাৰ অঞ্জু ববি জৰ্জে মেলবৰ্ণত অনুষ্ঠিত বিশ্ব চেম্পিয়নশ্বিপত ব্রঞ্জৰ পদক জিকিছিল। ভাৰতীয় খেলুৱৈ হিচাপে প্রথমবাৰৰ বাবে ৬.৭০ মিটাৰ জঁপিয়াই তেওঁ উক্ত প্রতিযোগিতাত পদক অৰ্জন কৰিছিল। তাৰপাছত ১৯ বছৰ ধৰি আন কোনো ভাৰতীয় খেলুৱৈয়ে উক্ত প্রতিযোগিতাত পদকৰ মুখ দেখা নাছিল। এইবাৰ সেই স্থবিৰতা ভংগ কৰিলে নিৰজে। ইফালে, পুত্রই ৰূপ জয় কৰাৰ পিছতে আনন্দিত হৈ পৰা নিৰজৰ মাতৃ সৰোজ দেৱীয়ে কয় 'কঠোৰ পৰিশ্রমৰ ফল লাভ কৰিছে। মই জানিছিলো যে তেওঁ পদক জয় কৰিব।' ইফালে,নীৰজক প্রধানমন্ত্রী নৰেন্দ্র মোদী, প্রতিৰক্ষা মন্ত্রী ৰাজনাথ সিং, কেন্দ্রীয় আইন মন্ত্রী কিৰেন ৰিজিজু, ক্রীড়ামন্ত্রী অনুৰাগ ঠাকুৰে অভিনন্দন জনাইছে।

### অসম যুৱ অলিম্পিক গেমছৰ ৰোমাঞ্চত মায়াময় পৰিৱেশ মহানগৰীৰ ক্রীড়াক্ষেত্র

# পদক তালিকাৰ শীৰ্ষত গুৱাহাটী

**গুৱাহাটী, ২৪ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্রথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ আজি তৃতীয় দিনাৰ খেলৰ অন্তত গুৱাহাটী জিলাই সৰ্বাধিক পদক লাভ কৰি তালিকাৰ শীৰ্ষত আছে। উল্লেখ্য যে গুৱাহাটীৰ খেলুৱৈয়ে তৃতীয় দিনাৰ খেলৰ অন্তত ১৭ টা সোণ, ২১ টা ৰূপ আৰু ২৬ টা ব্রঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, ১৩ টা সোণ, আঠটা ৰূপ আৰু ১৩ টা ব্রঞ্জৰ পদক লাভ কৰি পদক তালিকাৰ দ্বিতীয় স্থানত আছে কামৰূপ জিলা। তৃতীয় স্থানত থকা তিনিচুকীয়া জিলাই নটা সোণ, চাৰিটা ৰূপ আৰু সমসংখ্যক ব্রঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। তাৰপাছতে শীৰ্ষ ১০ টা স্থানত থকা জিলা কেইখন হ'ল ক্রমে কাৰ্বি আংলং, যোৰহাট, নগাঁও, ডিব্রুগড়, ধেমাজি, চৰাইদেউ আৰু শিৱসাগৰ। উল্লেখ্য যে অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ সহযোগত প্রথমবাৰৰ বাবে অনুষ্ঠিত কৰা অসম যুৱ অলিম্পিকত মুঠ ৩২ বিধ খেল অন্তৰ্ভুক্ত কৰিছিল। আজি তৃতীয় দিনাৰ খেলৰ অন্তত প্রায় অৰ্ধেক সংখ্যক খেলৰ সফল সামৰণি পৰিছে। প্রথম দুদিনৰ অচলাৱস্থাৰ পাছত তাৎক্ষণিক ব্যৱস্থা গ্রহণ কৰি অসম অলিম্পিক সন্থাই এতিয়া সুচলৰূপত খেল আয়োজন কৰাৰ দিশত আগবাঢ়িছে। উল্লেখ্য যে আজি তৃতীয় দিনা সামৰণি পৰিছে কাবাদী, যোগাসন, ফেন্সিং, জুডো, বাস্কেট বল, নেটবল, খো-খো, চাইক্লিং, কাৰাটে, জিমনাষ্টিক, মহিলা হকী। অৱশ্যে বৰযুণৰ বাবে দুই-এখন খেল বাকী আছে যি কাইলৈ পুৰা অনুষ্ঠিত হ'ব। উল্লেখ্য যে ৰাজ্যৰ যুৱ খেলুৱৈসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে তথা নতুন প্রতিভা নিৰ্বাচন কৰি ৰাজ্যৰ ক্রীড়াক্ষেত্রক তৃণমুলৰ পৰা সুদৃঢ় কৰাৰ লক্ষ্যৰে অসম অলিম্পিক সন্থাই প্রথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক।








# ল'ৰাত কামৰূপ, ছোৱালীত বাগ্‌সা চেম্পিয়ন



**গুৱাহাটী, ২৪ জুলাই ঃ** কামৰূপ আৰু বাগসাই অসম অলিম্পিক সন্থাই প্রথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ ল'ৰা আৰু ছোৱালীৰ কাবাদীৰ চেম্পিয়ন হৈছে। উল্লেখ্য যে আৰ জি বৰুৱা ক্রীড়া প্রকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত হয় ল'ৰা আৰু ছোৱালীৰ কাবাদীৰ ফাইনেল মেচ। ল'ৰাৰ ফাইনেলত কামৰূপ জিলাই ৩৫-৩২ ৰ ব্যৱধানত মৰিগাঁৱক পৰাস্ত কৰি সোণৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে ছেমিফাইনেলত কামৰূপে ৪৬-৩৬ ৰ ব্যৱধানত গোৱালপাৰক পৰাস্ত কৰাৰ বিপৰীতে মৰিগাঁও জিলাই ৪১-৩০ ৰ ব্যৱধানত গুৱাহাটীক পৰাস্ত কৰি ফাইনেলত প্রৱেশ কৰিছিল। ইফালে, ছোৱালীৰ ফাইনেলত বাগসা জিলাই ৫৪-৪৫ ৰ ব্যৱধানত চিৰাং জিলা দলক পৰাস্ত কৰি সোণৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে ছেমিফাইনেলত বাগসাৰ ছোৱালীয়ে ৩৮-৩৬ ৰ ব্যৱধানত কোকৰাঝাৰক পৰাস্ত কৰাৰ বিপৰীতে চিৰাং জিলাই ৫৬-৩০ ৰ ব্যৱধানত তামুলপুৰক পৰাস্ত কৰি ফাইনেলত প্রৱেশ কৰিছিল।

## অসম যুৱ অলিম্পিকৰ কাবাদী সামাপ্ত

## খো-খোৰ সোণ লাভ নলবাৰী-তামুলপুৰৰ

**গুৱাহাটী, ২৪ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্রথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ আজি তৃতীয় দিনাৰ খেলত ছোৱালীৰ বাস্কেটবলৰ ফাইনেলত গুৱাহাটী দলে ধেমাজিৰ বিৰুদ্ধে জয়লাভ কৰি স্বৰ্ণ পদক অৰ্জন কৰে। ইফালে, খো খোৰ ছোৱালী শাখাৰ ফাইনেল খেলত তামুলপুৰে গুৱাহাটীৰ বিৰুদ্ধে দুৰ্দান্ত প্রদৰ্শন আগবঢ়াই সোণৰ পদক জয় কৰিবলৈ সক্ষম হয়। ল'ৰাৰ খো-খোৰ ফাইনেল খেলত গুৱাহাটীৰ বিৰুদ্ধে নলবাৰীয়ে জয়লাভ কৰি সোণ অৰ্জন কৰে। টেপেছিয়াত অনুষ্ঠিত নেটবলৰ ফাইনেলত ডিব্রুগড়ে গোলাঘাটক পৰাভূত কৰি স্বৰ্ণ পদক অৰ্জন কৰে।

## ১৩ অনূৰ্ধ্ব ফুটবল উদয়ন কৃষ্টি সংঘ-নাৰেংগী ছেমিফাইনেলত

**নতুন দিল্লী, ২৪ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্রীড়া সন্থাৰ ১৩ বছৰ অনূৰ্ধ্ব ফুটবল প্রতিযোগিতাৰ দ্বিতীয় ছিজনৰ ছেমিফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে উদয়ন কৃষ্টি সংঘ আৰু নাৰেংগী এফচিচিয়ে । আজি অনুষ্ঠিত গ্রুপ ডিৰ এখন খেলত উদয়ন কৃষ্টি সংঘই পেগাছাছ এফচিক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি গ্রুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্রৱেশ কৰে । আনহাতে, ডি গ্রুপৰে আন এখন খেলত চান্দমাৰী এফচিচিয়ে গুৱাহাটী ইয়ং ষ্টাৰ এফচিচিক ৩-১ গ'লত পৰাস্ত কৰে । আনহাতে, গ্রুপ চিৰ এখন খেলত নাৰেংগী এফচিচিয়ে আকাশ এফচিক ৫-০ গ'লত পৰাস্ত কৰি গ্রুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্রৱেশ কৰে । নাৰেংগীৰ পৰাগ কুমাৰ শৰ্মাই হেটট্রিক অৰ্জন কৰে । এতিয়া অহা ২৮ জুলাইত নাৰেংগী এফচিচিয়ে গুৱাহাটী চিটী এফচিৰ বিৰুদ্ধে আৰু উদয়নে কাজিৰঙা এফচিৰ বিৰুদ্ধে ছেমিফাইনেলত অৱতীৰ্ণ হ'ব।

# ছোৱালীৰ হকীৰ ফাইনেলত ডিব্রুগড়ক পৰাস্ত কৰি নগাঁও জিলাৰ সোণ অৰ্জন



**গুৱাহাটী, ২৪ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্রথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ মহিলা হকীৰ চেম্পিয়ন হৈছে নগাঁও জিলা দল। আজি ভেটাপাৰাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ফাইনেলত নগাঁও জিলা দলে সামগ্রিকভাবে ৫-৩ গ'লত পৰাস্ত কৰে ডিব্রুগড়ক। নিৰ্ধাৰিত সময়ত মেচখন ২-২ গ'লত ড্র হোৱাৰ পাছত পেণাল্টি শ্বুটত নগাঁৱৰ ছোৱালী দলে ৩-১ গ'লত জয়লাভ কৰি চেম্পিয়ন হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ছেমিফাইনেলত তিনিচুকীয়াক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ডিব্রুগড় দলে ফাইনেলত প্রৱেশ কৰাৰ বিপৰীতে আনখন ছেমিফাইনেলত গুৱাহাটীক ২-০ গ'লত হৰুৱাই নগাঁও জিলা দলে ফাইনেলত স্থান নিশ্চিত কৰিছিল। উল্লেখ্য যে ভেটাপাৰাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মহিলা হকীৰ গ্রুপৰ খেলত গুৱাহাটীয়ে তেজপুৰক ২-০ গ'লত, তিনিচুকীয়াই হোজাইক ১-০ গ'লত, নগাঁও দলে হাইলাকান্ধিক ১৪-০ গ'লত আৰু ডিব্রুগড়ে মৰিগাঁৱক ১১-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্রৱেশ কৰিছিল। আজি পদক প্রদান অনুষ্ঠানত উপস্থিত থাকে সাংসদ ভূৱনেশ্বৰ কলিতা, আৰক্ষী বিষয়া সুধাকৰ সিং, হকী ইণ্ডিয়াৰ কোষাধ্যক্ষ তপন দাস আদি। চলিত অসম যুৱ অলিম্পিক ২০২২ ৰ পুৰুষ হকীৰ খেল ২৬-২৭ জুলাইত ভেটাপাৰাৰ হকী ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

## ভিক্টোৰিয়াছ ক্লাব জয়ী

**যোৰহাট,২৪ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগ প্রতিযোগিতাত আজি এ গ্রুপৰ খেলত ভিক্টোৰিয়াছ ক্লাবে গোহাঁই টেকেলা ফুটবল ক্লাবক ১-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। এই জয়েৰে লীগৰ চাৰিখন খেলত অংশ গ্রহণ কৰি তিনিখনত জয়ী এখনত ড্র খেলি সৰ্বমুঠ ১০ পইন্ট সংগ্রহ কৰি ভক্টোৰিয়াছ ক্লাবে এ গ্রুপৰ দ্বিতীয়টো দল হিচাপে ছেমি ফাইনেলত উপনীত হৈছে। মেচত ভিক্টোৰিয়াছ ক্লাবৰ হৈ একমাত্র গ'লটো দিয়ে বসন্ত ভূঞাই। আজি খেল পৰিচালনা কৰে বিমান বুঢ়াগোহাঁয়ে। লাইনত পৱন পাঠক আৰু ৰাজীৱ শইকীয়াই। চতুৰ্থ ৰেফাৰী অনিল শইকীয়া। ২৫ জুলাই খেল ঃ কেন্দ্রীয় ক্লাব টীয়ক বনাম অল ষ্টাৰ ক্লাব।

# যুৱ অলিম্পিকত হাজোৰ কাৰাটে খেলুৱৈৰ সফলতা

**অগ্রদূত বাৰ্তা, হাজো, ২৪ জুলাই ঃ** অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰৰ যৌথ উদ্যোগত প্রথমবাৰৰ বাবে অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকৰ কাৰাটে শাখাত কামৰূপ জিলা দলৰ হৈ হাজো ৰাজহ চক্রৰ অন্তৰ্গত আঠ গৰাকী খেলুৱৈয়ে অংশ গ্রহণ কৰে। ইয়াৰে ছোৱালীৰ জুনিয়ৰ ৫৩ কেজিৰ তলৰ শাখাত বহ্নিমান কাৰাটে একাডেমীৰ ছোনিয়া মালাকৰে লাভ কৰে ৰূপৰ পদক, ল'ৰাৰ কেডেট ৫৭কেজি তলৰ শাখাত হিৰক দাসে ব্রঞ্জ, দমদমা কাৰাটে একাডেমীৰ ভাস্বতী মহন্তই ছোৱালীৰ জুনিয়ৰ ৫৯ কেজি ওজনৰ তলৰ শাখাত ব্রঞ্জ আৰু হিমাংশু ৰাজ পাটোৱাৰীয়ে ল'ৰাৰ জুনিয়ৰ কাটা আৰু জুনিয়ৰ ৬১ কেজি ওজনৰ তলৰ শাখাত দুটাকৈ ব্রঞ্জৰ পদক লাভ কৰি তীৰ্থনগৰী হাজোলৈ গৌৰৱ কঢ়িয়াই আনিছে। খেলুৱৈ কেইগৰাকীৰ সফলতাত কামৰূপ জিলা কাৰাটে দলটোৰ প্রশিক্ষক হাজোৰ আন্ত:ৰাষ্ট্রীয় পদক প্রাপ্ত কাৰাটে খেলুৱৈ দিপাংকৰ মজুমদাৰ, খেলখনৰ টেকনিকেল অফিচিয়েল হিচাপে নিযুক্ত তথা ইউনিভাৰ্চেল কাৰাটে ড' ফেডাৰেচন অৱ ইণ্ডিয়াৰ সাধাৰণ সম্পাদক হাজোৰ সুসন্তান ছেনচেই মন্টু ওজা,কামৰূপ জিলা ক্রীড়া সন্থা, মহকুমা ক্রীড়া পৰিষদ, কামৰূপ জিলা কাৰাটে এচোছিয়েশ্যন, হাজো ক্রীড়া সন্থা, ধোপৰগুৰি সত্র পৰিচালনা সমিতি, বহ্নিমান কাৰাটে একাডেমী, দমদমা কাৰাটে একাডেমী, হাজো আঞ্চলিক ছাত্র সন্থাৰ লগতে সদৌ অসম ছাত্র সন্থাৰ উপদেষ্টা প্রকাশ চন্দ্র দাস, অসম ক্রীড়া যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মা আদিয়ে পদক বিজয়ী খেলুৱৈসকলক আৰু দলটোৰ প্রশিক্ষকক শুভেচ্ছা জনায়।







# ত্রিনয়নৰ বিৰুদ্ধে ৰেডিয়েল ক্লাবৰ জয়



**অগ্রদূত বাৰ্তা, বেবেজীয়া, ২৪ জুলাই ঃ** নগাঁও ক্রীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নুৰুল আমিন প্রাইজমানি প্রথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ সম্প্রতি সামৰণিৰ দিশে আগবাঢ়িছে। এই লীগৰ আজিৰ খেলত ৰেডিয়েল ক্লাবে ত্রিনয়ন গোষ্ঠীক ২-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। বিৰতিলৈক গ'লশূণ্যভাৱে থকা খেলখনত ৰেডিয়েল ক্লাবৰ হৈ গ'ল দুটা ক্রমে জিতেন্দ্র বৰদলৈ আৰু অৰ্জুন প্রজাই দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে ৰয়েল ইছলাম, কৃষ্ণকান্ত দাস আৰু দিব্যজ্যোতি শৰ্মাই। খেলখনত ৰেডিয়েল ক্লাবৰ জিতেন্দ্র বৰদলৈ শ্রেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়। আজিৰ খেলৰ অন্তত প্রাক্তন ফুটবলাৰ আব্দুল মতিন আৰু ৰাজেশ দাসে শ্রেষ্ঠ খেলুৱৈগৰাকীক প্রাইজমানি বিতৰণ কৰে।

## উশ্বুত শিৱসাগৰৰ আঠটা পদক

**অগ্রদূত বাৰ্তা, ডিমৌ,২৪ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত আন্ত:জিলা জুনিয়ৰ ল'ৰা আৰু ছোৱালী শাখাৰ উশ্বু প্রতিযোগিতাত শিৱসাগৰ জিলা দলে আঠটা পদক জয় কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শিৱসাগৰ জিলা দলে দুটা সোণ, তিনিটা ৰূপ আৰু তিনিটা ব্রঞ্জৰ পদক জয় কৰিবলৈ সক্ষম হয়। প্রতিযোগিতাখনত ৭০ কেজি শাখাত বাস্তৱ বড়াই সোণৰ পদক, ৬০ কেজি শাখাৰ সুৰজ বড়াই সোণৰ পদক, ৭৫ কেজি শাখাত অংশুমান বড়াই ৰূপৰ পদক, ৬৫ কেজি শাখাত মুন্না মিলিয়ে ৰূপৰ পদক, ৫২ কেজি শাখাত প্রস্তুতি ফুকনে ৰূপৰ পদক, ৫৬ কেজি শাখাত দিপজ্যোতি গগৈয়ে ব্রঞ্জৰ পদক, ৪৫ কেজি শাখাত উদয় ভাস্কৰ গগৈয়ে ব্রঞ্জৰ পদক আৰু ৫৬ কেজি শাখাত আলিচা বড়াই ব্রঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইফালে, এই প্রতিযোগিতাত সোণৰ পদক জয় কৰা বাস্তৱ বড়া আৰু সুৰজ বড়াই ছেপ্টেম্বৰত কেৰেলাত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্রীয় উশ্বু প্রতিযোগিতাত অসম দলক প্রতিনিধিত্ব কৰিবলৈ সুযোগ লাভ কৰিছে। পদক বিজয়ী প্রতিজন খেলুৱৈকে শিৱসাগৰ জিলা উশ্বু সন্থাৰ সম্পাদক প্লাৱন বড়াই অভিনন্দন জনাইছে।



যুৱ অলিম্পিকত যোগাসনত পদকজয়ী খেলুৱৈ।

## তিলৈজান-খোৱাঙৰ সম্পূৰ্ণ পইণ্ট অৰ্জন

**অগ্রদূত বাৰ্তা**
**মৰাণ, ২৪ জুলাই ঃ** মৰাণ জিলা ক্রীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা বিনুপ্রভা গগৈ মৰাণ আন্তঃ ক্লাব 'বি' ডিভিজন ফুটবল লীগৰ আজি অনুষ্ঠিত খেলত তিলৈজান চাহ বাগিচা আৰু খোৱাং ক'চিং চেণ্টাৰ জয়ী হৈছে । আজি অনুষ্ঠিত প্রথমখন খেলৰ তিলেজান চাহ বাগিচাই শ'লগুৰি ৰূপালী যুৱ সংঘক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে । তিলৈজানৰ সুশীল সূতবংশী আৰু চন্দন ওৰাঙে গ'ল দুটা দিয়াৰ বিপৰীতে শ'লগুৰিৰ অভিজ্ঞান বৰুৱাই এটা গ'ল পৰিশোধ কৰে । আনহাতে, দ্বিতীয়খন খেলত খোৱাং ক'চিং চেণ্টাৰে খুমটাই ক্রীড়া সন্থাক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰিছে । খুমটাইৰ নিখিল গোৱালপাৰা গ'ল দিয়াৰ পাছত খোৱাঙৰ ৰোণাল্ড চাৰাছীয়ে সমতা স্থাপন কৰে । পুনৰ ৰোণাল্ড চাৰাছীয়ে গ'ল দি দলৰ বিজয় নিশ্চিত কৰে । খেল দুখন পৰিচালনা কৰে জুন বৰগোহাঁই, বিৰাজ নেৱাৰ, বিতোপন গগৈ, ভৰত চাওৰা আৰু শিক্ষাৰ চাংমাইয়ে।

## ৰাজ্যিক টাইকোৱান-ড'ত বিশ্বনাথৰ সফলতা লাভ

**অগ্রদূত বাৰ্তা, বিশ্বনাথ চাৰিআলি ,২৪ জুলাই ঃ** সদৌ অসম টাইকোৱান-ড' সংস্থাৰ বাৰ্ষিক ৰাজ্যিক প্রতিযোগিতাখন বঙাইগাঁওৰ অভয়াপুৰীত অনুস্থিত হয়। অসমৰ সকলো জিলাৰ পৰা প্রায় ১২ শৰো অধিক খেলুৱৈয়ে উক্ত প্রতিযোগিতা খনত অংগ্রহন কৰে। বিশ্বনাথ জিলা টাইকোৱান-ড' সংস্থাৰ সম্পাদক হৃদয়ানন্দ দাসে জনোৱা মতে প্রতিযোগিতাত বিশ্বনাথ জিলাৰ ১১ জন খেলুৱৈয়ে সুন্দৰ প্রৰ্দশনৰে পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। বিশ্বনাথৰ পৰা সোনৰ পদক লাভ কৰিছে ভূমিস্থা দাস আৰু হিমশিখা দাসে। ৰূপৰ পদক লাভ কৰিছে প্রিয়দৰ্শনী লামা আৰু নয়নী গগৈয়ে। আনহাতে, ব্রঞ্জৰ পদক লাভ কৰে ঋষভ নাথ, আৰাধ্যা প্রিয়ম, অধিৰাজ হাজৰিকা, ঋষিকা কুৰ্মী, বৰ্ণিল ফুকন, ঋষভ নাথ আৰু সুদিপ্ত নয়ন বৰাই।



## আন্তঃআৰক্ষী থানা ফুটবল প্রতিযোগিতা

**অগ্রদূত ব্যুৰ, বঙাইগাঁও, ২৪ জুলাই ঃ** অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে চিৰাং জিলা আৰক্ষীয়ে চিৰাং জিলাত আয়োজন কৰিছে আন্তঃআৰক্ষী থানা ফুটবল প্রতিযোগিতা । জিলাখনৰ বিজনী চহৰস্থিত বিজনী জিলা ক্রীড়া সন্থাৰ খেল পথাৰত আজি দ্বিতীয়খন ফুটবল প্রতিযোগিতা অনুষ্ঠিত হয় । চিৰাং জিলাৰ আৰক্ষী অধীক্ষক প্রাণজিত বৰাই উদ্বোধন কৰা প্রতিযোগিতাখনিত অংশ লয় বিজনী আৰক্ষী থানা একাদশ বনাম পাণবাৰী আৰক্ষী থানা একাদশে। বিজনী আৰক্ষী থানা একাদশ দলে ৪-০ গ'লত জয়ী হৈ পৰৱৰ্তী ৰাউণ্ডত প্রৱেশ কৰে। উল্লেখ্য যে, শনিবাৰে কাজলগাঁৱত ঢালিগাঁও আৰক্ষী থানা একাদশ আৰু চিদলী আৰক্ষী থানা একাদশৰ মাজত প্রথমখন খেল অনুষ্ঠিত হয়।

বিল্যাসনন্দন চৰ্চা



## এডুকেছন ডিপাৰ্টমেণ্ট, মানে ই ডি

**এটা** সময় আছিল, যেতিয়া চিবিআইৰ নাম শুনিলেই আটায়ে ভয়তে কঁপি উঠিছিল। কত ডাঙৰ ডাঙৰ লিডাৰ এই চিবিআইৰ জালত পৰি জেল খাব লগা হৈছে, তাৰ কোনো সীমা সংখ্যা নই। বহুতৰেতো কেৰিয়াৰেই চাফা উঠি গৈছে চিবিআইৰ ৰামটাঙোন খাই। লালুৰ পৰা আলুলৈকে কোন কাবু হৈ যোৱা নাই এই ৰামটাঙোন খাই! এটা সময়ত এনেকুৱা হৈছিল যে ছাগলী পোৱালি এটা বাইকৰ খুন্দাত আঘাতপ্ৰাপ্ত হ'লেই ৰাইজে বা গৃহস্থই চিবিআই তদন্তৰ দাবী কৰিছিল। কিন্তু হঠাতে চিবিআই নোহোৱা হৈ গ'ল। বিশেষকৈ ২০১৪ মানৰ পৰা চিবিআইৰ নাম-নিচান নাইকিয়া হ'বলৈ ধৰিলে। ক'লৈ গ'ল কোনেও নাজানে। দুই-একে কয় যে চিবিআইৰ অলপ বেমাৰ হৈ আছে। দিল্লীৰ দৰবাৰত বহি দৰব খাই আছে। আন দুজনমানে কয় যে নহয়, ভিন ভিন কেছৰ লোড লওঁতে লওঁতে চিবিআইৰ মূৰৰ গণ্ডগোল হৈ গৈছে। এতিয়া হাতে-ভৰিয়ে শিকলি লগাই দিল্লীৰ দৰবাৰৰ পোতাশালত বন্দী কৰি থৈছে। কোনোবাই আকৌ কয় যে দিল্লীৰ দৰবাৰত উৰি ফুৰা মাখিবোৰ আৰু মহবোৰ নিধন কৰি বাদশ্বাহ প্ৰমুখ্যে সমূহ সভাসদক মহ-মাখিৰ কামোৰৰ পৰা ৰক্ষা কৰাৰ গুৰুদায়িত্ব বহন কৰি আছে এই চিবিআয়ে। দুই-একে কৈছে যে কেৱল মহ-মাখি মৰাই নহয়, বাদশ্বাহৰ বিছনা সজাৰ পৰা ঘৰ পৰিষ্কাৰ কৰালৈকে আটাইবোৰ কামৰ ভাৰ চিবিআইকে অৰ্পণ কৰা হৈছে। যাৰ বাবে আজি-কালি বেলেগ কোনো কেছতেই চিবিআইক দেখা নাযায়। মানে হিন্দুস্তানী গৃহিণীবোৰে যেনেকৈ ঘৰৰ লেঠা সামৰি বাহিৰ ওলাবলৈ সময় নাপায়, একেদৰে চিবিআয়েও আজি-কালি দৰবাৰৰ কাম সামৰি বেলেগ কেছত জঁপিয়াই পৰিবলৈ সময় নাপায়।

এতিয়া চিবিআইৰ সলনি, সলনি মানে চিবিআয়ে টাইম নোপোৱা কাৰণে দিল্লীৰ দৰবাৰে এটা বস্তুৰ আৱিষ্কাৰ কৰিছে। যিয়ে বেছি গণ্ডগোল কৰে বা বক্‌বক্ কৰে, লগালগ তাৰ ওপৰত এই বস্তু জাপি দিয়ে, একেবাৰে বিৰা জপাৰ ষ্টাইলত। এবাৰ যদি পাছত লাগিল, সি আৰু আপোনাৰ পাছ নেৰে। এই বস্তুটোক বোলা হয় ই ডি। এই ই ডিৰ কথা দিল্লীৰ বাদশ্বাহেও ৰাজসভাত বৰ গভীৰভাৱে আলোচনা কৰিছে—'মই বৰ সুখী বুজিছা!'

ঃ কিহক লৈ জাহাপনা?

ঃ ই ডিৰ কাম-কাজক লৈ!



ঃ ই ডিয়ে কি কৰিছে জাহাপনা?

ঃ ই ডিয়ে বৰ ভাল কাম কৰিছে।

ঃ কি কৰিছে?

ঃ দুৰ্নীতিৰ বিৰুদ্ধে অভিযান চলাইছে।

ঃ হয় জাহাপনা।

ঃ বৰ নিৰপেক্ষভাৱে চলাইছে।

ঃ হয় জাহাপনা।

ঃ পুঠি-খলিহনাক ধৰি বৌ-বৰালীক এৰি দিয়া নাই।

ঃ হয় জাহাপনা।

ঃ পাপ্পুকো এৰা নাই।

ঃ হয় জাহাপনা।

ঃ পাপ্পুক চাৰি-পাঁচদিন ধৰি ই ডিয়ে জেৰা কৰি আছে।

ঃ হয় জাহাপনা।

ঃ পাপ্পুৰ মাককো জেৰা কৰিছে।

ঃ হয় জাহাপনা।

ঃ মুঠতে ই ডিয়ে কাকো এৰা নাই।

ঃ হয় জাহাপনা।

ঃ এবাৰ যদি কাৰোবাৰ পাছত লাগিছে, তাৰ আৰু ৰক্ষা নাই।

ঃ হয় জাহাপনা।

ঃ এইবাৰ দেখা নাই!

ঃ কি হৈছে জাহাপনা?

ঃ দিদিৰ ঘৰতো হামলা কৰি দিছে নহয় ই ডিয়ে। বহু টকা উলিয়াই লৈ আহিছে।

ঃ কিন্তু জাহাপনা, ই ডি মানে এনফ'ৰ্চমেণ্ট ডিৰেক্টৰেট আগতেওতো আছিল। তেতিয়াতো ইয়াৰ নাম-গোন্ধ নাছিল।

ঃ মোৰ ই ডিটো এনফ'ৰ্চমেণ্ট ডিৰেক্টৰেট নহয়তো!

ঃ তেন্তে কি?

ঃ এডুকেছন ডিপাৰ্টমেণ্টহে!

ঃ ইয়াৰ কি কাম?

বাদশ্বাহে বুজাই দিলে— 'যিয়ে বেছিকৈ মুখ মেলে, তাক ধৰি শিক্ষা দিয়া।'

## প্ৰৱঞ্চনাৰে কিন্নৰৰ পৰা সৰকালে ২২ লাখ টকা

**আলোপতি, ২৪ জুলাই ঃ** এগৰাকী কিন্নৰৰ পৰা প্ৰৱঞ্চনাৰে সৰকালে প্ৰায় ২২ লাখ টকা। এই চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ আলোপতিচৰ আৰক্ষী থানাৰ অন্তৰ্গত বাঘমাৰাচৰত। ভুক্তভোগী কিন্নৰ কমলা ওৰফে জয়নাল আবদিনে জনোৱা মতে, প্ৰায় সাত বছৰ পূৰ্বে কিন্নৰ কমলাই গুৱাহাটীত থকাৰ সময়তে তেওঁক লগ পায় একেখন গাঁৱৰে বাহাৰ আলীৰ পুত্ৰ সাহাৰ আলীয়ে। সাহাৰে বিভিন্ন ছলাহী কথাৰে প্ৰথমে প্ৰেমৰ জাল পেলায় কিন্নৰ কমলাৰ স'তে। দুয়োজনে একেটা কোঠাত থাকে দীৰ্ঘদিন। এইখিনি সময়তে কিন্নৰ কমলাই দৈনিক উপাৰ্জন কৰি ছদ্মবেশী প্ৰেমিক সাহাৰক দিয়ে দৈনিক দুহেজাৰ টকাকৈ। অভিযোগ অনুসৰি কিন্নৰ কমলাক বাঘমাৰাচৰ বজাৰত মাটি কিনি দিয়াৰ লগতে পাইকাৰী দোকান দি দিয়াৰ প্ৰলোভন দি বুজন পৰিমাণৰ টকা যোগাৰ কৰিবলৈ কয় সাহাৰে। সৰুৰে পৰা পঞ্জাৱত থাকি ডাঙৰ-দীঘল হোৱা কমলাই পুনৰ অধিক ধন উপাৰ্জন কৰাৰ বাবে যায় পঞ্জাৱলৈ। তাতে থাকি প্ৰায় সাত লাখ টকা উপাৰ্জন কৰি ঘৰলৈ ঘূৰি আহে কমলা। কমলাই কয় যে বৃহৎ পৰিমাণৰ টকা ছদ্মবেশী প্ৰেমিকৰূপী সাহাৰে হস্তগত কৰে। এনেকৈ প্ৰায় ২১ লাখ ৯০ হেজাৰ টকা কমলাৰ পৰা লৈ ছদ্মবেশী সাহাৰে সম্প্ৰতি প্ৰৱঞ্চনা কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে কিন্নৰ কমলাই। নিজৰ প্ৰাপ্য বৃহৎ পৰিমাণৰ ধন ঘূৰাই বিচৰাত কমলাক হত্যাৰ ভাবুকি দিয়ে সাহাৰে। এনে প্ৰৱঞ্চনাৰ বলি হৈ সম্প্ৰতি আৰক্ষীৰ কাষ চাপিছে কমলাই। যোৱা ১৬ জুলাইত কিন্নৰ কমলাই সাহাৰ আলী আৰু তেওঁৰ ভ্ৰাতৃ হুছেইন আলীৰ বিৰুদ্ধে আলোপতিচৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যদিও আশানুৰূপ সঁহাৰি নোপোৱাৰ অভিযোগ উত্থাপন কৰিছে। প্ৰেমৰ ছলনাৰে এগৰাকী অসহায় কিন্নৰৰ পৰা প্ৰায় ২২ লাখ টকা সৰকাই লোৱা সাহাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৰপেটা জিলা আৰক্ষী অধীক্ষকক দাবী জনাইছে ভুক্তভোগী কমলাৰ লগতে স্থানীয় লোকে। এতিয়া প্ৰশ্ন হয়, আৰক্ষীয়ে ন্যায় দিব পাৰিবনে কিন্নৰ কমলাক?

# ক্ৰমাৎ হ্ৰাস পাইছে ভাৰতীয়ৰ প্ৰজনন ক্ষমতা

## পৰৱৰ্তী ৭৮ বছৰৰ ভিতৰতে ৪১ কোটি জনসংখ্যা হ্ৰাস পাব ঃ ৰাষ্ট্ৰসংঘ




■ **নিউজ ব্যুৰ'**

**ৰাষ্ট্ৰসংঘ, ২৪ জুলাই ঃ** জনসংখ্যা ঊৰ্ধ্বগামী হোৱাৰ সমান্তৰালকৈ বৃদ্ধি পাইছে বেকাৰত্ব। এনে অৱস্থাত কিছুদিনৰ পূৰ্বে ভাৰতৰ জনবিস্ফোৰণক কেন্দ্ৰ কৰি সতৰ্কবাণী দিছিল ৰাষ্ট্ৰসংঘই। সেই সময়ত কোৱা হৈছিল যে ২০০৭ৰ ভিতৰত চীনক অতিক্ৰম কৰিব ভাৰতৰ জনসংখ্যাই। অথচ সেই ৰাষ্ট্ৰসংঘৰে সাম্প্ৰতিক সমীক্ষাত এক বিপৰীত ছবি প্ৰকাশ পাইছে। এই সমীক্ষাৰ প্ৰতিবেদন অনুসৰি, আগন্তুক ৭৮ বছৰত ভাৰতৰ জনসংখ্যা ৪১ কোটি হ্ৰাস পাব। দেশত ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিব বুলিও মতামত দিছে একাংশ আন্তৰ্জাতিক বিশেষজ্ঞই। কোৱা হৈছে যে সামগ্ৰিকভাৱে প্ৰজনন ক্ষমতা হ্ৰাস পোৱাৰ বাবেই ভাৰতৰ জনসংখ্যা যথেষ্ট পৰিমাণে হ্ৰাস পাব।

ৰাষ্ট্ৰসংঘৰ জনসংখ্যা বিষয়ক প্ৰতিবেদনত কোৱা হৈছে যে ২০২২ত ভাৰতৰ জনসংখ্যা ১৪১.২ কোটি। ৭৮ বছৰৰ পাছত অৰ্থাৎ ২১০০ত সেই সংখ্যা ১০০.৩ কোটিলৈ হ্ৰাস পাব। ইয়াৰ পাছতে প্ৰশ্ন উঠিছে যে ইয়াৰ ফলত দেশৰ কি লাভ হ'ব? সাধাৰণভাৱে মানুহে ইয়াৰ দ্বাৰা দেশৰ লাভ হ'ব বুলি ধাৰণা কৰিলেও বিপৰীত মত আগবঢ়াইছে আমেৰিকাৰ ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ উক্ত গৱেষণাই। এই গৱেষণাই কৈছে যে জনসংখ্যাৰ এই সংকোচনৰ পৰা একো লাভ নহয়। বৰঞ্চ ক্ষতিহে হ'ব। গৱেষকসকলে দাবী কৰিছে যে জনসংখ্যা কমিলে দেশৰ জ্ঞানচৰ্চা আৰু জীৱনযাত্ৰাৰ মান নিম্নগামী হ'ব। আনকি ইয়াৰ ফলত এটা জনগোষ্ঠী বিলুপ্তিৰ দিশলৈকো আগবাঢ়ি যাব পাৰে।

এতিয়া প্ৰশ্ন উঠিছে যে আগন্তুক ৮০টা দশকত জনসংখ্যাৰ ইমানখিনি সংকোচনৰ কাৰণ কি? ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষকসকলে জনাইছে যে প্ৰজনন হাৰ কমি অহাৰ ফলতে জনসংখ্যা হ্ৰাস পাব। সম্প্ৰতি ভাৰতত এগৰাকী মহিলাই গড়ে ১.৭৬টা সন্তান জন্ম দিয়ে। পৰৱৰ্তী সময়ত এই হাৰ ক্ৰমান্বয়ে হ্ৰাস পাই থাকিব। ২০৩২ত একোগৰাকী মহিলাৰ প্ৰজননৰ হাৰ নামিব ১.৩৯জনলৈ আৰু ২০৫২ত সেই হাৰ নামিব ১.২৮লৈ। সেইদৰে ২১০০ত এই হাৰ ১.১৯টি শিশুলৈ হ্ৰাস পাব। সেই বাবেই ৭৮ বছৰৰ পাছত ভাৰতৰ জনসংখ্যা ১০০.৩ কোটিলৈ নামিব পাৰে বুলি অনুমান কৰা হৈছে।

কেৱল ভাৰততেই নহয়, ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত লগতে কোৱা হৈছে যে চীন, আমেৰিকাসহ বিশ্বৰ আন বহু দেশতো প্ৰজননৰ হাৰ কমাৰ প্ৰৱণতা দেখা গৈছে। উল্লেখ্য যে যিবোৰ দেশত প্ৰজননৰ হাৰ কমিছে, তাৰ অধিকাংশই তুলনাত ধনী দেশ। একেটা প্ৰতিবেদনতে কোৱা হৈছে যে আগন্তুক ৭৮ বছৰত চীনৰ জনসংখ্যা কমিব ৯৩.২ কোটি। অৰ্থাৎ ২১০০ত চীনৰ জনসংখ্যা থাকিবগৈ মাত্ৰ ৪৯.৪ কোটি। ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষকসকলে কয় যে এফালে যিসময়ত উন্নত দেশসমূহৰ জনসংখ্যা কমিব, সিফালে একেসময়তে তুলনামূলকভাৱে দৰিদ্ৰ দেশসমূহৰ জনসংখ্যা বাঢ়িব। আফ্ৰিকা মহাদেশৰ কংগো, ইথিউপিয়া আৰু নাইজেৰিয়াৰ দৰে দেশসমূহৰ জনসংখ্যা ২১০০ পৰ্যন্ত ঊৰ্ধ্বগামী হৈ থাকিব। ইয়াৰ ফলত সেই দেশসমূহ পৰৱৰ্তী শতাব্দীৰ দ্বিতীয় ভাগত বিশ্ব অৰ্থনীতিৰ নিয়ন্ত্ৰক হৈ উঠিব পাৰে।





## ভৰি নাথাকিলেও দুহাতত ভৰ দিয়েই ১৫ হেজাৰ ফুট উচ্চতাত উঠিল পঞ্জাৱৰ ভগৱান

**নিউজ ব্যুৰ'**

**চণ্ডীগড়, ২৪ জুলাই ঃ** শৰীৰত নাই এখনো ভৰি। প্ৰায় উৰুসন্ধিৰ পৰাই দুয়োখন ভৰি শৰীৰৰ পৰা বিচ্ছিন্ন। পিছে ভৰি নাথাকিলে কি হ'ব, দুখন সবল হাত আৰু প্ৰবল আত্মবিশ্বাসতো আছে! সেই হাত দুখনত ভৰ দিয়েই ১৫ হেজাৰ ফুট উচ্চতাৰ পাহাৰত আৰোহণ কৰিলে পঞ্জাৱৰ ভগৱান সিঙে। যোৱা শনিবাৰে ভগৱানে তেওঁৰ গন্তব্যস্থল উত্তৰাখণ্ডৰ হেমকুণ্ডত উপস্থিত হয়।

যি সময়ত সুস্থ-সবল লোকসকলেই পাহাৰত উঠিবলৈ গৈ ভাগৰুৱা হৈ পৰে, সেই সময়ত ভগৱানে কেৱল হাত দুখনৰ সহায়তে এই উচ্চতাত উঠিবলৈ সক্ষম হৈছে। অতিক্ৰম কৰিছে দীঘলীয়া দুৰ্গম পথ। লুধিয়ানাৰ বাসিন্দা ৪০ বছৰীয়া ভগৱানে যোৱা ১৯ জুলাইত অকলেই হেমকুণ্ড অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল। তেওঁৰ এই দুৰ্বাৰ আত্মবিশ্বাসক সম্প্ৰতি সকলোৱেই চালাম জনাইছে। ভগৱানে জনায় যে জন্মৰে পৰা তেওঁৰ এনে অৱস্থা নাছিল।

আন চাৰি-পাঁচজনৰ দৰেই তেওঁ এজন সুস্থ-সবল মানুহ আছিল। অৱশ্যে কিছু বছৰৰ পূৰ্বে এক ৰেল দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হোৱাত তেওঁৰ দুয়োখন ভৰি কাটিবলগীয়া হয়। যদিও তেওঁৰ প্ৰাণৰক্ষা পৰে। সুস্থ হৈ উঠাৰে পৰা বিছনাতে পৰি নাথাকি তেওঁ হাত দুখনৰ সহায়তে চলা-ফুৰা আৰম্ভ কৰিছিল। ভগৱানে সংবাদ মাধ্যমক জনায় যে শাৰীৰিক প্ৰতিবন্ধকতাৰ বাবে তেওঁক পৰিয়ালৰ লোকে অকলে এৰি দিব খোজা নাছিল। যদিও তেওঁ আঁকোৰগোজ হৈ আছিল যে হেমকুণ্ডলৈ গ'লে অকলেই যাব। অৱশেষত ভগৱানৰ জেদত হাৰ মানে পৰিয়ালৰ লোকে।

এই সমগ্ৰ ঘটনাৰ সন্দৰ্ভত ভগৱানে কয়, 'এই ভ্ৰমণত কেতিয়াও অনুভৱ হোৱা নাছিল যে মোৰ ভৰি দুখন নাই। মনৰ শক্তি আৰু আত্মবিশ্বাসেই মোক ইমান দূৰলৈ টানি আনিছে।'

## গুড়ৰ নাটনিৰ আশংকা নগাঁও জিলাত ঃ দুৰ্লভ হ'ব ফুলগুৰি বজাৰৰ গুড়ৰ টিংবোৰ

## নগাঁও জিলাত প্ৰায় দুহেজাৰ বিঘা মাটিৰ কুঁহিয়াৰ খেতি নষ্ট



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ জুলাই ঃ** নগাঁও জিলাৰ নগাঁও, ৰহা আৰু কামপুৰ ৰাজহ চক্ৰৰ শ শ কৃষকে কুঁহিয়াৰ খেতি কৰে। এইবাৰো জিলাখনৰ এই তিনিটা ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন গাঁৱৰ শ শ কৃষকে বহু কষ্টৰে নিজৰ মাটিত কুঁহিয়াৰ খেতি কৰিছিল। পথাৰত লহপহকৈ বাঢ়ি অহা কুঁহিয়াৰ খেতি দেখি অনেক সপোন দেখিছিল কৃষকসকলে। এই কুঁহিয়াৰ খেতিৰ পৰা উৎপাদিত হ'বলগীয়া গুড়ক লৈ অনেক পৰিকল্পনা কৰিছিল কৃষক ৰাইজে। কিন্তু এই বছৰটোতে অহা দুটাকৈ প্ৰলয়ংকৰী বানে নগাঁও, ৰহা আৰু কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কুঁহিয়াৰ খেতিয়কসকলৰ সপোনবোৰ তচনচ কৰি পেলালে। চৰকাৰী তথ্য অনুসৰি এইবাৰৰ প্ৰলয়ংকৰী বানত জিলাখনৰ নগাঁও, ৰহা আৰু কামপুৰ ৰাজহ চক্ৰত প্ৰায় দুহেজাৰ বিঘা মাটিৰ কুঁহিয়াৰ খেতি সম্পূৰ্ণৰূপে বিনষ্ট হৈছে। ইয়াৰে নগাঁও সদৰ ৰাজহ চক্ৰত ১১শ বিঘা মাটিৰ, ৰহা ৰাজহ চক্ৰত ৮০ বিঘা মাটিৰ আৰু কামপুৰ ৰাজহ চক্ৰৰ ৮২৫ বিঘা মাটিৰ কুঁহিয়াৰ খেতি বানত নষ্ট হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত এইবাৰ জিলাখনত গুড়ৰ উৎপাদন অভাৱনীয়ভাৱে হ্ৰাস পাব। ফলত এইবাৰ জিলাখনত থলুৱা উৎপাদিত গুড়ৰ তীব্ৰ নাটনি হোৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। উল্লেখ্য যে জিলাখনৰ ফুলগুৰি ধেৱা খ্যাত নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ ফুলগুৰিৰ গুড়ৰ (মিঠৈ) বজাৰখন অতি বিখ্যাত গুড়ৰ বজাৰ। ৮০ৰ দশকলৈকে ফুলগুৰিৰ ইতিহাস প্ৰসিদ্ধ বৰআঁহতৰ তলৰ গুড়ৰ বজাৰখনত হেজাৰ হেজাৰ গুড়ৰ টিং শাৰী শাৰীকৈ দেখা গৈছিল। গুড়ৰ বজাৰখনত অজস্ৰ গ্ৰাহকৰ ভিৰ হৈছিল। কিয়নো ফুলগুৰি বজাৰত বিক্ৰী হোৱা গুড়ৰ মান উৎকৃষ্ট আছিল। সেয়েহে জিলাখনৰ উপৰি অন্য জিলাৰ পৰাও ফুলগুৰি বজাৰৰ পৰা গুড় কিনিবলৈ ঢাপলি মেলি আহিছিল। বিয়া-সকামৰ বাবে প্ৰয়োজন হোৱা গুড় এই ফুলগুৰি বজাৰৰ পৰাই কিনি নিশ্চিত হৈছিল ৰাইজ। ফুলগুৰি বজাৰৰ গুড়ৰ মান উৎকৃষ্ট হোৱাৰ বিপৰীতে ৰাজ্যৰ আন ঠাইৰ তুলনাত ইয়াৰ গুড়ৰ দামো তুলনামূলকভাৱে কম আছিল। সপ্তাহৰ প্ৰতি শনিবাৰে বহা ফুলগুৰি বজাৰৰ গুড়ৰ পাইকাৰী বজাৰখন ফুলগুৰি মিঠৈৰ বজাৰ' বুলিহে খ্যাত আছিল।



গুড়ৰ এই পাইকাৰী বজাৰখনত ঘাহী, দক্ষিণপাট, হাতীগড়, দেউৰীগাঁও, তুলসীমুখ, বৰকলা, ফুলগুৰি, দেওবালী, বাৰপূজীয়া, বৈদ্যপুখুৰী, নাথ গাঁও, ওজনী কুৰী, পালেংতলী, সিং গাঁও পথাৰ, গৰীয়া পুখুৰী, জাৰণি, নৈপাম, তুলসীমুখ, পেটবহা, জাগীয়াল, ধেমাজি, উত্তৰ পেটবহা, ভেকুলী গৰুবাট, দক্ষিণ পেটবহা, বালিগাঁও, কচুপিট, ঘাহী ভাটিকুৰী, ঘাহী কলংপাৰ, লখিমী পথাৰ প্ৰমুখ্যে বিভিন্ন অঞ্চলৰ শ শ কুঁহিয়াৰ খেতিয়কে গৰুগাড়ী-ম'হৰ গাড়ীৰে মিঠৈৰ টিংসমূহ কঢ়িয়াই আনি বিক্ৰী কৰিছিল। প্ৰতি শনিবাৰে পুৱাৰে পৰা সন্ধিয়া পৰ্যন্ত ফুলগুৰি গুড়ৰ বজাৰখনত খদমদম পৰিৱেশৰ সৃষ্টি হৈছিল। সন্ধিয়া এই গুড়ৰ বজাৰৰ পৰা পাইকাৰী ব্যৱসায়ীসকলে ট্ৰাক ভৰাই গুড়ৰ টিংসমূহ বিভিন্ন বজাৰলৈ লৈ গৈছিল। এতিয়া সেই দৃশ্য বিৰল হ'ল যদিও গুড়ৰ বজাৰখন চলি আছিল। যিহেতু যিসকল কুঁহিয়াৰ খেতিয়কক লৈ ফুলগুৰি গুড়ৰ বজাৰখন চলি আহিছে সেই কৃষকসকলৰেই কুঁহিয়াৰ খেতি এইবাৰৰ বানে বিনষ্ট কৰিলে। সেয়েহে তাহানিৰ দৰে এইবাৰ ইতিহাস প্ৰসিদ্ধ ফুলগুৰি বজাৰৰ গুড়ৰ বজাৰত গুড় বিক্ৰী কৰিবলৈ অহা খেতিয়ক আৰু গুড় কিনিবলৈ অহা ব্যৱসায়ীৰ দলদোপ হেণ্ডোলদোপ পৰিৱেশ দুৰ্লভ হ'ব। তাহানিৰ দৰে শ শ গুড়ৰ টিঙৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা নাযাব ফুলগুৰি গুড়ৰ বজাৰত।

# প্ৰকৃতি সুৰক্ষাৰ বাৰ্তাৰে অবিনাশী প্লাষ্টিকক লৈ এক নৱতম উদ্ভাৱন

**এবাৰ ব্যৱহাৰ্য প্লাষ্টিকেৰে ইটা তৈয়াৰ কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যাপকৰ ঃ 'আত্মাৰাম শৰ্মা ৰিছাৰ্চ ইন'ভেছন এণ্ড ইনকিউবেছন চেন্টাৰ'-এ শীঘ্ৰেই প্লাষ্টিকৰ ইটাৰে গঢ়িব পকী বেৰ**





**জয়ন্ত কুমাৰ শৰ্মা**

**কলিয়াবৰ, ২৪ জুলাই ঃ** প্ৰকৃতি সুৰক্ষাৰ অভিনৱ বাৰ্তাৰে অবিনাশী প্লাষ্টিকক লৈ এক নৱতম উদ্ভাৱন কৰিছে এজন অধ্যাপকে। কলিয়াবৰ মহাবিদ্যালয়ৰ 'আত্মাৰাম শৰ্মা ৰিছাৰ্চ ইন'ভেছন এণ্ড ইনকিউবেছন চেন্টাৰ'ৰ জৰিয়তে অধ্যাপকজনে ইটা তৈয়াৰৰ এই নতুন চিন্তা আগবঢ়াই বৰ্তমানৰ প্লাষ্টিকে আবৰি ৰখা পৃথিৱীখনক সকাহ দিয়াৰ এক পথ দেখুৱাইছে। ইয়াৰ জৰিয়তে কলিয়াবৰ মহাবিদ্যালয়ৰ এই চিৰঞ্জীৱ বেজবৰুৱা নামৰ অধ্যাপকজনৰ অভিনৱ উদ্ভাৱনে সম্প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। পেলনীয়া প্লাষ্টিকৰ সামগ্ৰীৰ পৰা ইটা নিৰ্মাণৰ এই ব্যতিক্ৰমী চিন্তাৰ ফচলে সমাজ ব্যৱস্থাত এক ইতিবাচক আৰু যোগাত্মক প্ৰভাৱ পেলাব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে সম্প্ৰতি বিশ্বত প্ৰদূষণ সৃষ্টি কৰা কাৰকসমূহৰ ভিতৰত অন্যতম এবাৰ ব্যৱহাৰ্য প্লাষ্টিক। কি মাটি, কি পানী, কি সাগৰ-মহাসাগৰ; য'তেই বিচৰা যায়, তাতেই দেখা পোৱা যায় এবাৰ ব্যৱহাৰ্য প্লাষ্টিকৰ সামগ্ৰীৰ আৱৰ্জনা। পৃথিৱীৰ চুকে-কোণে পেলনীয়া প্লাষ্টিকৰ আৱৰ্জনাবোৰ দ'ম খাই এক দৃষ্টিকটু পৰিৱেশৰো সৃষ্টি কৰিছে। এতিয়া খোৱাপানীৰ সকলো উৎসতে নেন' প্লাষ্টিকৰ অস্তিত্ব ধৰা পৰিছে। এই সমস্যা সমাধানৰ একমাত্ৰ উপায় হ'ল হয় প্লাষ্টিক উৎপাদন বন্ধ কৰা (যিটো সাম্প্ৰতিক যুগত প্ৰায় অসম্ভৱ) অথবা পেলনীয়া প্লাষ্টিক এনে কোনো বস্তুত আবদ্ধ কৰা, যাৰ ফলত পৰিৱেশ প্ৰদূষণ নঘটে। কলিয়াবৰ মহাবিদ্যালয়ৰ 'আত্মাৰাম শৰ্মা ৰিছাৰ্চ ইন'ভেছন এণ্ড ইনকিউবেছন চেন্টাৰ'-এ এই সমস্যা সমাধানৰ উদ্দেশ্যে চাৰি সীমাৰ দেৱাল বা শৌচালয় নিৰ্মাণত খটুৱাব পৰাকৈ এবাৰ ব্যৱহাৰ্য প্লাষ্টিকক ইটালৈ ৰূপান্তৰিত কৰাৰ এক অভিনৱ প্ৰযুক্তি উদ্ভাৱন কৰিছে। এই প্ৰযুক্তিৰ উদ্ভাৱকজন হৈছে কলিয়াবৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ সহকাৰী অধ্যাপক বেজবৰুৱা। এই ইটাবিধ তেজপুৰ বিশ্ববিদ্যালয়ৰ চিভিল ইঞ্জিনীয়াৰিং বিভাগত পৰীক্ষণ কৰি মাটিৰ ইটা বা এচি ব্লকৰ সমান ক্ষমতাসম্পন্ন পোৱা গৈছে। সম্প্ৰতি এই প্ৰযুক্তিৰ পেটেন্ট পোৱাৰ প্ৰক্ৰিয়াত আছে। এই ক্ষেত্ৰত যদি চৰকাৰ আগবাঢ়ি আহে, তেন্তে প্ৰযুক্তিটোত আৱশ্যকীয় সালসলনি ঘটাই উপযুক্ত যন্ত্ৰপাতিৰ ব্যৱহাৰেৰে এনে ইটা ব্যৱসায়িক ভিত্তিত আৰু আৰ্থিকভাৱে লাভজনক হোৱাকৈ উৎপাদন কৰিব পৰা যাব। বেজবৰুৱাই উল্লেখ কৰা অনুসৰি, এটা ইটা তৈয়াৰৰ বাবে চাৰি কিলোগ্ৰাম প্লাষ্টিকৰ লগতে কিছু শিলৰ গুড়িৰ প্ৰয়োজন হোৱাৰ উপৰি প্লাষ্টিকেৰে নিৰ্মিত বাবেই ইয়াক বৰ্তমানে জুইৰ পৰা আঁতৰাই শৌচালয় বা চৌহদৰ বেৰা নিৰ্মাণৰ উপযোগীকৈ তৈয়াৰ কৰা হৈছে। এদিনত এজন লোকে হাতেৰে বৰ্তমানে মাত্ৰ ২০টা ইটাহে তৈয়াৰ কৰিব পাৰে যদিও চৰকাৰৰ পৃষ্ঠপোষকতা পালে নতুন মেছিন আদিৰ জৰিয়তে অধিক ইটা তৈয়াৰ কৰি এয়া এক লাভজনক উদ্যোগলৈয়ো ৰূপান্তৰ কৰিব পাৰি বুলি অধ্যাপক বেজবৰুৱাই কয়। ইয়াৰ দ্বাৰা নিবনুৱা সমস্যা সমাধানৰো এক পথ মুকলি থকাৰ কথাও ব্যক্ত কৰে অধ্যাপকজনে।

উল্লেখ্য যে ইতিমধ্যে উদ্ভাৱকজনে আন দুটা পেটেন্ট লাভ কৰিছে। বৰ্তমানৰ মহাসাগৰৰ তলিৰ পৰা মহাকাশলৈকে মাটি-পানী-বায়ু সামৰি সকলোতে এক 'বিশ্বৰ আপদ'ৰূপে চিহ্নিত হোৱাৰ সময়তে এই প্লাষ্টিকৰ এনে ব্যৱহাৰৰ খবৰে নিশ্চয়কৈ অসম, ভাৰতৰে নহয় বিশ্ববাসীৰ বাবেও এক ইতিবাচক বাৰ্তা বহন কৰিব।

## লাচিত বৰফুকনৰ বিক্ৰমৰ প্ৰতীক উত্তৰ গুৱাহাটী সাতটা গড় বেদখলৰ কবলত

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৪ জুলাই ঃ** অসমীয়া জাতিৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক লাচিত বৰফুকনৰ স্মৃতি বিজড়িত উত্তৰ গুৱাহাটীৰ লাচিত গড় সম্প্ৰতি অশুভ শক্তিৰ বেদখলৰ কবলত পৰিছে। লাচিত গড়ৰ উপৰি মোমাই কটা গড়কে ধৰি উত্তৰ গুৱাহাটীৰ সাতটাকৈ ঐতিহাসিক গড়তো এতিয়া বেদখলকাৰীয়ে দপদপাই আছে। যাৰ ফলত নিঃশব্দে নিশ্চিহ্ন হোৱাৰ উপক্ৰম ঘটিছে অসমীয়াৰ গৌৰৱস্বৰূপ এই ঐতিহাসিক গড় কেইটাৰ অস্তিত্ব।

উল্লেখ্য যে অসমীয়া জাতিক মোগলৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ বীৰ লাচিতে নিৰ্মাণ কৰিছিল সাতগড়। পৰাক্ৰমী মোগলক ভেটিবলৈ উত্তৰ গুৱাহাটীত আহোমৰ সেনাপতি লাচিতৰ নিৰ্দেশত গড় বান্ধি নিৰ্মাণ কৰা হৈছিল কোঠ। উত্তৰ গুৱাহাটীৰ পৰা আমিনগাঁও আজ্ঞাঠুৰীলৈ চৌদিশে গড়েৰে বেৰিছিল আহোম সেনাপতিজনে। লাচিতৰ বিচক্ষণতাৰ বাবেই গুৱাহাটী তথা অসম মোগলৰ পৰা ৰক্ষা পৰিছিল। অথচ সেই ঐতিহ্যমণ্ডিত ভেটামুখ লাচিত গড়তে এতিয়া এচাম অসাধু লোকে চলাইছে বেদখল। বেদখলকাৰীৰ বাবেই উত্তৰ গুৱাহাটীৰ ঐতিহাসিক লাচিত গড় নিশ্চিহ্ন হোৱাৰ পথত। কেৱল বেদখলেই নহয়, একাংশ দালালে কিনা-বেচাও আৰম্ভ কৰিছে। গৌৰীপুৰৰ উত্তৰ গুৱাহাটী আৰক্ষী চকীৰ সমুখতে থকা লাচিত গড়ত অবাধ বেদখল দেখিও ৰহস্যজনকভাৱে নীৰৱ হৈ আছে আৰক্ষী-প্ৰশাসন বা দল-সংগঠনসমূহ। গড়ৰ দুয়োপাৰে এচাম অসাধু লোকে সাজিছে ঘৰ, ব্যৱসায়িক প্ৰতিষ্ঠান। ঐতিহাসিক লাচিত গড়ত এনে অবাধ বেদখলৰ পাছতো নিৰ্লিপ্ত হৈ আছে কামৰূপ জিলা প্ৰশাসন। ঐতিহাসিক গড়টোত চলা অবাধ বেদখল দেখি সম্প্ৰতি ক্ষোভিত হৈ পৰিছে সচেতন মহল। অতি শীঘ্ৰেই লাচিত গড়, মোমাই কটা গড়কে ধৰি সাত গড়ত চলা বেদখল উচ্ছেদৰ দাবী জনাইছে স্থানীয় লোকে। অভিযোগ অনুসৰি, আমিনগাঁৱত অৱস্থিত মোমাই কটা গড়ৰ বেদখলকাৰীক ৰাজনৈতিক লাভালাভৰ বাবে সুৰক্ষা দি অহা বাবেই আজিকোপতি গড়টোৰ সম্পৰ্কত নিমাত হৈ আছে চৰকাৰ। উল্লেখ্য যে মোমাই কটা গড়ত বেদখল কৰা লোকৰ অধিকাংশই সন্দেহজনক নাগৰিক। সেইসকল সন্দেহযুক্ত নাগৰিকৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে বাতৰি প্ৰকাশৰ পাছতো চৰকাৰ বা প্ৰশাসনে কোনো পদক্ষেপ নল'লে বুলি স্থানীয় লোকে অভিযোগ কৰিছে। এনআৰচি উন্নীতকৰণৰ সময়ত সেইসকল নাগৰিক স্বদেশী হৈ পৰিল বুলিও স্থানীয় লোক ক্ষোভ প্ৰকাশ কৰে।



অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com